# Assam Legislative Assembly Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## January Session

## VOL. I

## No. 7

The 30th January, 1986

REFERENCE
(Not for Issue)

REFERENCE
(Not for Issue)

1987

**PRINTED AT THE ASSAM GOVT. PRESS,**

**GUWAHATI—781021**

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY 1986

## JANUARY SESSION

## VOLUME I

## No. 7

### Dated, the 30th January, 1986

Contents


| | | Pages |
|---|---|---|
| 1. | Questions .. .. .. .. .. | 1—23 |
| 2. | Calling Attention Notice .. .. .. | 24—25 |
| 3. | Matter under Rule 301 .. .. .. | 26—28 |
| 4. | Statement by Minister .. .. .. | 29 |
| 5, | Debates on the Governor's Address ... .. | 30—58 |
| 6. | Adjournment ... .. .. ... | 59 |


REFERENCE
(Not for Issue)
... Library

REFERENCE
(Not for Issue)
Reading Only Inside Library

Proceedings of the First Session of the Assam Legislative Assembly assembled after the Eighth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on 30th January, 1986 with the Hon. Speaker in the Chair, 14 (fourteen) Ministers 6 (Six) Ministers of State and 102 (one hundred and two) Members present.

## STARRE' QUESTIONS AND ANSWERS
(To which oral replies were given)

বি ঃ নগাঁৱৰ দলং নিৰ্ম্মানৰ বাবে খৰচ।

শ্ৰীগিবিন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

* ১১। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) নগাঁৱৰ ই এণ্ড ডি বিভাগত আজি কিছু দিনৰ আগতে এজন ঠিকাদাৰে এখন দলং নিৰ্ম্মানৰ নামত কোনো ধৰণৰ কাম নকৰাকৈয়ে এক লাখ ষাঠী হাজাৰ টকা এই বিভাগৰ পৰা আদায় কৰা কথাটো সচাঁনে ?

(খ) যদি সচাঁ চৰকাৰে এই বিষয়ে কি ব্যৱস্থা লৈছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১১। (ক)—সচাঁ নহয়।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা ঃ

মাননীয় অধ্যক্ষ মহোদয়, এই অভিযোগ সম্পৰ্কে বাতৰি কাকতত পঢ়িবলৈ পাইছো (জনজ্ঞান, ২২ চেপ্তেম্বৰ) নগাঁৱৰ ই, এণ্ড, ডি tবভাগৰ এজন ঠিকাদাৰে কাম নকৰাকৈয়ে ১ লাখ ৬0 হেজাৰ টকা বিভাগৰ পৰা আদায় কৰি লৈ গল। মাননীয় মন্ত্ৰী মহোদয়ে জনাবনেকি যে বাতৰি কাকতত যি প্ৰবন্ধ (এই সম্পৰ্কীয়) লিখা হৈছিল সি ভুল তথ্যৰ ওপৰত ভিত্তি কৰি লিখা হৈছিল ? যদি এই তথ্য ভুল হয় তেন্তে তাৰ কিবা বিহিত ব্যৱস্হা কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বিভাগীয় মন্ত্ৰী) ঃ

প্ৰকৃততে দলংৰ কাম নকৰাকৈয়ে টকা আদায় কৰা বাৰ্তাৰটো অধ্যক্ষ মহোদয়, সত্য নহয়।

Re : **Irregularities in DRDA, Mangoldoi,**

Shri BINAI KHUNGUR BASUMATARY asked :

*12. Will the Minister, Rural Development be pleased to state:—

(a) Whether the BLCC/Udalguri brought serious charges of irregularities against the Project Director, DRDA/Mangoldoi during October/November 1984 ?

(b) If so, whether an enquiry was conducted by the Jt. Director, Rural Development on 22nd December 1984 at Udalguri Development Block ?

(c) If so, the steps taken against the Project Director DRDA/Mangoldoi ?

Shri LALIT CHANDRA RAJKHOWA (Minister, Rural Development) replied :

12(a) No serious charges of irregularities against the Project Director, DRDA, Mangaldoi were brought by the BLCC/Udalguri in its meetings during October/November, 1984,

(b) No.

(c) Does not arise.

Shri BINAI KHUNGUR BASUMATARI : Sir, is the Government aware of the fact that by a Resolution dated 7 January 85 the BLCC Udalguri had brought in certain serious charges against the Project Director, DRDA Mangaldoi ? And, the question No. 2 is whether the Government is in possession of a letter No. DRT 4/27/84/24, dated 18th January 85 wherein the Joint Director of Rural Development had detected a gross irregularity perpetrated by the Project Director ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ঃ

মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই জনাব খোজোঁ যে অক্টোবৰ নবেম্বৰ ১৯৮৪ চনত ওদালগুৰিৰ উন্নয়ণখণ্ডত বি, এল, চি, চিৰ দুখন সভা হৈছিল—এখন ২৫।১০।৮৪ তাৰিখে আৰু আনখন ১০।১১।৮৪ তাৰিখে।

এই সভাত মংগলদৈ ডি, আ, ডি, এ, ৰ প্ৰজেক্ট ডাৰেক্টৰৰ বিৰুদ্ধে গুৰুতৰ অনিয়ম কৰা অভিযোগ উৎথাপন কৰা নাছিল, আৰু কোনো প্ৰস্তাৱো এই সম্পৰ্কে গ্ৰহণ কৰা নাছিল।

ৰুৰেল ডেভেলপমেণ্টৰ জইণ্ট ডাইৰেক্ট এজন ২২।১২।৮৪ তাৰিখে ওদালগুৰিলৈ গৈছিল। কিন্তু অন্য কামতেহে গৈছিল, ডি, আৰ, ডি, এ, ৰ প্ৰজেক্ট ডাইৰেক্টৰে এটা অভিযোগ তদন্ত কৰিবলৈ যোৱা নাছিল। তাত অৱশ্যে জইণ্ট ডাইৰেক্টৰে এটা অভিযোগ পালে যে যিবোৰ টিংপাত ওদালগুৰি ব্লকত দিয়া হৈছিল, সেইবোৰ তলখাপৰ। কথাটো জইণ্ট ডাইৰেক্টৰে মংশলদৈত ডি, আৰ, ডি, এৰ প্ৰজেক্ট ডাইৰেক্টৰক ব্যৱস্থা লবৰ বাবে জনায়।

Shri BINAI KHUNGUR BASUMATARI : Sir, I think the Government is not aware of the first point mentioned in the findings of the Joint Director that in place of Rs. 30,000 allocated for School building, the Project Director DRDA Mangaldoi released only Rs. 22,000 and the balance Rs. 8'000 is thereby not accounted for. That is the main point by-passed by the Hon. Minister while replying to the question. Can he now clarify this point, Sir?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যি অভিযোগ উৎথাপন কৰিছে এতিয়ালৈকে এই সম্পৰ্কে আমাৰ জনা হোৱা নাই। কিন্তু অতি সোনকালে এইটো তদন্ত কৰি জনাব পাৰিম বুলি ভাবোঁ।

Shri BINAI KHUNGUR BASUMATARI : Sir, I think the Hon. Minister is intentionally misled because I have here, Sir, a copy of that letter which says that out of Rs. 30,000 allocated only Rs.22,000/-have been released and the balance Rs.8,000 have been kept by the Project Director, Mangaldoi. Don't you consider, Sir, this a serious irregularity?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (বিভাগীয় মন্ত্ৰী) ঃ

অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যিটো মিচ লিড কৰাৰ কথা কৈছে আচলতে সেইটো এনেকুৱা নহয়। তেখেতে তথ্য-পাতি দাখিল কৰক ইয়াৰ বিহিত ব্যৱস্হা কৰি সদনত জানিবলৈ দিয়াৰ চেষ্টা কৰা হব, যিহেতু আমি এটা নিকা প্ৰশাসন যন্ত্ৰ বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়,—আপুনি কাগজখন দিব।

বি ঃ কাঠৰ অনুজ্ঞা পত্ৰ।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বাৰুৱা আৰু শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

* ১৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ডিচেম্বৰ মাহলৈ অসমত ব্যক্তিগত ব্যৱসায়ীক কিমান কিউবিক মিটাৰ কাঠ কাটিবলৈ অনুজ্ঞা পত্ৰ দিছিল ?

(খ) কোন কোন ব্যৱসায়ীক কিমান পৰিমানৰ কাঠ কাটিবলৈ অনুজ্ঞা পত্ৰ দিছিল ?

(গ) অসম বন বিভাগৰ কাঠ কাটিবলৈ ব্যক্তিগত মালিকী ব্যৱসায়ীক অনুজ্ঞা পত্ৰ দিয়া চৰকাৰী নীতি ১৯৮৩ চনৰ পৰা কি আছিল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩। (ক)—উল্লেখিত সময়ত চৰকাৰে কোনো ব্যক্তিগত ব্যৱসায়ীক কাঠ কাটিবলৈ অনুমতি পত্ৰ দিয়া নাছিল। এই সম্পৰ্কে উল্লেখ কৰিব পাৰি যে চৰকাৰৰ বৰ্ত্তমান প্ৰচলিত নীতি অনুসৰি ব্যৱসায়ীক বনাঞ্চলৰ পৰা কাঠ কাটিবলৈ দিয়া নহয়। ব্যৱসায়ী সকলক বিভাগীয় হিচাপে কটা কাঠ দিপোৰ পৰা নিয়ম অনুযায়ী প্ৰতিযোগিতা মূলক ভাবে বিক্ৰি কৰা হয়। কিন্তু দেখা গৈছেযে ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ডিচেম্বৰ মাহলৈকে বহুতো ব্যৱসায়ীক বিভাগীয় হিচাপে কটা কাঠ নিবৰ বাবে তদৰ্থ ভাবে (এধক) অনুজ্ঞা পত্ৰ দিয়া হৈছিল। এই সম্পৰ্কে যাৱতীয় তথ্য পাতি বিভিন্ন চক্ৰ ও সংমণ্ডলৰ পৰা সংগ্ৰহ কৰাৰ ব্যৱস্হা কৰা হৈছে। উক্ত তথ্য পাতি সম্পূৰ্ণ ৰূপে পালেহে সদনক জনাব পৰা হব।

(খ) কত উল্লেখিত কাৰণত বৰ্ত্তমান সদনত উত্তৰ দিয়া সম্ভৱপৰ নহয়।

(গ) বিভাগীয় ভাৱে কাটি দিপোত জমা কৰা কাঠৰ ব্যক্তিগত মালিকী ব্যৱসায়ীক অনুজ্ঞা পত্ৰ দিয়া সম্পৰ্কে ১৯৮৩ চনৰ পৰা আগৰ চৰকাৰৰ কোনো সুস্পষ্ট নীতি পৰিলক্ষিত হোৱা নাই। বৰ্ত্তমান চৰকাৰে এই সম্পৰ্কে এটা সুনিৰ্দ্দিষ্ট পদ্ধতি গ্ৰহণ কৰাৰ কথা বিবেচনা কৰি আছে।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জনা গল যে ১৯৮৩ চনৰ পৰা ৮৫ চনলৈএই বিভাগৰ পৰা বিভিন্ন ডিপোৰ পৰা কাঠ সংগ্ৰহৰ কাৰনে তদৰ্থভাৱে অনুজ্ঞাপত্ৰ দিয়া হৈছিল। যিখিনি সময়ত কোনো নিৰ্দ্দিষ্ট নীতি ৰ দ্বাৰা এইবিলাক দিয়া হোৱা নাছিল। আৰু বহু খেলি মেলি পৰিলক্ষিত হৈছিল। মন্ত্ৰী মহোদয়ে জনাবনে সেই সময়ত কেন্দ্ৰীয় চৰকাৰৰ পৰা অসমলৈ এটা তদন্ত আয়োগ পঠোৱা হৈছিল, সেই আয়োগে কি কি কৰিলে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো বৰ্তমান তদন্তনাধীন অৱস্হাত আছে।

শ্ৰীজয় নাথ শৰ্মা ঃ— অধ্যক্ষ মহোদয়, ডিপাৰ্টমেণ্টেল অপাৰেচন কৰোঁতে ওৱাকিং প্লেন অনুসৰি গছ কাটিবলৈ দিয়া হৈছিল নে নাই জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই আগৰ প্ৰশ্নৰ উত্তৰত কৈছোঁৱেই যে গোটেই বিষয়টো তদন্ত কৰিবলৈ দিয়া হৈছে ।

Shri ALTAF HUSSAIN MAZUMDAR : Mr. Speaker, Sir, it appears that the Government of Assam stopped issuing permits to individual contractors and individuals. Will the Hon'ble Chief Minisrer state when that order was passed ?

And, secondly, since when the departmental operation started ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এই সম্পৰ্কত স্পষ্টভাৱে কোৱা হৈছে যে চৰকাৰৰ প্ৰচলীত নীতি অনুসৰি য়েই বনাঞ্চলৰ পৰা কাঠ কাটিবলৈ দিয়া নহয় ।

Shri ALTAF HUSSIN MAZUMDAR : Since when tha policy was enunciated ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো প্ৰচলিত নীতি হৈ আছে বৰ্ত্তমানে ।

Shri ALTAF HUSSIN MAZUMDAR : Sir, I want a specific answar from the Hon'ble Chief Minister. Since when the direction was given by the Government ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) :—অধ্যক্ষ মহোদয়, তেখেতে ব্যক্তিগতভাৱে জানিব বিচাৰিলে ব্যক্তিগতভাৱে মোৰ ওচৰলৈ আহিলে জনাব পাৰিম ।

বি : কটন ও ডিফু মহাবিদ্যালয়ত শিক্ষক নিযুক্তি

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

* ১৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৫ চনত কটন মহাবিদ্যালয় নাইবা ডিফু মহাবিদ্যালয়ত কোনো শিক্ষকক নিযুক্তি দিয়া হৈছিল নেকি ?

(খ) যদি হৈছিল, নিৰ্দ্দিষ্ট আইনগত প্ৰণালীৰে নিযুক্তি দিয়া হোৱা নাছিল, কি ভাবে দিয়া হৈছিল ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৪। (ক)—হয়, হৈছিল।

(খ)—কিছুমান চাকৰিয়ালক নিয়মীয়া নিযুক্তি দিয়া হৈছে আৰু কিছুমান অসম লোক সেৱা আয়োগৰ ৩(এফ)ত দিয়া হৈছে।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা — মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব পৰা গল যে কিছুমান শিক্ষকক নীতি নিয়ম অনুসৰি নিযুক্তি দিয়া হল আৰু আন কেইগৰাকীমানক ৩(১) ধাৰা অনুযায়ী নিযুক্তি দিয়া হৈছিল । মই জনাত কটন কলেজ আৰু ডিফু কলেজত ক্ৰমে শ্ৰীপদ্ম শৰ্ম্মা আৰু শ্ৰীজয়শ্ৰী বৰাক ৩(১) ধাৰা অনুযায়ী নিযুক্তি দিয়া হৈছিল । আৰু কটন কলেজৰ ৰাজনীতি বিজ্ঞানৰ চচিয়'লজিৰ কাৰণে আৰু এগৰাকীক নিযুক্তি দিয়া হৈছিল । এই যি জনক শিক্ষক হিচাপে নিযুক্তি দিলে তেওঁ ১৯৮৪ চনৰ গুৱাহাটী বিশ্ব বিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী আছিল । এই শিক্ষক জনক নিযুক্তি দিবৰ সময়ত পৰীক্ষাৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰা হলে তেওঁৰ ওপৰত আৰু অৰ্হতাসম্পন্ন ছাত্ৰ-ছাত্ৰী আছিল । কিন্তু তেওঁলোকক কাষৰীয়া কৰি এইজনক নিযুক্তি দিয়া হল। গতিকে মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত অৰ্হতাসম্পন্ন ছাত্ৰ-ছাত্ৰীক সুবিধা দিবৰ কাৰণে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি অভিযোগ উত্থাপন কৰিছে আমি সেই বিষয়ত অনুসন্ধান কৰিম । আৰু প্ৰয়োজন হলে পিচত সদনত জনাব পাৰিম ।

কুমাৰ দীপক দাস ঃ—অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে নিযুক্তিৰ ক্ষেত্ৰত ইয়াৰ আগৰ চৰকাৰৰ যি খেলি মেলি সেইবোৰৰ বিহিত ব্যৱস্থা বা অনুসন্ধান আদি কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই কব খোজো যে আৰু আগতেও কৈছিলোঁ যে যিবিলাক বিসঙ্গতি হৈছে সেই বিলাক বিষয়ত চৰকাৰ সতৰ্ক হৈছে আৰু তদন্তৰ ব্যৱস্থা কৰিছে। শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰতো যি বিলাক বেমেজালি হৈছে আৰু যি বিলাক অভিযোগ সদনত উত্থাপিত হৈছে আৰু বাইজেও আনিছে সেই বিলাক অভিযোগ নিশ্চয় অনুসন্ধান কৰা হব আৰু ইতিমধ্যে আমাৰ বিভাগৰ ভিত্তিত এই বিলাকক ৰিভিউ কৰিবৰ কাৰণে ব্যৱস্থা লোৱা হৈছে ।

শ্ৰী চাৰ্মসিং হাঞ্চে ঃ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে কলেজ শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত মই জনাব খুজিছোঁ আমাৰ ডিফু চৰকাৰী কলেজত নিযুক্তি দিয়া শিক্ষকে তাত যোগদান নকৰি কটন কলেজত যোগদান কৰিছে, এই কথাটো সচাঁনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এটা নতুন প্ৰশ্ন উতথাপন কৰিছে, আমি এই বিষয়ে এতিয়ালৈকে কোনো তথ্যপাতি পোৱা নাই । তথাপি তেখেতে যিহেতু অভিযোগ আনিছে নিশ্চয় অনুসন্ধান কৰিম ।

মাননীয় অধ্যক্ষ ঃ—মন্ত্ৰী মহোদয়ে বিষয়টো অনুসন্ধান কৰিব ।

বি ঃ এ এ এচ ইউ এ এ জি এচ পিৰ সমৰ্থক গ্ৰেপ্তাৰ।

শ্ৰীজয় নাথ শৰ্ম্মাই সুধিছে ঃ

* ১৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ডিব্ৰুগড়, দৰং আৰু কামৰূপ জিলাত ১৯৭৯ চনৰ পৰা ১৯৮৫ চনৰ ১৫ আগষ্টলৈ এ এ এচ ইউ আৰু এ এ জি এচ পিৰ সমৰ্থক কিমানজনক গ্ৰেপ্তাৰ কৰা হৈছিল।

(খ) আন্দোলনকাৰীৰ ওপৰত ৰুজু কৰা গোচৰ সমূহ কেতিয়া উঠাই লোৱা হব ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৫। (ক)—১৯৭৯ চনৰ পৰা ইং ১৫।৮।৮৫ তাৰিখলৈ গ্ৰেপ্তাৰ হৈ থকা এ এ এচ ইউ আৰু এ এ জি এচ পিৰ সমৰ্থক—

কামৰূপ (অবিভক্ত)—৮৪২৭
দৰং (অবিভক্ত)—৪৫৭১
ডিব্ৰুগড় —৮৩৪৪
বিশদ প্ৰবিবৰণ বেলেগে সদনৰ মেজত ৰখা হল।

(খ) আন্দোলনকাৰীৰ ওপৰত ৰুজু কৰা গোচৰ সমূহৰ ক্ষেত্ৰত চৰকাৰে উদাৰ নীতি অবলম্বন কৰি গোচৰ বিলাক নিস্পত্তি কৰিবলৈ নিৰ্দ্দেশ জাৰি কৰিছে। সেই অনুক্ৰমে বহুসংখ্যক আদালতত পেচ কৰা গোচৰ উঠাই লোৱা হৈছে, তাৰ তালিকা সদনৰ মজিয়াত দিয়া হল। আৰু বাকী থকা গোচৰ বিলাক ৩১।১।৮৬ তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ বিভাগীয় কৰ্ত্তৃপক্ষক নিৰ্দ্দেশ দিয়া হৈছে। এই সম্পৰ্কত চৰকাৰী নিৰ্দ্দেশনাৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰা হৈছে।

শ্ৰীবলোভদ্ৰ তামুলী ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আন্দোলনকাৰী সকলৰ উপৰিও কিছুমান ব্যৱসায়ৰ ওপৰতো বহুতো কেচ চলি আছে আৰু এই বিলাকৰ পৰা ব্যৱসায়ী সকল জৰ্জৰিত হৈছে। সেই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্হা লৈছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো হৈছে আন্দোলনৰ লগত জড়িত হৈ থকা লোকৰ বিষয়েহে । তেওঁলোক ব্যৱসায়ীয়েই হওক বা ছাত্ৰই হওক ।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, আন্দোলনৰ সময়ত কেতবোৰ পুলিচ বিষয়াৰ ওপৰত গোচৰ আছিল । কিন্তু সেই সময়ত পুলিচ বিষয়াৰ ওপৰত গোচৰ তৰিবলৈ চৰকাৰে অনুমতি দিয়া নাছিল । এতিয়া চৰকাৰে এই অভিযুক্ত আৰক্ষী বিষয়াৰ ওপৰত গোচৰ তৰিবলৈ অনুমতি প্ৰদান কৰিব নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) ঃ—মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত কব বিচাৰিছো এই বিষয় লৈ এটা নিশ্চয় অনুসন্ধান কৰি সিদ্ধান্ত লম ।

বি ঃ পুল পৰিবহন

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

* ১৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰৰ পুল পৰিবহন (পুল ট্ৰেনস্পৰ্ট)ৰ তলত কিমানখন গাড়ী আছে ?

(খ) এই গাড়ীবোৰ কাৰ বাবে ব্যৱহাৰ কৰা হয় ?

(গ) ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ডিচেম্বৰৰ ১৬ তাৰিখলৈ কিমান লিটাৰ তেল (পেট্ৰোল আৰু ডিজেল ভিন ভিন ভাবে) এই গাড়ীবোৰৰ বাবদ ব্যৱহৃত হল ও তেলৰ বাবদ খৰচৰ পৰিমান কিমান হল ?

(ঘ) ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ১৬ ডিচেম্বৰলৈ এই গাড়ী সমূহৰ মেৰামতিৰ খৰচ কিমান হল, সদনৰ জ্ঞাতাৰ্থে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৬। (ক)—অচল অৱস্থাত থকা ৬ খন গাড়ীৰ সৈতে পুল পৰিবহনৰ তলত বৰ্ত্তমানে মুঠ ৪৯ (উনপঞ্চাশ)খন গাড়ী আছে।

(খ) পুলৰ গাড়ী মন্ত্ৰী, বিধান সভাৰ অধ্যক্ষ আৰু ৰাজ্যিক অতিথিৰ ব্যৱহাৰৰ বাবে দিয়া হয়। ইয়াৰোপৰি চৰকাৰৰ দ্বাৰা গঠিত বিভিন্ন কমিটিক চৰকাৰৰ অনুমতি ক্ৰমে গাড়ী দিয়া হয়।

(গ) মুঠ ১,৫৩,০৩০ লিটাৰ পি, অ, এল খৰচ হয়। ইয়াৰ বাবদ মুঠ ১০,৭১,৩১৩,৯১ টকা খৰচ কৰা হয়।

(ঘ) গাড়ী মেৰামতিৰ বাবদ মুঠ ২১·৫০ লাখ টকা খৰচ হয়।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ১৬ ডিচেম্বৰলৈ সেই সময়ৰ বহুতো বিধান সভাৰ সদস্যই এতিয়াও পুল গাড়ী ব্যৱহাৰ কৰাৰ কাৰণে টকা আদায় দিয়া নাই। গতিকে আদায় কৰাৰ কাৰণে কিবা ব্যৱস্থা লবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত ইতিমধ্যে পুল অফিচাৰলৈ আমাক চৰকাৰৰ ফালৰ পৰা সকলো কথা জনাবৰ কাৰণে কোৱা হৈছে আৰু সেইমতে ব্যৱস্থা লোৱা হব।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ— এই যি মি ৭৭৭ নং গাড়ী খন যোৱা ভূতপূৰ্ব্ব মুখ্য মন্ত্ৰী য়ে ব্যৱহাৰ কৰিছিল সেই কনটেছা গাড়ীখন এতিয়া এনেই পৰি আছে, সেইখনৰ এতিয়া কি ব্যৱস্থা লব ? আমি ইয়াৰ সদ ব্যৱহাৰ হোৱাটো বিচাৰো।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) ঃ— এই সম্পৰ্কে বিবেচনা কৰিব লাগিব।

শ্ৰীজয়নাথ শৰ্ম্মাঃ— ভূতপূৰ্ব্ব ৰাজ্যপাল প্ৰকাশ মেহোট্ৰাৰ চেক্ৰেটাৰীজনে ৩ খন পুল গাড়ী পুল অফিচাৰ পৰা লৈ গৈছিল। এতিয়া সেই গাড়ী ৩ খন কি অৱস্থাত আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) ঃ— গাড়ী কেইখনৰ নম্বৰ বিলাক দিলে বেচি সুবিধা হল হেতেন। এতিয়া গাড়ী বিলাক কাৰ হাতত কেনেকৈ আছে তাৰ এটা হিচাব আমি বিচাৰি পঠিয়াইছো।

শ্ৰীজয়নাথ শৰ্ম্মা :— শুনিবলৈ পোৱা মতে এই ৩ খন গাড়ীৰ ভিতৰত ২ খন গাড়ী অসমত নাই বুলি অভিযোগ উঠিছে। ইয়াৰ এটা তদন্ত কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) :— যদি তেনেকুৱা হৈছে বৰ বেয়া হৈছে। মই আজিয়েই ইয়াৰ তদন্ত কৰিম।

## Re : DISTURBANCES IN 1983 ELECTION

Sarbasree ARDHENDU KUMAR DEY and SANTI RANJAN DAS GUPTA, asked :

*17. Will the Minister, Relief and Rehabilitation be pleased to state :—

(a) Whether in 1983 after general Election many persons including many women and children killed in the villages in Chowlkhowa Khoirabari and Dhula areas of Darrang District ?

(b) Whether the present Government has decided to provide relief to the extent of Rs. 20,000/- to the general families of each person killed ?

Shri THANESWAR BOKO (Minister, Relief and Rehabilitation) replied :—

17. (a) Yes.

(b) No.

শ্ৰীআব্দুল জব্বৰ :— মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৩ চনৰ সেই সময় চোৱাত চাউলখোৱা, খৈৰাবাৰী, ধুলাৰ সংঘৰ্ষত কোন ঠাইত কিমান মানুহ মৰিছিল বিভাগীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ উত্তৰত মই জনাব বিচাৰিছো যে চাউলখোৱাত ১৭৩ জন মতা আৰু মহিলা সহ মুঠ ২৬৮ জন, খৈৰাবাৰীত ১২৫ জন মতা, ৪১ জনী মহিলা আৰু লৰা-ছোৱালী ২ জন—মুঠতে ১৬৮ জন আৰু ধুলাত ৮৫ জন মতা, ১৪ জনী মহিলা, লৰা-ছোৱালী নাই—মুঠতে ১০০ জন, সৰ্ব্বমুঠ—৫৩৬জন।

শ্ৰীআব্দুল জব্বৰ ঃ— মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মৃত ব্যক্তি সকলৰ লৰা-ছোৱালীৰ কাৰণে যি এক্স-গ্ৰেচিয়া গ্ৰেণ্ট দিয়া হৈছিল সেই গ্ৰেণ্টৰ টকা তেওঁলোকে পাইছে নে নাই মই জানিব বিচাৰিছো। মই জনাত তদন্ত শেষ হৈছে। বহুতো লৰা-ছোৱালীয়ে অৰ্থাৎ মৃত ব্যক্তি সকলৰ পৰিয়াল বৰ্গই দৰং জিলাৰ ডি, চি মহোদয়ৰ ওচৰত ঘূৰা-ঘূৰী কৰি আছে। কিন্তু এতিয়াও তেওঁলোকে এস্ক-গ্ৰেটিয়া গ্ৰেণ্ট পোৱা নাই। মই জানিব বিচাৰিছো এই গ্ৰেন্টৰ টকা কিমান জনক দিয়া হ'ল আৰু কিমান জনে পাবলগীয়া আছে। তাৰ এটা সদুউত্তৰ পালে সুখী হ'ম।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই জনাব বিচাৰিছো যে ভাৰত চৰকাৰৰ 'এচ পাৰ নৰ্মচ' মতে ৫ হাজাৰ টকা প্ৰতি পৰিয়াললৈ দিয়া হৈছিল। ইয়াৰ তথ্য-পাতি জিলা কতৃপক্ষৰ ওচৰত আছে।

শ্ৰীআব্দুল জব্বাৰ ঃ— যি সকল মৃত ব্যক্তিৰ লৰা-ছোৱালীয়ে এতিয়াও পোৱা নাই তেওঁলোকক বৰ্তমান চৰকাৰে এই এস্ক-গ্ৰেচিয়া গ্ৰেন্টৰ টকা দিবনে নিদিয়ে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— ৫ হাজাৰ টকাকৈ দিয়া হৈছে যদিও কিবা খেলি-মেলি হলে সেইটো তদন্ত কৰি চোৱা হব। এতিয়া বৰ্ত্তমান চৰকাৰে তেওঁলোকক ৰিলিফ দিয়া কাৰণে কোনো ব্যৱস্হা কৰা নাই।

Shri BINAI KHUNGUR BASUMATARY Sir, I want to know whether he also has the figures of Johamari, Thelam ri and Gahpur?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে পিচত জনাব পৰা হব। যদি মাননীয় সদস্য গৰাকীয়ে জানিব বিচাৰিছে তেনেহলে তেখেতে মোক লগ ধৰিলে বিংত খবৰ জনাব পৰা হব।

Shri SANTI RANJAN DAS GUPTA : They were not granted any ex-gratia payment. But the Minister has stated to make enquiry into this matter. When there is no fund, how then the Bereaved famills will get benefit ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— অভিযোগ থাকিলে নিশ্চয় তদন্ত কৰা হব। কিন্তু তেনে ধৰণৰ কোনো অভিযোগ এতিয়ালৈ চৰকাৰৰ হাতত পৰা নাই। এনে-ধৰণৰ গোচৰ যদি দাখিল কৰে তেনেহলে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ব্যৱস্হা হাতত লোৱা হব।

Shri SANTI RANJAN DAS GUPTA :- There are many such cases in other areas and the Questions are not replied.

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— এইবোৰ পুৰণা চৰাকাৰেই পেণ্ডিং কৰি ৰাখিছিল। নতুন চৰকাৰ ইয়াৰ বাবে জগৰীয়া নহয়।

বি ঃ তদন্ত আয়োগ।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

* ১৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৩ চনৰ নিৰ্ব্বাচনৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা পৰিস্থিতি সম্পৰ্কে তদন্ত কৰিবলৈ কিবা তদন্ত আয়োগ বহোৱা হৈছিল নেকি ?

(খ) যদি হৈছিল, এই আয়োগৰ কাম কি স্তৰত আছে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৮। (ক)—হয়। ১৯৫২ চনৰ তদন্ত আয়োগ আইনৰ অধীনত তেৱাৰী কমিচন বহুৱা হৈছিল।

(খ) তদন্ত আয়োগে প্ৰতিবেদন দাখিল কৰিছে আৰু ই চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেৱাৰী আয়োগে যদি প্ৰতিবেদন দাখিল কৰিছেই তেনেহলে এই প্ৰতিবেদন সদনক জানিবলৈ দিব নে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই সম্পৰ্কে নতুন চৰকাৰৰ বিবেচনাধীন হৈ আছে। আমি নিচেই কম সময়ৰ ভিতৰতে ইয়াৰ এটা সিদ্ধান্ত লম ।

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, আগৰ চৰকাৰেও এই একেটাই উত্তৰ আমাক দিছিল। এতিয়া নতুন চৰকাৰেও তাকেই নকল কৰি সেই একেটা উত্তৰকে দিছে। আমি নতুন চৰকাৰৰ পৰা এটা খাতাং উত্তৰ বিচাৰিছো যে এই প্ৰতিবেদন কেতিয়া সদনত জানিবলৈ দিয়া হব ?

শ্ৰীভৃগু কুমাৰ ফুকন ঃ— (মন্ত্ৰী) —অধ্যক্ষ মহোদয় মাননীয় সদস্য গৰাকীয়ে যিটো নকল শব্দ ব্যৱহাৰ কৰিছে তাৰ দ্বাৰা তেখেতে সদনকবিপক্ষে পৰিচালিত কৰিছে। নতুন চৰকাৰে কাৰ্য্যভাৰ লোৱা আজি মাত্ৰ এমাহ কালহে হৈছে । সেইফালৰ পৰা তেখেতে যিটো শব্দ ব্যৱহাৰ কৰিছে ই সচাকৈয়ে অন্যায় হৈছে । গতিকে এই শব্দটো তেখেতে উঠাই লব লাগে ।

শ্ৰীহেমেন দাস ঃ— মই এই শব্দটো উঠাই লৈছো । আগৰ মুখ্যমন্ত্ৰীয়েও আমাক সেই একেটা উত্তৰকে দিছিল । এতিয়া নতুন চৰকাৰে আমাক সেই বিষয়ে কেতিয়ালৈ জানিব দিব সেইটো জানিব পাৰিলে ভাল হয় ।

শ্ৰীভৃগু কুমাৰ ফুকন ঃ— (মন্ত্ৰী) —অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে নিচেই কম সময়ৰ ভিতৰতে এই বিষয়ে এটা সিদ্ধান্ত লোৱা হব ।

বি ঃ বন বিভাগৰ বেদখল মাটি।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

* ১৯। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমান বন বিভাগৰ কিমান পৰিমানৰ মাটি বেদখল হৈ আছে ? (এটা থুলমূল হিচাব দিয়ে যেন)

(খ) বেদখল উচ্ছেদৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৯। (ক)—১,৯০,৫৫৯,৮১ হেক্টৰ সংৰক্ষিত বনাঞ্চলৰ মাটি বৰ্ত্তমানে বেদখল হৈ আছে।

(খ)—অসমৰ বনাঞ্চলৰ পৰা বেদখল উচ্ছেদকৰণৰ বিষয়ে চৰকাৰে বিবেচনা কৰি আছে আৰু এই সম্পৰ্কে এটি সুস্পষ্ট নীতি অতি শীঘ্ৰে গ্ৰহণ কৰিব।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বন বিভাগৰ মাটিত যিবিলাক মানুহ বে-দখল কৰি বহি আছে সেই বিলাকৰ মাজত বহুতো চোৰং চিকাৰিও আছে বুলি আমি অভিযোগ পাইছো আৰু এই বিষয়টো বাতৰি কাকততো প্ৰচাৰ হৈছে । যদি এইটোৱেই সচাঁ হয়, তেনে-হলে কিমান সংখ্যক চোৰং চিকাৰীয়ে এনে ধৰণে মাটি বে-দখল কৰি আছে মন্ত্ৰী মহো-দয়ে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)ঃ— মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে চোৰং চিকাৰীয়ে মাটি বে-দখল নকৰে । তেনে ধৰণৰ দুই এজন চোৰং চিকাৰীয়ে হয়তো মাটি বে-দখল কৰিব পাৰে। এই বিষয়ে তদন্ত কৰি থকা হৈছে আৰু পিচত জনাব পৰা হব ।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, এই বিদেশী সকলৰ ভিতৰত অধিক সংখ্যক লোকেই বিদেশী বুলি যোৱা ছয় বছৰে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে দাবী উত্থাপন কৰি আহিছে । যদি এই সকল লোক প্ৰকৃততে থলুৱা আৰু ভূমীহীন নহয় তেনেহলে এই লোকসকলক উচ্ছেদ কৰি-বৰ কাৰণে চৰকাৰে কঠোৰ ব্যৱস্থা হাতত লব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই বিষয়টো নতুন চৰকাৰে মনযোগ সহকাৰে বিবেচনা কৰি আছে আৰু ইয়াৰ এটা সুস্পষ্ট নীতি গ্ৰহণ কৰা হব ।

Shri BINAI KHUNGUR BASUMATARI : As the forest said to be the Central subject, the previous Government expressed their inability to take any decision on this issue. Will there be any change in the attitude of the new Government in Assam ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোঁৱেই যে এই বিষয়ে এটা সুস্পষ্ট নীতি অতি শীঘ্ৰে গ্ৰহণ কৰা হব ।

Shri BINAI KHUNGUR BASUMATARI : My question is that this was a Central subject and the previous Government expressed their inability to do anything. I want to know whether there is any change in the policy.

Mr. Speaker : As per statement of the Hon'ble Chief Minister, it is under consideration of the Government.

বি ঃ মুখ্যমন্ত্ৰীৰ সহায্য পুজি

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

* ২০। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মাননীয় মুখ্য মন্ত্ৰীৰ সাহাৰ্য্য পুঁজিত বৰ্ত্তমান কিমান টকা জমা আছে ?

(খ) যোৱা বছৰত এই শিতানত মুঠ কিমান টকা ব্যয় কৰা হল ?

(গ) কোন কোন অনুষ্ঠান বা ব্যক্তিক কিমান পৰিমানৰ টকা সাহাৰ্য্য দিয়া হৈছিল এটা থুলমূল বিবৰণ দিয়ে যেন ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

২০। (ক)—বৰ্ত্তমান অৰ্থাৎ ১।১।৮৬ ইং তাৰিখত মুখ্য মন্ত্ৰীৰ সাহাৰ্য্য পুঁজিত সৰ্বমুঠ টঃ ৩৮,৫২,১০৭·১৫ পইচা জমা আছে।

(খ)—যোৱা বছৰ অৰ্থাৎ ১।৪।৮৫ ইং তাৰিখৰ পৰা ৩১।১২।৮৫ ইং তাৰিখত সৰ্বমুঠ ৫৮,০০,৪৬৩·০০ টকা খৰচ হৈছে।

(গ) ১৯৮৫-৮৬ ইং চনৰ মুখ্য মন্ত্ৰীৰ সাহাৰ্য্য পুঁজিৰ পৰা দিয়া অনুদানৰ তালিকাখন সদনৰ মজিয়াত উপস্থাপন কৰা হৈছে।

লগতে ১৯৮৪-৮৫ চনৰ তালিকাখনো দিয়া হৈছে।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ— মাননীয় অধ্যক্ষ মহোদয়, ২০ নং (ক) প্ৰশ্নৰ উত্তৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৩৮,৫২,১০৭·১৫ টকা জমা আছে বুলি হিচাব ডাঙি ধৰিছে । এই সমুদায় টকাৰ ভিতৰত অসম পুলিচৰ পৰা কোনো ধৰণৰ সাহায্য পাইছিল নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে অনুসন্ধান কৰিব লাগিব ।

Shri ALTAF HUSSAIN MAZUMDAR—Will the Chief Minister, please state what was the balance in the Chief Minister's Relief Fund during the last week of 1983 ? My Next question, is it a fact that the previous Government put an amount of Rs. 30 lakhs in the fixed deposit ? If it is so, what was the interest accrued ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্যমন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এই ৩৮,৫২,১০৭·১৫ পইচা মুঠ জমা টকাহে আছিল। কিন্তু সহজে ব্যয় কৰিব পৰা অংশত মাত্ৰ ৮৩৫·৯৫ পইচা থকাত মূল শিতানৰ পৰা ৩ লাখ টকা ব্যয় কৰিব পৰা শিতানলৈ অনা হয়।

Shri ALTAF HUSSAIN MAZUMDAR : My question is what was the balance in the Chief Minister's Relief Fund n the last week of February, 1983 ? My next question is it a fact that Rs. 30 lakhs was put in the fixed deposit by the previous Government ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই বিষয়ে তেখেতে মোক বেলেগে প্ৰশ্ন দিলে জনাব পাৰিম।

## SHORT NOTICE

## QUESTIONS AND ANSWERS

Date 30th January, 1986.

———

বি : নিৰাপত্তাৰ বাবদ হোৱা খৰচৰ হিচাব।

শ্ৰীমহিদুল ইছলাম বৰাই সুধিছে :

৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৩ চনৰ নিৰ্বাচনৰ ফলত প্ৰতিষ্ঠিত হোৱা চৰকাৰৰ দিনত মন্ত্ৰী, বিধায়ক তথা কংগ্ৰেছ (ই) নেতৃবৃন্দ আৰু তেওঁলোকৰ পৰিয়ালৰ নিৰাপত্তাৰ নামত আৰু ভৰণ-পোষণ, আমোদ-প্ৰমোদৰ বাবে কিমান চৰকাৰী ধন খৰচ হল।

(খ) ওপৰোক্ত ধনখিনি কোন শিতানত ব্যয় কৰা হয়, তাৰ বাবে বিশেষ মঞ্জুৰী দিয়া হৈছিলনে ?

(গ) এই ধৰণৰ চৰকাৰী ধন ইয়াৰ আগেয়ে এনেকুৱা কাৰণত খৰচ কৰা হৈছিল নেকি ?

(ঘ) বৰ্তমান চৰকাৰৰ দিনত তেনে নিৰাপত্তা নোলোৱাৰ ফলত মন্ত্ৰী বা বিধায়কৰ কিবা অঘটন ঘটিছিল নেকি ?

(ঙ) যদি ঘটা নাই ভেন্তে উক্ত ধন খৰচ হোৱাৰ গুণাগুণ বিবেচনাৰ বাবে ৰাইজৰ স্বাৰ্থত উচ্চ পৰ্য্যায়ৰ তদন্তৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন, (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫। (ক)—১৯৮৩ চনৰ নিৰ্বাচনৰ সময়ত নিৰাপত্তা নিৰ্ম্মাণ কাৰ্য্যৰ সময় ছোৱাত ২,৫৮,৭৭৯·০০ (দুই লাখ আঠাৱন্ন হেজাৰ সাতশ উনাশী) টকা খৰচ কৰা হয়। প্ৰাৰ্থী, ৰাজনৈতিক নেতা আৰু সমৰ্থকক নিৰাপত্তা দিয়াৰ বাবদ পুলিচৰ বিশেষ শাখাৰ পৰা ৪,৯১,৯৩২·০০ টকা খৰচ কৰা হয়।

| | |
|---|---|
| ১। কাৰ্য্যালয় খৰচ— | ১০,০০০·০০ টকা |
| ২। যান-বাহনৰ খৰচ— | ২,৮১,৯৩২·০০ টকা |
| ৩। ভ্ৰমণ ভাত্তা আৰু দৈনিক ভাত্তাৰ বাবদ— | ২,০০,০০০·০০ টকা |
| সৰ্বমুঠ— | ৪,৯১,৯৩২·০০ টকা |

(খ) নিৰাপত্তা নিৰ্ম্মাণ কাৰ্য্যৰ কাৰণে তলত দিয়া শিতানৰ পৰা ব্যয় কৰা হৈছিল।

484 Capital outlay on Urban Development G—Assam Capital Construction etc, (GAD)

প্ৰাৰ্থী, ৰাজনৈতিক নেতা আৰু সমৰ্থকৰ নিৰাপত্তা দিয়াৰ কাৰণে তলত দিয়া শিতানৰ পৰা খৰচ কৰা হৈছিল।

"255—Police-8-D Criminal Investigation and Vigilance (B)—(I) Special Branch-I-Salaries.",

ওপৰোক্ত টকাৰ খৰচৰ বাবদ মঞ্জুৰী দিয়া হৈছিল। নিৰ্বাচনৰ পিচৰ সময় ছোৱাৰ তথ্য সংগ্ৰহ কৰি থকা হৈছে।

(গ) ইয়াৰ আগতেও মন্ত্ৰী সকলৰ আৰু বিশিষ্ট ব্যক্তি সকলৰ নিৰাপত্তা দিয়াৰ কাৰণে টকা খৰচ কৰা হৈছিল।

(ঘ) বৰ্ত্তমান মন্ত্ৰী আৰু কিছু সংখ্যক বিধায়কক প্ৰচলিত প্ৰথা অনুসৰি আৱশ্যকীয় নিৰাপত্তা দিয়াৰ ব্যৱস্থা চলি আছে। বৰ্ত্তমান বিধান সভাৰ কোনো মন্ত্ৰী বা বিধায়কৰ অঘটন ঘটা নাই।

(ঙ) বৰ্ত্তমান উচ্চ পৰ্য্যায়ৰ তদন্তৰ সম্পৰ্কে চৰকাৰে ভবা নাই।

মাননীয় অধ্যক্ষ ঃ অসম সচিবালয়ৰ সন্মুখত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তিত মাল্য প্ৰদান অনুষ্ঠানত এই সদনৰ সকলো সদস্যই যোগদান কৰাৰ সুবিধাৰ্থে এতিয়া এই সদন ১০-৪৫ মিনিটৰ পৰা ১১-২৫ মিনিটলৈ স্থগিত ৰখা হল ।

বি ঃ চকিঘাট দৰঙৰ নিৰ্ম্মাণ।

শ্ৰীগণেশ কুটুমে সুধিছে ঃ

৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শোণিতপুৰ জিলাৰ 'চকিঘাট' দলং নিৰ্ম্মাণৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

(খ) যদি কৰিছে কেতিয়াৰ পৰা কাম আৰম্ভ হব অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬। (ক)—নাই।

প্ৰাৰম্ভিক জৰীপৰ কামৰ বাবে ১১·০৩ লাখ টকাৰ ভাৰত চৰকাৰৰ সংৰক্ষিত পুঁজিৰ পৰা (চি-আৰ-এফ) মঞ্জুৰী পাই, জৰীপৰ কাম কৰি থকা হৈছে।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীঅতুল বৰা (গড়কাপ্তানি মন্ত্ৰী) ঃ— মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কৈছো তেনেধৰণৰ কোনো আচঁনি লোৱা নাই । খালি প্ৰাৰম্ভিক জৰীপৰ কামৰ বাবে ১১·০৩ লাখ টকাৰ ভাৰত চৰকাৰৰ সংৰক্ষিত পুজিৰ পৰা মঞ্জুৰ পোৱা হৈছে আৰু জৰীপৰ কাম কৰি থকা হৈছে । এই প্ৰশ্নৰ উত্তৰৰ পিছত দ্বিতীয় প্ৰশ্ন নুঠে ।

শ্ৰীগনেশ কুটুম ঃ— অগ্ৰাধিকাৰৰ ভিত্তিত দলংখনৰ কাৰনে ক্ষিপ্ৰ গতিত কাম হাতত লব নে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ—এই প্ৰশ্নৰ উত্তৰত দিছোৱে যে জৰীপৰ কাম হৈ চলি আছে । পৰ্য্যায়ক্ৰমে কাম আৰম্ভ কৰা হব । আমি প্ৰাককলন দাঙি ধৰিছো ১৩ কোটি টকাৰ । গতিকে জৰীপৰ কাম সম্পূৰ্ণ নোহোৱাকৈ বেলেগ কাম কৰা সম্ভৱ নহব ।

বি ঃ কামাখ্যা বৈদ্যুতিক শ্মশান।

শ্ৰীময়িদুল ইছলাম বৰাই সুধিছে ঃ

৭। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী চহৰৰ কামাখ্যা শ্মশানত এটি বৈদ্যুতিক চুল্লি স্থাপন কৰা হৈছিল নেকি?

(খ) যদি হৈছিল কিমান টকা ব্যয় কৰা হৈছিল আৰু কোন বিভাগে কোন শিতানত ব্যয় কৰিছিল ?

(গ) যদিহে বহুদ টকা ব্যয় কৰি সেইটো স্থাপন কৰিছিল, তেতিয়াহলে এতিয়ালৈকে এজনক বাহিৰে কোনো মৃতদেহ এতিয়ালৈকে সৎকাৰ নকৰাটো সচাঁনে ?

(ঘ) যদি সচাঁ হয় ইয়াৰ কাৰণ কি ?

শ্ৰীচাঁহিদুল আলম চৌধুৰী (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৭। (ক) কামাখ্যা ভূতনাথ শ্মশানত বৈদ্যুতিক চুল্লি এটি স্থাপন কৰা হৈছিল।

(খ)—অসম চৰকাৰৰ নগৰ আৰু গাঁও পৰিকল্পনা বিভাগে এই বৈদ্যুতিক চুল্লি ১৯৭৪ চনত নিৰ্ম্মাণ কৰিছিল। এই চুল্লি ১৯৭৫-৭৬ চনত গুৱাহাটী পৌৰ নিগমক হস্তান্তৰ কৰে। নিৰ্ম্মাণ কৰোতে মুঠতে ৭,৯৯,২৫০ টকা ব্যয় হৈছিল।

(গ) আৰু (ঘ)—এতিয়ালৈকে এটা মৃত্যুদেহৰ বাহিৰে অইন মৃতদেহৰ সৎকাৰ নকৰাটো সচাঁ। বৈদুতিক চুল্লিটো প্ৰথম মৃতদেহ সৎকাৰ পিচতে যান্ত্ৰিক বিজুতি ঘটাত ব্যৱহাৰ কৰিব পৰা হোৱা নাই।

শ্ৰীমইদুল টছলাম বৰা :— কি যান্ত্ৰিক বিজুতি হৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীচাঁহিদুল আলাম চৌধুৰী (পৌৰ প্ৰশাসন মন্ত্ৰী) :— তাৰ কাৰনে নোটিশ দিয়া হৈছে ।

Re : Appointment of L. P. School Teachers

Shri HEMEN DAS asked :

8. Will the Minister, Education be pleased to state—

The number of L. P. School teachers appointed in Barpeta District after the announcement of the date of the last election ?

Shri BRINDABON GOSWAMI (Minister, Education) replied.

৮। যোৱা নিৰ্বাচনৰ অধিসূচনা ইংৰাজী ১৫।১১।৮৫ তাৰিখে জাৰি কৰা হৈছিল। উক্ত তাৰিখৰ পিচত বৰপেটা জিলাত বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শকে ২(দুই) গৰাকী বৃত্তিধাৰী শিক্ষকক প্ৰাথমিক বিদ্যালয়ত নিয়োগ কৰে। বিৱৰণ তলত দিয়া হল।

| নাম | স্কুলৰ নাম | নিয়োগ তাৰিখ |
|---|---|---|
| ১। শ্ৰীমতী যামিনী দেৱী<br>অৰ্হতা -প্ৰবেশিকা পাছ | ৩ নং বামাখাটা<br>প্ৰাথমিক বিদ্যালয় | ২১।১১।৮৫ |
| ২। শ্ৰীমতী বীণাপাণি নাথ<br>অৰ্হতা—প্ৰবেশিকা পাছ | সুন্দৰী দিয়া<br>দক্ষিণহাটী<br>প্ৰাইমাৰী স্কুল | ১৬।১১।৮৫ |

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল আফটাৰ দা এনাউন্সমেন্ট আফটাৰ দা নোটিফিকেচন নহয়।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ—যোৱা সাধাৰন নিৰ্ব্বাচনৰ কাৰনে ১৫-১১-৮৫ তাৰিখে নোটিফিকেচন হৈছিল।

শ্ৰীহেমেন দাস ঃ—সেই তাৰিখত তাৰিখ ঘোষণা হৈছে কিন্তু তাৰ আগতেই নিৰ্ব্বাচন আয়োগে ঘোষণা কৰিছিল গতিকে প্ৰক্ৰীয়া সেই তাৰিখৰ পৰাই আৰম্ভ হৈছে ।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ অধিসূচনা ১৫-১১-৮৫ তাৰিখে জাৰি কৰিছে । মই প্ৰশ্নটোৰ সঠিক উত্তৰেই দিছো । বিদ্যালয়ৰ উপপৰিদৰ্শক মহোদয়ে তাৰ পিছত দৰখাস্তকাৰী শিক্ষক নিয়োগ কৰিছে ।

শ্ৰীহেমেন দাস ঃ— মোৰ প্ৰশ্নটো বেলেগ ধৰণৰ । মই অধিসূচনা জাৰি কৰাৰ তাৰিখৰ কথা কোৱা নাই মই কৈছো নিৰ্ব্বাচন আয়োগে যেতিয়া অসমত নিৰ্ব্বাচন হব বুলি ঘোষণা কৰিছিল তাৰ পিছৰ কথা ।

বি ঃ জলসিঞ্চন আঁচনি

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ

১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

১৯৮২ চনতে আৰম্ভ হোৱা কলাই গাঁও সমষ্টিৰ অন্তৰ্গত প্ৰায় ৩৬০০০ টকাৰে আৰম্ভ কৰা দৰৰদৰা জলসিঞ্চন আঁচনি কালপানী জলসিঞ্চন আঁচনি খৈৰাবাৰীৰ দিমিলা জলসিঞ্চন আঁচনি আৰু চন্দনা নদীৰ ওপৰত ১০(দহ) বছৰ আগতে পৰিকল্পনা লোৱা পৰ্দাঠমাৰী জলসিঞ্চন আঁচনি এতিয়া কেনে অৱস্থাত আছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৯। এই আঁচনিবোৰৰ বৰ্ত্তমান অৱস্থান এনে ধৰণৰ—

১। দৰৰদৰা জলসিঞ্চন আঁচনি ঃ—এইটো এটা অসমাপ্ত ৰাষ্ট্ৰীয় গ্ৰাম্য কৰ্ম্মসংস্থান আঁচনি।

২। কালপানী জলসিঞ্চন আঁচনি ঃ—এই আঁচনিটো ১৯৮৪ চনৰ পৰা অকাৰ্য্যকৰী অৱস্থাত আছে।

৩। দিমিলা জলসিঞ্চন আঁচনি ঃ—এই আঁচনিটো বৰ্ত্তমান কাৰ্য্যকৰী অৱস্থাত আছে।

৪। পৰ্দাঠমাৰী জলসিঞ্চন আঁচনি ঃ—এই আঁচনিটোৰ আন এটা নাম মংগলদৈ জলসিঞ্চন আঁচনি। এইটো কাৰ্য্যকৰী অৱস্থাত আছে।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীঃ—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে দুবুৰী জলসিঞ্চন আঁচনিৰ অধীনত কিমান মাটি সাঙুৰি লোৱা হৈছিল, কালপানী জলসিঞ্চন আঁচনিটো কেতিয়াকৈ কাৰ্যকৰী কৰিব পৰা হব, দিমিলা জলসিঞ্চন আঁচনিত কিমান খিনি সামৰি লোৱা হৈছে আৰু পুঠিমাৰী জলসিঞ্চন আঁচনি কেনেকৈ খন্দা হৈছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ, জলসিঞ্চন মন্ত্ৰী :—মাননীয় সদস্য গৰাকীক প্ৰশ্নৰ কাৰণে ধন্যবাদ জনাই কব বিচাৰিছো যে এই সম্পৰ্কে গোটেই দিশ সামৰি অনুসন্ধান কৰা হৈছে আৰু তেতিয়া তদন্ত মৰ্মে বিহিত ব্যৱস্হা লব পৰা হব।

বি ঃ ব্ৰহ্মপুত্ৰৰ মথাউৰীৰ খহনীয়া

শ্ৰীগণেশ কুটুমে সুধিছে ঃ

১০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ব্ৰহ্মপুত্ৰ মথাউৰিৰ জামুগুৰী খাবৈমুখ বান্ধৰ ২৫ কি ঃ মি ঃ আৰু ২৬ কিঃ মিঃত গড়াখহনীয়া প্ৰতিবোধৰ বাবদ যোৱা ১৯৮১-৮২, ৮২-৮৩ আৰু ৮৩-৮৪ চনৰ বছৰত কিমান টকা খৰচ কৰা হল ?

(খ) গহপুৰ মথাউৰীত জলোৎসাৰণ উপসংমণ্ডলৰ অধীনৰ গমিৰি অঞ্চলৰ আৰু দিবৈ নদীৰ গড়াখহনীয়া সম্পৰ্কে চৰকাৰে কিবা জানেনে ?

(গ) খাবৈমুখৰ পৰা গমিৰি মেইল বজাৰলৈ ব্ৰহ্মপুত্ৰ মথাউৰী নিৰ্ম্মাণৰ আঁচনি লোৱা হৈছেনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১০। (ক)—মুঠ খৰচ

১৯৮১-৮২ টকা ২২,৫৭,৫৫৭·০০
১৯৮২-৮৩ টকা ৫,২২,২২৬·০০
১৯৮৩-৮৪ টকা ২৩,৩৮,২১৫·০০

(খ)—হয়।

(গ)—এতিয়ালৈ লোৱা হোৱা নাই।

শ্ৰীগণেশ কুটুম ঃ—এই উল্লেখিত অঞ্চল সমূহত কিমান মানুহ গৃহহীন হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ? আৰু এই সম্পৰ্কত কি ব্যৱস্হা লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ, জলসিঞ্চন মন্ত্ৰীঃ——মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক প্ৰশ্নটোৰ কাৰণে ধন্যবাদ জনাইছো। গোটেই ক্ষতিপূৰণৰ পৰিমাণ এতিয়ালৈকে জানিব পৰা হোৱা নাই আৰু সেই কাৰণে অতি সোনকালে অনুসন্ধান কৰি জনাৰ ব্যৱস্হা কৰা হৈছে আৰু সেইটো জানিলে অবগত কৰাব পৰা হব।

বি ঃ গুৱাহাটীৰ কৃত্ৰিম বানপানী ৰোধ

শ্ৰীময়িদুল ইছলাম বৰাই সুধিছে ঃ

১১। মাননীয় নগৰ আৰু গাঁও পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী মহানগৰীৰ বাবে কৃত্ৰিম বানপানীৰ পৰা হাত সাৰিবলৈ বিশেষকৈ আণ্ডাৰ গাউণ্ড চিৱাৰেজ তৈয়াৰ কৰাৰ বাবে চৰকাৰৰ মাষ্টাৰ প্লেন আছেনেকি ?

(খ) যদিহে আছে, কেতিয়া সেইবোৰৰ কাম আৰম্ভ কৰিব জনাবনে ?

শ্ৰীঅতুল বৰা (নগৰ আৰু গাঁও পৰিকল্পনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১। (ক)—আছে।

(খ) এই খাল প্ৰথাৰ মাষ্টাৰ প্লেন ৰ মতে আংশিক ভাবে কিছু আঁচনি ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে।

শ্ৰীময়িদুল ইছলাম বৰা ঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উল্লেখ কৰা মতে আঁচনিৰ কাম সমূহ অহা বাৰিষাৰ আগত হোৱা সম্ভৱপৰ হবনে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীঅতুল বৰা, গড়কাপ্তানী, নগৰ আৰু গাঁও পৰিকল্পনা মন্ত্ৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, যি কেইটা কাম আৰম্ভ কৰা হব সেই বিলাক কৰাৰ কাৰণে কেবাটাও বিভাগ জড়িত হবলগীয়া হব আৰু ইতিমধ্যে খৰতকীয়া অস্থায়ী ভাবে গুৱাহাটী বাসী ৰাইজৰ দুৰ্ভোগৰ পৰা মুক্ত কৰিবলৈ ব্যৱস্থা কৰা হৈছে। মাষ্টাৰ প্লানৰ মতে কাম কৰিবলৈ হলে পাচ দহ বছৰ লাগিব। কিন্তু সেইটো কৰাৰ আগতে এই বছৰৰ বাৰিষা অহাৰ আগতে বশিষ্ঠ নদীৰ গতি সলনি কৰি মৰা ভৰলীত পেলোৱা কাম, ভৰলু নদীলৈ নলাৰ কাম, নতুন চুইচ গেট নিৰ্মাণৰ কাম, উচ্চ ক্ষমতা সম্পন্ন পাৱৰ পাম্প ইত্যাদিৰ কাৰণে ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে পোন্ধৰ লাখ টকা পৌৰ প্ৰশাসন বিভাগলৈ দিয়া হৈছে পাৱৰ পাম্প আদি কিনাৰ কাৰণে । আশা কৰা হৈছে বাৰিষাৰ আগতে কামখিনি সম্পূৰ্ণ হৈ উঠিব।

বিঃ নিলম্বিত অধ্যক্ষ।

শ্ৰীগণেশ কুটুমে সুধিছে ঃ

১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ৰাজহুৱা ধন আত্মসাৎ কৰা অভিযোগত নিলম্বিত কৰা অধ্যক্ষ গৰাকীৰ সম্পৰ্কত বৰ্তমান চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু বৰ্তমান উক্ত নিলম্বিত অধ্যক্ষ গৰাকী কত থাকে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২। ছয়দুৱাৰ মহাবিদ্যালয়ৰ ৰাজহুৱা ধন আত্মসাৎ কৰাৰ অভিযোগত কলেজ কৰ্তৃপক্ষই শৃংখলামূলক তদন্ত সম্পূৰ্ণ নোহোৱালৈকে অধ্যক্ষক নিলম্বিত কৰিছে আৰু চৰকাৰে ৮।১১।৮৩ তাৰিখৰ পৰা এই নিলম্বিতকৰণত অনুমোদন জনাইছে।

বৰ্ত্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষৰ ১৮।১।৮৬ তাৰিখৰ চিঠিৰ পৰা জনা যায় যে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই এই সম্পৰ্কে গঠন কৰা তদন্ত সমিতিয়ে বিষয়টো অনুসন্ধান কৰিছে আৰু সোনকালে প্ৰতিবেদন পালে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীগণেশ কুটুম ঃ—৫-৭-৮৩ তাৰিখতে অধ্যক্ষজনক কলেজ কাৰ্য্যকৰী কমিটিয়ে নিলম্বিত কৰিছিল কিন্তু তাৰ চাৰি মাহৰ পিচত ডি-পি-আই সেই কাগজত অনুমোদন দিয়ে গতিকে এই চাৰিমাহ কাল কাম নকৰৰকৈ দৰমহা পোৱা অধ্যক্ষজনৰ বিষয়ত জানিব বিচাৰিছো যে কাম নকৰাকৈ দৰমহা পোৱাৰ ব্যৱস্থা আছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী, শিক্ষা মন্ত্ৰী ঃ— যিহেতু সেই কলেজৰ গভৰ্ণিং বডিয়ে নিলম্বন কৰিছিল আৰু অনুসন্ধান কৰিবলৈ এটা কমিটি কৰি দিয়া হৈছে সেয়ে সেই অনুসন্ধান ব্যৱস্থা সম্পূৰ্ণ নোহোৱালৈকে চৰকাৰে ব্যৱস্থা লব খোজা নাই। তেনে তথ্যপাতি পালেই বিহিত ব্যৱস্থা লোৱা হব ।

শ্ৰীগণেশ কুটুম ঃ—মাননীয় অধ্যক্ষ মহোদয়ে, ছয়দুৱাৰ কলেজৰ গৰ্ভৰ্ণিং বডিয়ে কলেজৰ অধ্যক্ষজনক নিলম্বিতকৰণৰ কাৰণে ৫-৭-৮৩ তাৰিখেই চৰকাৰ তথা ডি, পি, আই মহোদয়লৈ লিখে। কিন্তু চৰকাৰে ৮-১১-৮৩ তাৰিখৰ পৰাহে অধ্যক্ষজনক নিলম্বিত কৰিছে । এই মাজৰ সময় ছোৱাত অধ্যক্ষ গৰাকী ক'ত আছিল আৰু কি কাম কৰিছিল বা দৰমহা কোনে দিছিল মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে জনাবনেকি ?

শ্ৰীবৃন্দাবন গোস্বামী শিক্ষা মন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, তথ্য-পাতিৰ পৰা দেখা যায় যে নিলম্বিত অধ্যক্ষ গৰাকী প্ৰাক্তন পৰিচালনা সমিতিৰ সভাপতিক জাননী দি গুৱাহাটীত আছে আৰু তেখেতৰ বৰ্ত্তমান ঠিকনা হ'ল—"লক্ষ্মী কুটীৰ", কুন্দাচল পথ, শিলপুখুৰী, গুৱাহাটী—৭৮১০০৩।

যিহেতুকে বিষয়টোৰ ওপৰত কলেজ পৰিচালনা সমিতিয়ে ইতিমধ্যে তদন্ত সমিতি গঠন কৰি বিষয়টো অনুসন্ধান কৰিছে, চৰকাৰে সেই অনুসন্ধান প্ৰতিবেদন পালে যথাবিহিত ব্যৱস্থা লব।

বিঃ কমলপুৰত চিকিৎসালয়

শ্ৰীময়িদুল ইছলাম বৰাই সুধিছে ঃ

১৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

স্বাস্থ্য বিভাগৰ পৰিকল্পনা মতে কমলপুৰত ৩২ খন বিচনাযুক্ত পূৰ্ণাংগ চিকিৎসালয়ৰ কাম এতিয়ালৈকে কিয় সম্পূৰ্ণ হোৱা নাই জনাবনে ?

শ্ৰীযতীন মালী (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩। কমলপুৰত ৩২ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰে কোনো সিদ্ধান্ত লোৱা নাই।

শ্ৰীময়িদ্দল ইছলাম বৰা ঃ—মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে কি যে কেতিয়াকৈ কমলপুৰত এখন ৩২ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয় স্থাপন কৰা হব ?

শ্ৰীযতিন মালী (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে জনসাধাৰণৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি আৰু বিভাগীয় নৰ্মচ চাই মেলি এনেবোৰ গ্ৰাম্য চিকিৎসালয় স্থাপনৰ ব্যৱস্থা হাতত লয়।

শ্ৰীময়িদ্দল ইছলাম বৰা ঃ—অধ্যক্ষ মহোদয়, যোৱা কালি কমলপুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত হৈ যোৱা ঘটনাৰ বিষয়ে মন্ত্ৰী মহোদয়ে কিবা জানেনে ?

শ্ৰীযতিন মালী (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, যোৱা কালি কমলপুৰ স্বাস্থ্য কেন্দ্ৰত কিবা ঘটনা হোৱা সম্পৰ্কে সম্প্ৰতি মোৰ হাতত একো তথ্য পাতি নাই। এই বিষয়ে অনুসন্ধান কৰি জানিব পাৰিলেহে মই সদনত জনাবলৈ সক্ষম হম ।

বিঃ জনজাতীয় উপ আঁচনি

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

১৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভাৰতীয় সংবিধানৰ ২৭৫(১) দফা অনুসৰি ১৯৮৪-৮৫ চনৰ বিত্তীয় বছৰত জনজাতীয় উপ আঁচনিৰ (Tribal Sub-Plan) শিতানত ৰাজ্য চৰকাৰক ২·৬৬ কোটি টকা বনগাঁও বিকাশৰ বাবে মঞ্জুৰ কৰা কথাটো সচাঁ নেকি ?

(খ) ওপৰোক্ত মঞ্জুৰী ধন ইতিমধ্যে খৰচ কৰা হৈছে নেকি ?

(গ) যদি হৈছে, কেনে ভাৱে ?

(ঘ) যদি মঞ্জুৰী খৰচ কৰা নাই তেন্তে সেই মঞ্জুৰীৰ ধন কি আত্মসাৎ কৰা হৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৪। হয়। কেন্দ্ৰীয় চৰকাৰে ১৯৮৪-৮৫ চনত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাতি উন্নয়ন বিভাগক (W.P.T. & B.C) ২·৬৬ কোটি টকা অনুমোদন দিছিল। আৰু উক্ত টকাৰে ২·৩০ কোটি টকা প্ৰথম কিস্তি হিচাবে মঞ্জুৰী দিছিল।

(খ) ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাতি উন্নয়ন বিভাগে বন বিভাগৰ জৰিয়তে বনগাঁও বিকাশৰ বাবে কাম কৰাইছিল। মুখ্য বনসংৰক্ষকৰ পৰা পোৱা হিচাব মতে ১৯৮৪-৮৫ চনৰ বিত্তীয় বছৰত মুঠ ২,২৭,৬০,১৮৪·৫৮ টকা খৰচ কৰা হৈছেল। উক্ত খৰচ বৰ্ত্তমান পৰীক্ষাধীন অৱস্থাত আছে।

(গ) ১৭ টা বনসংমণ্ডলত অৱস্থিত বিভিন্ন বনগাঁও যাতায়ত, খোৱা পানী, স্বাস্থ্য কেন্দ্ৰ, শিক্ষা, বয়ন, ফলমূলৰ উদ্যান, মৌপালন, গাহৰি পালন আৰু খেতি-বাতিৰ উন্নত সা-সজুলিৰ বাবদ খৰচ দেখুৱা হৈছে।

(ঘ) বৰ্ত্তমান তেনে অভিযোগ চৰকাৰৰ হাতত নাই, কিন্তু খৰচৰ হিচাব পৰীক্ষা কৰাৰ পিছত এই সম্পৰ্কে বিতং মন্তব্য দিব পৰা হব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাক্ষীৰ প্ৰশ্নৰ সন্দৰ্ভত জনাও যে অসমৰ বনগাওঁ সমূহৰ উন্নতিৰ বাবে বন বিভাগে কেন্দ্ৰীয় চৰকাৰক বনগাঁও উন্নয়নৰ বাবে এখন আচঁনি দাখিল কৰে। উক্ত উন্নয়ন আচঁনিৰ ভিত্তত কেন্দ্ৰীয় চৰকাৰে (নং—১৪০২০।১।৮৪—এফ-ডি-বি) তাং-৮৪-১-৮৫ চিঠিৰ যোগে ২ কোটি ৬৬ লাখ টকাৰ প্ৰশাসনীয় অনুমোদন ভৈয়াম জন-জাতি আৰু অন্যান্য পিচপৰা জাতি উন্নয়ন বিভাগক সংবিধানৰ ২৭৫(১) অনুচ্ছেদ অনুসৰি দিয়ে আৰু ইয়াৰ প্ৰতি-লিপি মুখ্য বন সংৰক্ষক দিয়ে। যিহেতু ভাৰত চৰকাৰৰ নিৰ্দ্দেশ অনুসৰি এই টকা অসম চৰকাৰৰ বাজেটত সন্নিবিস্ট কৰিহে খৰচ কৰিব পাৰি, গতিকে ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা জাতি উন্নয়ন বিভাগে পৰিপূৰক মঞ্জুৰীৰ দাবী বিত্ত বিভাগক দিয়ে। কিন্তু উক্ত মঞ্জুৰীৰ ধন উলিওৱাৰ আগতেই আগৰ মুখ্য মন্ত্ৰীৰ নিৰ্দ্দেশ ক্ৰমে বন বিভাগে ভৈয়াম জনজাতি আৰু অন্যবন্য পিছপৰা জাতি উন্নয়ন বিভাগৰ পৰা পিছৰ মঞ্জুৰী পোৱাৰ আশাৰে আচঁনিমতে কামত অগ্ৰসৰ হবলৈ নিৰ্দ্দেশ দিয়ে আৰু ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাতি বিভামৰ সচিবক উক্ত মঞ্জুৰী বন বিভাগক সোনকালে দিবৰ কাৰণে অনুৰোধ কৰে। কিয়নো মঞ্জুৰী পোৱাৰ পিচত বিত্তীয় বছৰৰ ভিতৰতেই খৰচ কৰিবলৈ সময় নাথাকিব বুলি বিবেচনা কৰা হৈছিল ।

এই নিৰ্দ্দেশ অনুসৰি ১৭টা বন সংমণ্ডলত অৱস্হিত বন গাওত উক্ত আচঁনি-বন-সংমণ্ডল প্ৰাধিকাৰী সকলে ৰূপায়িত কৰে। আৰু সৰ্ব্বমুঠ ২,১৭,৬০,১৮৪.৫৮ টকা খৰচ কৰা দেখুৱায়। এই খৰচৰ খতিয়ান বন বিভাগে ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাতি উন্নয়ন বিভাগক যোৱা ডিচেম্বৰ মাহত দাখিল কৰে। কিন্তু ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাতি উন্নয়ন বিভাগে টকা দিয়াৰ আগতে বন বিভাগৰ পৰা আৰু কিছুমান স্পষ্টীকৰণ বিচাৰে। উক্ত স্পস্টীকৰণ মুখ্য বন সংৰক্ষকৰ (সাধাৰণ) পৰা ১৯৮৬ চনৰ জানুৱাৰী মাহত বিচৰা হয় যদিও এতিয়ালৈকে স্পস্টীকৰণ পোৱা হোৱা নাই । খৰচৰ বিতং হিচাব পালে পৰীক্ষা কৰি বিহিত ব্যৱস্হা লোৱা হব ।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে জনাবনেকি যে একেটা শিতানৰ টকা দুটা বিভাগে একেলগে কেনেকৈ ড্ৰ কৰিবলৈ পালে ? ইয়াৰ মাজত বিভাগীয় বিষয়াৰ অভিসন্ধি জৰিত আছেনেকি ? এই বিষয়ে আমাৰ নতুন চৰকাৰে তদন্তৰ ব্যৱস্হা কৰিবনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, অন্যান্য পিছ-পৰা জাতি উন্নয়ন বিভাগে বিত্ত বিভাগক দিয়া পৰিপূৰক মঞ্জুৰীৰ ধন উলিওৱাৰ আগতেই আগৰ মুখ্য মন্ত্ৰীৰ নিৰ্দ্দেশ ক্ৰমে বন বিভাগে ভৈয়াৰ জনজাতি আৰু অন্যান্য পিছপৰা জাতি উন্নয়ন বিভাগে পিচত মঞ্জুৰী পোৱাৰ আশাৰে কামত অগ্ৰসৰ হবলৈ নিৰ্দ্দেশ দিয়ে আৰু ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাৰি বিভাগৰ সচিবক উক্ত মঞ্জুৰী বন বিভাগক সোনকালে দিবৰ বাবে অনুৰোধ কৰে। এই নিৰ্দ্দেশ অনুসৰি ১৭ টা বন সংমণ্ডলত অৱস্হিত বন গাওত উক্ত আঁচনি বন সংমণ্ডল প্ৰাধিকাৰী সকলে ৰূপায়িত কৰে। আৰু সৰ্ব্বমুঠ ২,২৭,৬০,১৮৪.৮৫ টকা খৰচ কৰা দেখুৱায়।

Shri BINAI KHUNGUR BASUMATARI–Sir, can the Chief Minister place before the House the details of the 17 schemes ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ—উন্নয়ন মূলক আচঁনি হাতত লোৱা ১৭টা বন সংমণ্ডলৰ তালিকা এনে ধৰণৰ —১। দৰং (পূব) সংমণ্ডল ২। দৰং (পশ্চিম) সংমণ্ডল ৩। শিৱসাগৰ সংমণ্ডল ৪। গোলাঘাট সংমণ্ডল ৫। কামৰূপ পূব সংমণ্ডল ৬। নগাও সংমণ্ডল ৭। ধুবুৰী সংমণ্ডল ৮। শিলচৰ সংমণ্ডল ৯। লক্ষীমপুৰ সংমণ্ডল ১০। কৰিমগঞ্জ সংমণ্ডল ১১। আইভেলী সংমণ্ডল ১২। ডিব্ৰুগড় সংমণ্ডল ১৩। কচুগাঁও সংমণ্ডল ১৪। হল্টুগাঁও সংমণ্ডল ১৫। কামৰূপ (পশ্চিম) সংমণ্ডল ১৬। ডিগবৈ সংমণ্ডল আৰু ১৭। উত্তৰ কামৰূপ সংমণ্ডল।

Shri CHARAN NARZARY- Sir, this should be allowed to be discussed further because this is very important subject.

Mr. SPEAKER : Now item No. 2.

Shri RAMENDRA DE- Sir, I call the attention of the Minister, Agriculture under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Dainik Asom dated 14th January, 1986 under the caption "৮৭ হেজাৰ টকাৰ অনিয়মিত লেনদেন"

শ্ৰীমতি দাস ঃ—(ৰাজ্যিক মন্ত্ৰী) ৮৭ হাজাৰ টকাৰ অনিয়মিত লেনদেন সম্পৰ্কে প্ৰশ্ন উঠিছে সেই সম্পৰ্কে গত ১।১১।৮৬ তাৰিখে জানিব পাৰিছো যে অসম কৃষি উদ্যোগিক উন্নয়ন নিগমৰ সঞ্চালকালয়ৰ কাৰ্য্যালয় প্ৰয়োজনতকৈ অধিক সামগ্ৰী কিনাৰ ব্যৱস্হা চলাইছে যিটো নিকি বৰ্ত্তমানে আৱশ্যক নাই । অথচ বহু হাজাৰ টকাৰ অপব্যয় হব । পিচত মই প্ৰয়োজনীয় ফাইলটো বিচাৰি আনি খৰচি মাৰি চাই গম পালো যে ঔষধ চটিওৱা স্প্ৰে পাম্প কিছুমান কিনিব ওলাইছে । ইতিমধ্যে ৬১৫ টা পাম্প নিগমৰ ভৰালত পৰি আছে ৮০ টা মেগৰেণ্ড কোম্পানীৰ আৰু ৫৩৫ টা অন্যান্য কোম্পানীৰ । নিগমৰ পাৰ্চেজ ইঞ্জিনিয়াৰৰ মতে মেগৰেণ্ড কোম্পানীৰ চাহিদা বেচি । গতিকে ১৪৫ প্ৰা পাম্প নতুনকৈ কিনাৰ ব্যৱস্হা লোৱা হয়। ইতিমধ্যে এশ টা পাম্পৰ অৰ্ডাৰ দিয়া হৈছে । বাকী ৪৫ টাৰ অৰ্ডাৰ দিয়া হব । ইয়াৰ বাবে খৰচ হব ৫৮,২৪১'৬০ টকা আৰু ২৭,২৬৮'৭৮ টকা। মুঠ ৮৫'৫১০'৩৮ টকা মেগৰেণ্ড কোম্পানীৰ চাহিদালৈ চাই এই টকা খৰচ কৰোটো অপব্যয় নহব । অন্যান্য কোম্পানীৰ ৫৩৫ টা পাম্প ব্যৱহাৰ নকৰাকৈ পৰি থাকিলে প্ৰায় তিনি লাখ টকাৰ অপব্যয় হব । এই পাম্প বিলাক চাহিদাৰ অভাৱত পৰি থকাটোৱেই মূল কাৰণ । গতিকে এন্টি চিপেটেড চেল প্ৰচিডিয়ৰ সলনি কৰি এই অনিয়মিত বোৰ বন্ধ কৰিব লাগিব । আৰু ইতিমধ্যে ১৪৫ টা পাম্প কিনাৰ যি ব্যৱস্হা লোৱা হৈছে সেইটো সদ্যহতে বন্ধ কৰা হয় ।

Shri RAMENDRA DE- Sir, On a point of clarification This sort of irregularities and anomalies are going throughout the District from State to the Districts. Whether the present Government will institute an enquiry to minimise the irregularities ?

শ্ৰীমতি দাস (ৰাজ্যিক কৃষি মন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো স্পষ্টীকৰণ বিচাৰিছে সেইটো ইতিমধ্যে আমাৰ টোকৰৰ পৰা বন্ধ কৰাই দিয়া হৈছে। আমাৰ ফালৰ পৰা এই ক্ষেত্ৰত ইতিমধ্যে দৃষ্টি নিক্ষেপ কৰা হৈছে আৰু দুই এঠাইত কাৰ্য্যকৰী ব্যৱস্হৰও লোৱা হৈছে। আগলৈ এই বিষয়ে সতৰ্ক থাকিম বুলি আশা কৰিছো।

Shri HEMEN DAS- Sir, I call the attention of the Minister, Education under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Sentinel' dated 12th January, 1986 under the caption "Serious irregularities in Hailakandi Education Department".

১৯৮৪-৮৫ চনতেই হাইলাকান্দি মহকুমাত এল, পি, স্কুল আৰু এম, ভি, স্কুল সম্পৰ্কে কিছুমান গুৰুতৰ অভিযোগ উৎথাপিত হৈছিল। ১৯৬৪-৬৫ চনৰ ২১ খন স্কুল চলি আছিল। কিন্তু তাৰ কেৰনো স্হিতি নাই। তাত অসমীয়া ভাষা শিকোৱাৰ কাৰণে শিক্ষক নিযুক্তি দিছে আৰু দৰমহাও দি থকা হৈছে কিন্তু সেই শিক্ষক সকলৰ অসমীয়া ভাষাৰ কোনো জ্ঞান নাই। সেই মহকুমাতেই ষষ্ঠ পৰিকল্পনৰত ৯৪২ জন শিক্ষক থাকিব লাগে কিন্ত তাত আছে এহেজাৰ পাচশ জন । তাৰোপৰি তিলোওমা বৰুৰা স্কুল খন ২০ বছৰ ধৰি চলি আছে। সেই স্কুল খন এতিয়াও ভাড়া ঘৰতেই চলি আছে । শিক্ষাৰ নামত এই ব্যৱসায় বিলাক বন্ধ কৰিবলৈ বলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো ।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) :—সদনৰ মেজত এই সম্পৰ্কীয় টোকা দাখিল কৰিলো।

শ্ৰীজয়নাথ শৰ্ম্মা :— এই সম্পৰ্কে মই বিত্ত মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে বাতৰিটোৰ ভিতৰত জন-সংযোগ বিভাগৰ যিটো খেলিমেলিৰ কথা ৰাজহুৱা ভাৱে খোলাখুলিকৈ সদৰি কৰিছে সেই বিষয়ে তদন্ত কৰিব লাগে।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয় এই সম্পৰ্কে এটা বিতং বিৱৰণী মাননীয় সদস্য সকলৰ কাৰণে মেজত ৰখা হৈছে ।

শ্ৰীজয়নাথ শৰ্ম্মা :— এই কম্পৰ্কত মই কও যে গোটেই অসমত চিকিৎসা বিভাগৰ ডাক্তৰ সকলে অপকাণ্ড চলাই আছে । এই সম্পৰ্কে চৰকাৰে এটা কঠোৰ ব্যৱস্হা লব লাগে আৰু গাঁও অঞ্চলত যাতে ডাক্তৰ সকলে গৈ ৰাইজক সেৱা কৰে তাৰ কাৰণে চৰকাৰে এইটো নীতি প্ৰস্তুত কৰিব লাগে ।

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে এটা টোকা সম্মানিত সদস্য সকলৰ কাৰণে মেযত ৰখা হৈছে। লগতে আমি ডাক্তৰ সকলৰ অপকাণ্ডৰ সম্পৰ্কত প্ৰতিটো ক্ষেত্ৰতেই প্ৰয়োজনীয় ব্যৱস্হা লম বুলি আশ্বাস দিছো।

## MATTER UNDER RULE 301

শ্ৰীজয়নাথ শৰ্ম্মা :—

মাননীয় অধ্যক্ষ মহোদয়, মই ১৭-১-৮৬ তাৰিখৰ অসম বাৰ্তাৰ কাকতত প্ৰকাশিত পুলিচে মন্ত্ৰীৰ চিঠি ফালি দলিয়াই দিলে" শীৰ্ষক বাতৰিটো মাননীয় গৃহ মন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিলো। এই সম্পৰ্কত মই কও যে কেতবোৰ পুলিচ বিষয়াই পূৰ্বৰ চৰকাৰৰ পলিটিকেল এজেণ্ট হিচাপে কাম কৰি আছে। নতুন চৰকাৰৰ মন্ত্ৰী সকলৰ ভাবমূৰ্ত্তি ৰাইজৰ মাজত নষ্ট কৰিবৰ কাৰণে নিজৰ চৰকাৰী দায়িত্ব এৰি ৰাজনৈতিক প্ৰৰোচনাৰে কাম কৰি আছে। এই পুলিচ বিভাগৰ যিসকল কৰ্ম্মচাৰী বা বিষয়াই মন্ত্ৰী সভাৰ নিৰ্দ্দেশ নিয়াৰিকৈ পালন কৰা নাই সেই সকলৰ ওপৰত কঠোৰ ব্যৱস্হা চৰকাৰে লবনে ?

**শ্ৰীভৃগু কুমাৰ ফুকন :— অধ্যক্ষ মহোদয়,**

চৰকাৰে পোৱা তথ্য মতে চলিত মাহৰ তেৰ তাৰিখে পাটাছাৰকুছি থানাত কাম কৰা শ্ৰীহাবেল আলি নামত জনৈক অসম গৃহৰক্ষী বাহিনীৰ লোক এজন পাটাছাৰকুছিৰ পৰা তেঁওৰ নিজা সৰু ট্ৰেনজিষ্টাৰ ৰেডিঅ এটা মেৰামতিৰ বাবে পাঠশালালৈ যায়। পাটাছাৰকুছিৰ পৰা যাঁওতে তেঁও এ এছ কে ৫২২৬ নম্বৰৰ লাইন বাছত যায়। পাঠশালা পাই তেওঁ অসম পৰিবহন নিগমৰ ওচৰত নামে। বাছৰ পৰা নামিয়েই উক্ত বাছৰ কণ্ডাক্টৰ শ্ৰীহৰেণ দাসৰ পৰা ·২৫ পইচা ঘূৰাই বিছাৰে যিহেতু তেঁও বাছৰ ভাৰা ·৭৫ পইচাৰ ঠাইত এটকা দিছিল। কণ্ডাক্টৰজনৰ হাতত খুচুৰা পইচা

নথকাত শ্ৰীহাবেল আলিৰ ওচৰতে থকা বাছ সংঘৰ আস্হানলৈ যাবলৈ কয়। এইলৈ দুইজনৰ মাজত কিছু তৰ্কাতৰ্কি হয় আৰু হতাহতিয়ো হয়। ফলস্বৰূপে শ্ৰীআলিৰ হাতৰ পৰা তেওঁৰ ট্ৰেনজিষ্টাৰটো মাটিত পৰি ভাগে বুলি অভিযোগ থাকে। সি যিকি নহওঁক বাছৰ আন বিলাক যাত্ৰীয়ে দুয়োজনকে অৰ্থাৎ শ্ৰীহাবেল আলি আৰু শ্ৰীহৰেণ দাসক আৰু বেছি হতাহতি হোৱাৰ পৰা বিৰত ৰাখে আৰু তেওঁলোকৰ কাজিয়াৰ মিতমাত কৰি দিয়ে।

শ্ৰীহাবেল আলিয়ে ইয়াতে ক্ষান্ত নহৈ পাঠশালা আৰক্ষী চকীত (আউট পোষ্ট) সন্ধিয়া সময়ত এখন এজাহাৰ দিয়ে। সেই মৰ্মে পাঠশালা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰীঅতুল কোঁৱৰে এটা মোকৰ্দ্দমা পঞ্জীয়ন কৰি অনুসন্ধান কৰে। মোকৰ্দ্দমাৰ নম্বৰ হল Patacharkuchi P.S. case No 12/8611/5325/427/341 P.C. অনুসন্ধান সূত্ৰে ভাৰপ্ৰাপ্ত বিষয়াই সেই বাছখনৰ (ASK 5226) কণ্ডাক্টৰ শ্ৰীহৰেণ দাসক ও শ্ৰীমতিলাল সুতক গ্ৰেপ্তাৰ কৰি পাটাছাৰকুছি থানালৈ চালান দিয়ে।

সেই দিনা ১৩ জানুৱাৰী তাৰিখে মাঘ বিহুৰ উৰুকা আছিল। বাছখনৰ কৰ্ম-কৰ্ত্তাৰ উপৰিও স্হানীয় কেইজনমান লোকে সেইদিনা অসম চৰকাৰৰ আইন মন্ত্ৰী ভবানীপুৰত থকা গম পাই তেখেতক ৰাতি লগ কৰি গোটেই ঘটনা বিৱৰি কয় আৰু পাঠশালা আৰক্ষী চকীৰ উক্ত ভাৰপ্ৰাপ্ত বিষয়াৰ বিৰুদ্ধে অভিযোগ তোলে লগতে মাননীয় মন্ত্ৰী মহোদয়ক সৰ্বশ্ৰীদাস আৰু সুতক যাতে মোকলাই দিয়ে তাৰ বাবে সহায় বিচাৰিলে। সেই মৰ্মে মন্ত্ৰী মহোদয়ে উক্ত লোক দুজনক এৰি দিবলৈ বিবেচনা কৰিবৰ কাৰণে চিঠি এখন আৰক্ষী বিষয়ালৈ লগ ধৰা মানুহ কেইজনৰ হাতত দিয়ে। তলত নাম দিয়া মানুহ কেইজনে মন্ত্ৰী মহোদয়ক লগ ধৰি চিঠিখন আনিছিল।

১। শ্ৰীপদ্মনীল শৰ্ম্মা—উপ-সভাপতি, স্হানীয় অসম গণ পৰিষদ, ভৱানীপুৰ।

২। শ্ৰীকেশৱী মোহন বৰুৱা—এ, এম, জেদ—৭১১৯ নং বাচ চালক (এই বাছখন আহি মানুহ-কেইজন মন্ত্ৰী মহোদয়ক লগ ধৰিছিল)।

৩। শ্ৰীকুমুদ শৰ্ম্মা—মেনেজাৰ স্হানীয় বাছ সংঘ, পাঠশালা।

(৪) শ্ৰীঅতুল দাস—মটৰ চালক।

ঘুৰি গৈ পাঠশালা পোৱাৰ পিচত সৰ্বশ্ৰী সনাতন মজুমদাৰ, বাবুল ডেকা, আৰু পদ্মনীল শৰ্ম্মাই সেই নিশাই প্ৰায় ১·৩০ মিনিটত উক্ত ভাৰপ্ৰাপ্ত বিষয়া শ্ৰীঅতুল কোঁৱৰক কনিষ্টবল শ্ৰীগজেন বড়োৰ যোগেদি দিয়ে। ওপৰোক্ত মানুহ তিনিজনক ভাৰপ্ৰাপ্ত বিষয়াই কয় যে সৰ্বশ্ৰী দাস আৰু সুতক গ্ৰেপ্তাৰ কৰি পাটাছাৰকুছি থানালৈ চালান দিয়া হল আৰু তেওঁৰ একো কৰিব লগা নাই। এই বুলি মন্ত্ৰীয়ে দিয়া চিঠিখন মানুহ কেইজনক ঘুৰাই দিয়ে।

শ্ৰীপদ্মনীল শৰ্মাই চিঠিখন ঘুৰাইলৈ মন্ত্ৰী মহোদয়ক আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে পুনৰ অভিযোগ তুলি কলে যে জনপ্ৰিয় চৰকাৰৰ মন্ত্ৰীৰ চিঠিত আৰক্ষী বিষয়াই কোনো গুৰুত্বকে নিদিলে। গতিকে তেওঁৰ ওপৰত যথোচিত শাস্তিমূলক ব্যৱস্হা লব লাগে। মন্ত্ৰী মহোদয়ে মানুহ কেইজনক বুজাই বঢ়াই পঠিয়াই দি কলে যে সেইদিনা অৰ্থাৎ ১৪।১।৮৬ তাৰিখে তেখেতক সেই আৰক্ষী বিষয়াক আঠটা বজাত লগ ধৰিববলৈ কৈছে। ৮ টাৰ পৰা ১০ টা বজালৈকে সেইমতে ৰৈ থকা স্বত্বেও উক্ত আৰক্ষী বিষয়া নহাত মন্ত্ৰী মহোদয় বৰপেটালৈ যায় আৰু তাত লগে লগেই বৰপেটাৰ উপায়ুক্ত ও আৰক্ষী অধীক্ষকক মাতি পঠায় কিন্তু সেই সময়ত আৰক্ষী অধীক্ষক চুটীত থকাত অতিৰিক্ত আৰক্ষী অধীক্ষকে মন্ত্ৰীক লগ কৰে।

তেনেতে খবৰ পোৱা গল যে পাঠশালা আৰক্ষীৰ চৌহদত এটা জন সমাবেশ হোৱাত আইন শৃংখলাৰ পৰিস্থিতি বেয়াৰ ফালে ধাল খাইছে, তুৰন্তে অতিৰিক্ত উপায়ুক্ত শ্ৰীএচ, এম, ৰহমান আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক শ্ৰীএ, এম চিৰকাৰক পাঠশালালৈ যাবলৈ নিৰ্দ্দেশ দিয়া হল যাতে তাত আইন শৃংখলাৰ অৱনতি নঘটে। দুয়োজন বিষয়াই পাঠশালালৈ গৈ উন্মত্ত জনতাক বুজাই বঢ়াই আইন শৃংখলা অটুট ৰাখিবলৈ সক্ষম হয়। সেইদিনা স্থানীয় বাছ সংঘৰ সকলো বিলাক লাইন বাছ চলা বন্ধ ৰখা হয় আৰু গোটেইবোৰ বাছ পাঠশালা আৰক্ষী চকীৰ ওচৰত শাৰি পাতি ৰখা হয়। মন্ত্ৰী মহোদয়ে আবেলি চাৰি বজাত পাঠশালালৈ গৈ জনতাৰ শান্তি ভংগ নকৰিবৰ বাবে অনুৰোধ কৰে আৰু উক্ত আৰক্ষী বিষয়াৰ বিৰুদ্ধে যথোচিত ব্যৱস্থা লব বুলি প্ৰতিশ্ৰুতি দিয়ে।

উক্ত পৰিপ্ৰেক্ষিতত আৰক্ষী বিষয়া শ্ৰীঅতুল কোঁৱৰক ১৫-৮-৮৬ তাৰিখে চাকৰিৰ পৰা নিলম্বিত কৰা হয়।

## MISCELLANEOUS

শ্ৰীমন্তাব হুছেইন :—মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২১ তাৰিখে ৰাতিপুৱা ১০ বজাত পাণ্ডু বজাৰত এটা সাংঘাটিক ধৰণৰ অগ্নিকাণ্ড সংঘটিত হয়। দেখা যায় যি ঠাইত অগ্নিকাণ্ড হৈছিল তাৰ পৰা পুলিচ থানা ১০০ৰ পৰা ১৫০ মিটাৰ দূৰত। কিন্তু অগ্নিকাণ্ড হোৱাৰ এক ঘণ্টাৰ ভিতৰত কোনো পুলিচ বিষয়া তালৈ যোৱা নাছিল। ৰাজ্যিক অগ্নিনিৰ্বাপক বাহিনীও বহুত পলমকৈহে পাইছিল। তাতোকৈ ৰেলৰ অগ্নি নিৰ্বাপক বাহিনী সোনকালেই পাইছিলহি। এই অগ্নিকাণ্ডৰ ফলত ১৮৬খন দোকান আৰু ২৪টা পৰিয়ালৰ থকা ঘৰ ভস্মিভূত হয়। মুঠতে ২১০টা ঘৰ ভস্মিভুত হয়। তাৰ পিচদিনা ডি চিৰ ফাণ্ডৰ পৰা ২০০কৈ টকা সাহাৰ্য দিয়া হৈছিল যদিও সৰহ ভাগেই পোৱা নাই মাত্ৰ ৭০ জনেহে সেই সাহাৰ্য পাইছে। ইমান ৰাতি সেই জুই কেনেকৈ লাগিল সেইটো আমি নাজানো। এই কথাটো আমাৰ সদনত জনাবৰ বাবে পুনৰ সংস্থাপন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। সাহাৰ্য্য এতিয়ালৈকে দিয়া হৈছেনে নাই, যদি নাই হোৱা ভৱিষ্যতে এই ক্ষতিগ্ৰস্ত পৰিয়াল সমূহক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বৰো (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেখেত সকলৰ প্ৰস্তাবৰ ওপৰত মই জনাব বিচাৰিছো যে ২১ তাৰিখে ৰাতিপুৱা ১ বজাত এই অগ্নিকাণ্ড হৈছিল। তাৰ ১৫ মিনিটৰ পিচতে অগ্নিনিৰ্বাপক বাহিনী গৈ পালে আৰু ৫৪ মিনিটৰ ভিতৰতে সেই জুই নিয়ন্ত্ৰণ কৰা হল। সেই অগ্নিকাণ্ডত কোনো হতাহত হোৱা নাই। এই সম্পৰ্কত বিতং বিৱৰণী আপোনালোকৰ হৈবুলত ৰখা হৈছে। সেই অগ্নিকাণ্ডত ১৫৪ খন দোকান আৰু ১৪টা পৰিয়ালৰ থকা ঘৰ ভস্মিভূত হৈছে। তেঁওলোকক ২০০কৈ টকা সাহায্য দিয়া হৈছে। তাৰ ভিতৰত ১৬৫ জনে সাহায্য পাইছে মাত্ৰ ৩ জনহে সাহায্য পাবলৈ বাকী আছে। এই সম্পৰ্কত অনুসন্ধান চলাই থকা হৈছে। কিমান ক্ষতি হৈছে সেইটো চাবৰ কাৰণে কৰ্তৃপক্ষক দায়িত্ব দিয়া হৈছে।

## MATTER UNDER RULE 301

শ্ৰীজয়নাথ শৰ্মা : অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ১৪ জানুৱাৰী তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত অবৈধ চৰকাৰে অবৈধ ভাবে নিয়োগ কৰা শিক্ষক অপসাৰিত হব। শীৰ্ষক বাতৰিটোৰ প্ৰতি মই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) : অধ্যক্ষ মহোদয় বৰপেটা জিলাকে ধৰি অসমৰ বিভিন্ন জিলাত কাম কৰি থকা শিক্ষকসকল সময়ে সময়ে অৱসৰ লৈছে আৰু সেই সকলৰ খালী পদত অৱসৰ প্ৰাপ্ত শিক্ষকৰ অৰ্হতা সম্পন্ন সন্তান সন্ততি সকলক অগ্ৰাধিকাৰ ভিত্তিত নিয়োগ কৰিবলৈ চৰকাৰৰ পৰা যাৱতীয় নিৰ্দ্দেশ/নিয়ম আছে। (চৰকাৰৰ চিঠি নং ই পিই ১১৪।৮৫।১২ তাৰিখ ১৩।৯।৮৫ উল্লেখ কৰিব পৰা যায়।) সেই মতে যোৱা বছৰত অৱসৰ প্ৰাপ্ত শিক্ষকৰ খালী পদত বৰপেটা জিলাত ৭ (সাত) জন অৱসৰ প্ৰাপ্ত শিক্ষকৰ পুত্ৰই নিযুক্তি পাইছে।

বাতৰিত প্ৰকাশ পোৱা মতে দহ/পোন্ধৰ হাজাৰ পৰ্য্যন্ত ভৰিব লগা হোৱা দৃষ্টান্ত বৰ্ত্তমানলৈকে চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই। এই বিষয়ত সদনক জনাঁও যে চৰকাৰৰ নীতিমতে সকলো পৰ্য্যায়ত ৰাজহুৱা কাম-কাজত নিকা আৰু নিষ্ঠাৰ সেৱা চৰকাৰে বিচাৰিছে। তেনেধৰণৰ কোনো নিৰ্দ্দিষ্ট অভিযোগ থাকিলে চৰকাৰে আৱশ্যকীয় কাৰ্য্য ব্যৱস্থা লবলৈ বন্ধ পৰিকৰ।

অৱসৰ প্ৰাপ্ত শিক্ষক সকলৰ গ্ৰেচুইটি (Gratuity) দিয়া বিষয়ত সময়ে সময়ে আৱশ্যকীয় কাৰ্য্য ব্যৱস্থা লোৱা হৈছে। অৱসৰ প্ৰাপ্ত শিক্ষকৰ অস্থায়ী পেঞ্চন ছয়মাহলৈকে দিয়া হৈছে। বিত্ত বিভাগৰ শেহতীয়া নিৰ্দ্দেশমতে অস্থায়ী পেঞ্চন ছমাহৰ পৰিবৰ্ত্তে এবছৰ পৰ্য্যন্ত কৰা হৈছে।

এই খিনিতে সদনক জনাঁও যে অসমত ২৫৯৭০ খন প্ৰাথমিক বিদ্যালয় আছে আৰু ৫৮৯১৮ জন প্ৰাথমিক শিক্ষকে কাম কৰি আছে। ৫।৯।৭৫ তাৰিখৰ পৰা (প্ৰাদেশীকৰণ দিন ধৰি) বৰ্ত্তমানলৈকে অৱসৰ লোৱা শিক্ষকৰ সৱকীয়া পঞ্জী প্ৰস্তুত কৰিবৰ নিমিত্তে চৰকাৰৰ পৰা ই পি জি ১৬।৮৬।২ তাৰিখ ১৮।১।৮৬ চিঠি যোগে সকলো উপ-পৰিদৰ্শক সকলক নিৰ্দ্দেশ দিয়া হৈছে। উক্ত কাম অহা ১০।৩।৮৬ তাৰিখৰ ভিতৰত সম্পূৰ্ণ হব বুলি ধৰা হৈছে।

ইতিমধ্যে অৱসৰ প্ৰাপ্ত শিক্ষকৰ পেঞ্চনন ভৱিষ্যনিধি আদি বিষয়ত কাৰ্য্যব্যৱস্থা লবলৈ এটা বিশেষ কোষ (Cell) খুলিবৰ নিমিত্তে অগ্ৰাধিকাৰ ভিত্তিত মহাগানিকৰ (Accountant General) লগত যোগাযোগ কৰা হৈছে। উক্ত কোষে পৰিয়াল পেঞ্চন আদি কামবো চোৱা চিন্তা কৰিব পাৰিব আৰু ভৱিষ্যত সেৱা পুস্তিকা আদি নিয়মীয়া কৰি মহাগাণনিকালয় পেঞ্চন আদিৰ অনুমোদন কৰাত তৰান্বিত কৰিব পাৰিব।

শ্ৰীভবেন ভৰালী :— মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে মাননীয় শিক্ষা মন্ত্ৰীক মই এটাকথা কব খোজো, সেইটো হৈছে দেৰগাৱঁৰ এগৰাকী শিক্ষক শ্ৰীসুৰেন্দ্ৰ বৰঠাকুৰ দেৱে অহা এক তাৰিখৰ পৰা অনসন কৰিব, এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা জানেনেকি ? আৰু জানে যদি তাৰ কিবা ব্যৱস্থা লৈছেনেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে দৃষ্টি গোচৰ কৰাতহে মই কথাটো জানিব পাৰিছো। বিগত সময় চোৱাত শিক্ষা নীতিৰ যি নিয়ম সেইমতে কোনো কাম হোৱা নাছিল। নিয়ম-নীতি ভাঙি ভাঙি শিক্ষক নিযুক্তি দিয়া হৈছিল, ফলত শিক্ষক সকলৰ ক্ষেত্ৰত নানান বেমেজালিৰ সৃষ্টি হৈছে। নিয়োগৰ ক্ষেত্ৰত, পেঞ্চনৰ ক্ষেত্ৰত, দৰমহা আৰু বদলীকৰণৰ ক্ষেত্ৰত ব্যক্তিগত স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াত এনে ধৰণৰ আহুকালৰ সৃষ্টি হৈছে। ইয়াৰ ফলত একাদেমিক শৈক্ষিক দিশবোৰ পৰিচালনা কৰাৰ কাৰণে অনেক চিন্তা কৰিব লগা হৈছে। আৰু ফলস্বৰূপে মন্ত্ৰীৰ টেবুল এনে ধৰণৰ ওজাৰ-আপত্তিৰে ভৰি পৰিছে। ইমান এটা ডাঙৰ শৈক্ষিক প্ৰশাসন থকা স্বত্বেও আজি ৰাইজ তথা চৰকাৰৰ এনে অৱস্থা হৈছে। বিগত কালত যিটো চৰকাৰ আছিল সেই চৰকাৰটোৱে ৰাজনৈতিক প্ৰভুত্ব খটুৱাবলৈ গৈ সকলো নীতি-নিয়ম উলংঘা কৰিপ্ৰশাসনৰ ওচৰলৈ ৰাইজক ওচৰ চপাই আনিবলৈ দিয়া নাছিল। ফলত নীৰিহ শিক্ষক সকল মাহৰপিচত মাহ ধৰি দৰমহাৰ পৰা বঞ্চিত হৈ থাকিব লগা হৈছে। এনে অৱস্থাতে কেতিয়াবা কোনো শিক্ষকৰ মৃত্যুও হৈছে এনে শিক্ষকৰ পৰিয়ালৰ লোকৰ বাবে পেঞ্চনৰ কোনো কাম আৰম্ভই হোৱা নাই। আমি দেখিছোঁ ৰাজনৈতিক দৃষ্টি ভঙ্গীৰে সমষ্ট শক্তি কাঢ়ি লৈ শিক্ষাৰ সকলো পৰিবেশ কলুষিত কৰি জনসাধাৰণৰ সময়োপযোগী নকৰাৰ কাৰণে আজি স্বাভাৱিকতে এনে অৱস্থাৰ সৃষ্টি হৈছে। অসমৰ গণপৰিষদ চৰ-কাৰে অসমৰ জাতীয় জীৱনলৈ আহি বিশেষকৈ শিক্ষিত যুৱক-যুৱতী সকলৰ দুৰ্গতি দূৰ কৰিবলৈ চেষ্টা কৰা হৈছে।

শিক্ষক সকলৰ অভাৱ-অভিযোগ দূৰ কৰিব লাগিব. নীতিগত ভাবে শিক্ষক সকলৰ ক্ষেত্ৰত হোৱা অনিয়ম বিলাক দূৰ কৰিব লাগিব। ইয়াৰ বাবে আমি এটা সুকীয়া চেল তৈয়াৰ কৰিবলৈ বিচাৰিছো। পেঞ্চন, দৰমহা আৰু বদলিকৰণ আদিৰ ক্ষেত্ৰত থকা আসোঁৱাহ বোৰ দূৰ কৰাৰ ক্ষেত্ৰত আমি প্ৰথম অধিকাৰ দিয়াৰ কথা ভাবিছোঁ। শিক্ষা মন্ত্ৰী সকলৰ সন্মিলনতো আমি দুটা কথাত প্ৰধান্য দিছোঁ, স্কুল ইন্সপেক্টৰ সকলে স্কুল ইন্সপেকশ্যন নকৰে, তেওঁলোকৰ ওপৰত অজস্ৰ দায়িত্ব দিয়া হৈছে। পৰিদৰ্শকৰ কাম নাই।

অসম গণপৰিষদ চৰকাৰে দুটা ভাগ কৰি প্ৰশাসন আৰু একাদেমিক শিক্ষকৰ অভাৱ অভিযোগবিলাক বিবেচনা কৰি চাই তেওঁলোকক প্ৰশাসনৰ ওচৰত চপাবলৈ চেষ্টা কৰিছে। এই ক্ষেত্ৰত থকা সকলোবিলাক বেমেজালি দূৰ কৰি নীতিগত ভাবে কাম কৰি যোৱাত মাননীয় সদনৰ মাননীয় সদস্য সকলে অনুপ্ৰেৰণা যোগাবলৈ মই অনুৰোধ জনাইছোঁ।

মাননীয় অধ্যক্ষ ঃ— ২২।১।৮৬ তাৰিখে মাননীয় সদস্য শ্ৰীগোলোক ৰাজবংশী ডাঙৰীয়াই গৃহ মন্ত্ৰীৰ পৰা এটা বিবৃতি বিচাৰিছিল। এতিয়া গৃহ মন্ত্ৰীয়ে বিবৃতি দিব।

শ্ৰীভৃগু কুমাৰ ফুকণ (মন্ত্ৰী) ঃ— যোৱা ২২।১।৮৬ তাৰিখে মাননীয় সদস্য শ্ৰীগোলোক ৰাজবংশীয়ে মেছাগড় ঘটনাটো উৎথাপন কৰিছিল। ঘটনাটোৰ সন্দৰ্ভত মই এটা বিবৃতি দিম বুলি কৈছিলো। ঘটনাৰ বুজ লবলৈ মই নিজে মেছাগড়লৈ গৈছিলো। (২৩।১।৮৬)

ঘটনাটো এনে ধৰণৰ ঃ— ইং ২১।১।৮৬ তাৰিখে সন্ধ্যা প্ৰায় সাত বজাত কেতবোৰ দুৰ্বৃত্তই শ্ৰীসমৰজিৎ বৰগোহাঁই নামৰ এজন ছাত্ৰক চুৰিৰে গুৰুতৰ ভাবে আঘাত কৰে। শ্ৰীবৰ গোহাঁই সদৌ অসম ছাত্ৰ সন্থাৰ বিষয় ববীয়া। এই ঘটনাটোৰ পিচতে উন্মুক্ত জনতাৰ এটা দলে সেই অঞ্চলৰ ৫ ঘৰ মানুহক আক্ৰমণ কৰে। এই পিছৰ ঘটনাটোত ক্ষতিগ্ৰস্ত শ্ৰীহৰেণ কোঁৱৰ, শ্ৰীললিত বৰগোহাঁই, শ্ৰীপোনা বৰগোহাঁই, শ্ৰীগিৰীশবৰগোহাঁই আৰু পূৰ্ণেশ্বৰ বৰগোহাঁইৰ ঘৰলৈ মই গৈছিলো। শ্ৰীহৰেণ কোঁৱৰৰ পত্নী কুন্তী কোঁৱৰ আৰু কন্যা ৰূপাৰেখা কোঁৱৰক আক্ৰমণ কাৰীয়ে নিষ্ঠুৰভাবে হত্যা কৰে।

মেছাগড়ৰ ঘটনা অতিশয় ঘৃননীয়া আৰু সেয়েহে ই নিন্দনীয়। কোনো চৰকাৰে এনে ঘটনাৰ বাবে দায়ী সকলক শাস্তি নিদিয়াকৈ থাকিব নোৱাৰে। গোটেই ঘটনাটো পুংখানুপুংখা ভাবে অনুসন্ধান কৰি থকা হৈছে। আৰু দোষীয়ে শাস্তি পাব। মই সদনক সেই বিষয়ে আশ্বাস দিছো।

ঘটনাটোৰ পিছৰ কেতবোৰ কথাৰ প্ৰতি মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰোঁ। প্ৰথম কথা ছাত্ৰ সন্থাৰ বিষয় ববীয়া শ্ৰীসমৰজিৎ বৰগোহাঁইক আক্ৰমণ কৰা দুৰ্বৃত্তসকল এটা ৰাজনৈতিক দলৰ সমৰ্থক বুলি ৰাইজে অভিযোগ তুলিছে। দুৰ্বৃত্ত সকলৰ চাৰিজনে ঘটনাটোৰ পিচতে এজন স্থানীয় ৰাজনৈতিক নেতাৰ ঘৰত আশ্ৰয় লৈছিল বুলিও অভিযোগ উঠিছে। উল্লেখযোগ্য যে শ্ৰীসমৰজিত বৰগোহাঁইক আক্ৰমণ কৰা এজন শ্ৰীবিপিন বৰগোহাঁইক শিমলুগুৰিত তেওঁৰ সম্পৰ্কীয় এজন পুলিচ বিষয়াৰ ঘৰত গ্ৰাটক কৰা হৈছে। পুলিচ বিষয়া জনৰ ৰহস্যজনক কাৰ্য্যকলাপ অনুসন্ধান কৰি থকা হৈছে। নিৰপেক্ষ অনুসন্ধান আৰু বিচাৰৰ স্বাৰ্থত্তে মই ঘটনাটোৰ বিষয়ে অধিক সুদৰি কৰিব বিচৰা নাই। মাথো আপোনালোকক পুনৰ আশ্বাস দিব বিচাৰো যে দুয়োটা ঘটনাৰ লগত জাড়ত সকলো দোষীক বিচাৰৰ কাঠগড়াত থিয় কৰোৱা হব। কোনো ৰাজনৈতিক স্বাৰ্থই ইয়াত ঠাই নাপাব। মানুহৰ জীৱনত নিৰাপত্তা দিবলৈ আমাৰ চৰকাৰ প্ৰতিজ্ঞাবন্ধ আৰু দায়বন্ধ।

মই তথ্যাভিত্তিক বিবৃত্তি দাঙি ধৰিছো। মাননীয় সদস্য গৰাকীয়ে মেছাগড়ত এজন প্ৰাক্তন মুখ্য মন্ত্ৰীৰ সম্পৰ্কীয় মানুহক মাৰ-ধৰ কৰাৰ অভিযোগ তুলিছিল। গোটেই ঘটনাটোৰ অনুসন্ধন সম্পূৰ্ণ হলে সদস্য গৰাকীয়ে নিজৰ অভিযোগৰ সত্যতা নিজেই অনুধাবন কৰিব পাৰিব।

আমাৰ চৰকাৰে কোনো অপৰাধ ক্ষমা নকৰে। কোনো হত্যাকাণ্ডক প্ৰশ্ৰয় নিদিয়ে। শ্ৰীহৰেণ কোঁৱৰৰ অপূৰণীয় ক্ষতিত আমি মিয়মাণ, আমি দুঃখিত। সেইদৰে আহত সকলক আৰোগ্য হোৱা আমি কামনা কৰো। চৰকাৰৰ তৰফৰ পৰা নিৰাপত্তা প্ৰদানৰ অংশ হিচাবে ক্ষতিগ্ৰস্ত সকলক সাহায্য দিয়া হৈছে।

শ্ৰীআব্দুল জেলিল ঃ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছ (এচ) দলৰ সদস্য শ্ৰীঅমৃত লাল বসুমতাৰী ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যিসংশোধনী প্ৰস্তাৱ দাঙি ধৰিছে এই প্ৰস্তাৱৰ প্ৰতি মোৰ সমৰ্থন আগবঢ়াইছো। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত এই চৰকাৰৰ যি কাৰ্য্য ক্ৰম-নিকা সি প্ৰতিফলিত হব লাগে। এই চৰকাৰ যুৱকৰ চৰকাৰ। ৰাইজে বহু আশা কৰিয়েই এই চৰকাৰ পাতি দিছে। কিন্তু ৰাজ্যপালৰ ভাষণত এই পৰিবৰ্ত্তনৰ একো আভাষ পোৱা নাযায়। আমি নতুন একো এই ভাষণত বিচাৰি পোৱা নাই।

অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰে যি চুক্তি কৰিলে এই অসম চুক্তি কাৰ্য্যকৰী কৰাৰ ভিত্তিতেই এই চৰকাৰ ক্ষমতালৈ আহিছে। এই চুক্তিত কেইবাটাও কথা আছে। কিন্তু কেনেকৈ এই চুক্তি কাৰ্য্যকৰী কৰিব তাৰ একো উল্লেখ ইয়াত নাই। ট্ৰাইবেল বেল্ট আৰু বনাঞ্চল উচ্ছেদ কৰাৰ কথা আছে, কিন্তু উচ্ছেদ কৰাৰ কাৰণে কি ব্যৱস্থা লব লাগে তাৰ উল্লেখ নাই। উচ্ছেদ কৰাত আমাৰ আপত্তি নাই, কিন্তু উচ্ছেদ কৰাৰ কিছুমান নিয়ম আছে। যি সকলক উচ্ছেদ কৰা হব তেওঁলোকৰ বিকল্প ব্যৱস্থা নকৰাকৈ উচ্ছেদ কৰিব নোৱাৰে। সেই কাৰণেই অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এই চৰকাৰক মই অনুৰোধ কৰোঁ উচ্ছেদ কৰাৰ আগতে সেই সকল লোকৰ যাতে বিকল্প ব্যৱস্থা কৰা হয়, যি সকল উচ্ছেদিত হব। আৰু এটা কথা মই কওঁ অকল উচ্ছেদ কৰিলেই সমস্যাৰ সমাধানহব নোৱাৰে। কিছুমান উচ্ছেদে সমস্যা আৰু জটিলহে কৰি তোলে। অধ্যক্ষ মহোদয়, উচ্ছেদ কৰাৰ আগতে এটা কথা চাব লাগিব কিয় মানুহে বনাঞ্চল বেদখল কৰি বসতি কৰিছে ?

(সদনত গুনগুননি উঠে)।

সদনত বহু কথাই ওলাইছে যেনে এই মানুহ বিলাক হয়তো বিদেশী। কিন্তু মোৰ বোধেৰে এই মানুহ বিলাক নদীয়ে ভঙা গৰাখহনীয়াত পৰা মানুহ। মই বিশেষকৈ মোৰ সমষ্টি লাহৰীঘাটৰ কথা কওঁ তাত ৩০-৪০ লাখ মান গৰখহনীয়াত আক্ৰান্ত লোক আছে। তেওঁলোকে যিকোনো চৰত বাস কৰে আৰু পানী আহিলেই আকৌ মাটি বিচাৰি ফুৰে, কৰবাত মাটি অকনমান পাই তাতে বাস কৰিবলৈ লয়।
(সদনত হাহিৰ বোল উঠে)।

অধ্যক্ষ মহোদয়, গনতন্ত্ৰ অধিক শক্তি আৰু স্হায়ী কৰিবৰ কাৰণে ক্ষমতাৰবিকেন্দ্ৰীকৰণ কৰা দৰ্কাৰ। গাওঁপঞ্চায়ত আৰু সমবায় সমিতিসমূহৰ এই ক্ষেত্ৰত তাৎপৰ্য্য আছে। কিন্তু ৰাজ্যপালৰ ভাষণত এই কথা নাই। আমাৰ ভয় হৈছে এই চৰকাৰে গাওঁপঞ্চায়ত আৰু সমবায় সমিতিসমূহ উঠাই দিয়াৰ ব্যৱস্হাই কৰে নেকি ?

অধ্যক্ষ মহোদয়, গাওঁপঞ্চায়ত আৰু সমবায় সমিতীসমূহৰ যোগেদি গাওঁৰ অৰ্থনৈতিক দিশত সহায় কৰাতো আমি বিচাৰোঁ। এই চৰকাৰে অসমৰ ৰাইজৰ স্বাৰ্থৰ হকে কাম কৰাটো আমি বিচাৰিছোঁ। সেই কাৰণেই ৰাজ্যপালৰ ভাষণত গাওঁপঞ্চায়ত আৰু সমবায় সমিতী সমূহৰ কথা দাঙি ধৰিবলৈ আৰু এই বিষয়টো প্ৰবৰ্ত্তন কৰিবলৈ আমি চৰকাৰক অনুৰোধ কৰিলোঁ।

মাননীয় অধ্যক্ষ ঃ— আপোনাৰ আৰু ২ মিঃ সময় আছে।

শ্ৰীশৰত চন্দ্ৰ সিংহ ঃ—অধ্যক্ষ মহোদয়, আমাৰ আৰু সময় আছে।

মাননীয় অধ্যক্ষ ঃ— এতিয়া দুই মিনিট সময় কওক, আৰু যদি কব খোজে পিচত কব পাৰিব।

শ্ৰীআব্দুল জেলিল ঃ— অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে কিমান মানুহক চাকৰি দিব পাৰিব ? খুব বেছি ৪-৫ লাখ। কিন্তু ১৯৭১ চনৰ লোকপিয়ল মতে আমাৰ জনসংখ্যা ইয়াৰ বহু বেছি। চাকৰি দি এই নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। তেনেহলে ইয়াৰ উপায় কি ? ইয়াৰ একমাত্ৰ উপায় হল চেলফ এমপ্লয়মেণ্ট। এই ক্ষেত্ৰত চৰকাৰৰ দায়িত্ব আৰু গধুৰ। ডেকা গাভৰু সকলক নিজ নিজ ভাৱেৰে

আত্মসংস্থাপন কৰিব পৰাকৈ প্ৰস্তুত কৰিব পাৰিব লাগিব। প্ৰয়োজনমতে সহায় সহানুভূতি আগবঢ়াব লাগিব। এই ক্ষেত্ৰত আৰু এটা কথা আছে সেইটো হল নিয়োগ বুলিলে আমি শিক্ষিত নিবনুৱা সকলৰ কথাহে চৰকাৰে ভাবে। কিন্তু গাওঁ অঞ্চলত বহু নিবনুৱা ডেকা আছে, কৃষি নিবনুৱাও আছে, এই সকলৰ কথাও ভাবিব লাগিব। উঠি অহা ডেকা সকলৰ কথাত গভীৰ মনোনিৱেশ কৰিব লাগিছিল কিন্তু আমি ৰাজ্যপালৰ ভাষণত এই কথা দেখা পোৱা নাই।

আটাইতকৈ ডাঙৰ কথা হল ১৯৮৫ চনৰ যি নিৰ্বাচন হল সেই নিৰ্বাচনৰ ভোটাৰ তালিকাৰ লিষ্ট সম্পৰ্কে মই দুটামান কথা কব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫ চনত চৰকাৰে ঘোষণা কৰিছিল যে যি সকল মানুহৰ নাম ১৯৭১ চনৰ ভোটাৰ তালিকাত আছিল তেওঁলোকৰ নাম ১৯৮৫ চনৰ ভোটাৰ তালিকাতো সন্নিবিষ্ট কৰা হব। কিন্তু দেখা গ'ল প্ৰায় ৯ লাখতকৈও বেচি মানুহ এই ভোটাৰ লিষ্টত অন্তৰ্ভূক্ত নহ'ল। মোৰ নিজৰ সমষ্টিয়েই প্ৰায় ৭ হাজাৰ মানুহৰ নাম কৰ্ত্তন কৰা হৈছে। কেনেকৈ কৰ্ত্তন হৈছে তাৰ এটা দৃষ্টান্ত মই দাঙি ধৰিছো। শুনানী হৈছে, বিষয়াই শুনানী লৈছে, শুনানী লোৱাৰ পাচত দেখা গৈছে তেওঁৰ নাম গ্ৰহণ কৰা হৈছে। কিন্তু পিচত যেতিয়া ৰিজাল্ট দিলে তেতিয়া দেখা গৈছে তেওঁলোকৰ নাম ৰিজেক্ট কৰা হৈছে। অৰ্ডাৰ চিটত দেখা গ'ল যে আপত্তি কৰা জন অনুপস্থিত থকাৰ কাৰণে তেওঁৰ নাম নাকচ কৰা হল। এনে ব্যৱস্থাৰে বহুতো মানুহৰ নাম বাদ পৰিলে। এনে দৰে লাখ লাখ মানুহৰ নাম বাদ পৰিছে। গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো এই বাদ পৰা লোক সকলৰ নাম যেন ভোটাৰ লিষ্টত অন্তৰ্ভূক্ত কৰা হয়। যোৱা নিৰ্ব্বাচনৰ সময়ত ৰাজ্যপালৰ সময়ত এটা কথা লিখিছে যে শান্তিপূৰ্ণ ভাবে নিৰ্ব্বাচন হৈছে। প্ৰকৃততে শান্তিপূৰ্ণ ভাবে হোৱা নাই। মোৰ সমষ্টিৰ কথাই মই কওঁ যে নিৰ্ব্বাচনৰ মাত্ৰ কেইদিনমান আগতেহে ভোটাৰ লিষ্ট পোৱা হ'ল। মাত্ৰ ৬।৭ দিন আগতেহে পাইছো। গতিকে পোলিং ষ্টেচনত সময়ত ৰিপোৰ্ট কৰিব পৰা নহ'ল। গতিকে ইয়াৰ পক্ষ ঠাৱৰ কৰিব নোৱাৰি যে নিৰ্ব্বাচন শান্তিপূৰ্ণভাবে হৈছে। আৰু এটা কথা হৈছে। চৰ এৰিয়াৰ জৰীপৰ কথা কৈছে। ইয়াৰ কাৰণে মই মোৰ ফালৰ পৰা আৰু দলৰ পৰা ধন্যবাদ জনাইছো। কিন্তু এই জৰীপ কাৰ্য্য কেৱল মানুহৰ মাজত কৰিলেই নহব। চৰ এৰিয়া বিলাকত স্কুল ৰাষ্টা-ঘাট খোৱা পানী যোগান, কলেজ, চিকিৎসা ইত্যাদি বিষয়েও যাতে জৰীপ চলোৱা হয় তাৰ বাবে অনুৰোধ জনালো। এই চৰ বিলাকত প্ৰতি বছৰেই গড়া খহনীয়া হৈ থাকে। এই চৰ বিলাকৰ গাওঁ বিলাকৰ নিচিনাকৈ কোনো নাম নাই। মানুহৰ নামতহে থাকে। বানপানী হোৱাৰ পাচত চেপ্তেম্বৰ মাহত চৰ বিলাক ওলাই পৰে আৰু তেতিয়া কোনোবাই আবাদ কৰে আৰু তেওঁৰ নামতহে হয়। কিন্তু কিছুদিন যোৱাৰ পাচত গড়া খহনীয়াত সেই চৰ আকৌ শেষ হৈ যায়। এনেকৈ কিমান বিলাক চৰ সৃষ্টি হৈছে আৰু গড়া খহনীয়াই লৈ গৈছে তাৰ হিচাপ নাই। গতিকে এই বিলাকৰো এটা জৰীপ হব লাগে। তাৰোপৰি চৰ অঞ্চলত মানুহ বিলাকে খেতি-বাতি কৰে আৰু তাত যথেষ্ট উৎপাদন হয় কিন্তু সেই উৎপাদন সামগ্ৰী বিলাক বিক্ৰী কৰিবৰ কাৰণে খেতিয়ক সকলে বহুত দূৰলৈ যাবলগীয়া হোৱাত তেওঁলোকে দালালৰ ওচৰতেই সেই বিলাক সস্তা দৰত বিক্ৰী কৰিব লগীয়া হয়। ফলততেওঁলোকে লাভবান হব নোৱাৰে। গতিকে উচিত মূল্যত যাতে উৎপাদন সামগ্ৰী সমূহ চৰ এৰিয়াত বিক্ৰী কৰিব পাৰি তাৰ কাৰণে মাৰ্কেটিংৰ ব্যৱস্থা কৰিব লাগে। চৰ অঞ্চলত বিশেষকৈ মৰাপাটৰ খেতি বেচি হয়। গতিকে জে, চি, আইৰ জৰিয়তে এই মৰাপাট বিলাক উচিত মূল্যত বিক্ৰী কৰাৰ কাৰণে ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো

**The Assembly met at 2-30 P.M. with the Hon. Spe.ker in the Chair**

শ্ৰীঅৰুণ চন্দ্ৰ ৰাভা :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত মাননীয় সদস্য জয়নাথ শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাব ডাঙি ধৰিছে তাক মই আন্তৰিকতাৰে সমৰ্থন জনাইছো আৰু লগতে ৰাজ্যপালে যে অসমত বস-বাস কৰা অসমৰ বিভিন্ন ধৰণৰ জন গোষ্ঠিৰ আশা-আকাঙখা, সমস্যা সমাধানৰ বাবে যি ইংগিত দিছে তাৰ বাবে ৰাজ্যপালৰ ভাষণক এক ঐতিহাসিক দলিল বুলি মই আখ্যা দিব বিচাৰিছো। ভাষণৰ প্ৰথমতে আইন শৃঙখলাৰ বিষয়ে উল্লেখ কৰোতে অসমত আইন শৃংখলা উন্নত

কৰাৰ লগতে সদ্ভাৱৰ পৰিবেশ সৃষ্টি কৰাত যি ইংগিত দিছে ই সচাকৈয়ে প্ৰশংসনীয় হৈছে। দ্বিতীয়তে ভাষণত অসম চুক্তি বিষয়ে উল্লেখ কৰা হৈছে। অসম চুক্তিখন শীঘ্ৰেই কাৰ্য্যকৰী কৰাৰ ঘোষণা ইতি-মধ্যেই চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে। আশা ৰাখিছো অসম চুক্তিখন যিমান সোনকালে পৰা যায় সিমান সোনকালে কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা হাতত লয়। ইয়াত অসম চুক্তি কাৰ্য্যকৰী কৰিবলৈ যাওতে অসমত বাস কৰা যি সকল সংখ্যালঘু আছে তেখেত সকলে যি আশংকা প্ৰকাশ কৰিছে সেইটো অমূলক আৰু ভিত্তিহীন। মই আগতেই কৈ আহিছো যে অসম চুক্তি কাৰ্য্যকৰী কৰোতে সংবিধানে দিয়া নীতি সমূহ সমভাৱে পালন কৰা হব। আৰু নীতিগত ভাৱেহে বিদেশী নাগৰিকক চিনাক্ত কৰা হব আৰু সেইমতে বহিস্কাৰ কৰা হব।

অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো যে সংখ্যালঘু শব্দটো বৰ ব্যাপক ভাৱে প্ৰচাৰ কৰা হৈছে। যোৱা নিৰ্ব্বাচনৰ সময়ত মোৰ এজন বন্ধু শ্ৰীদীনেশ খাজালাৰীয়ে মোক সুধিছিল যে প্ৰকৃততে সংখ্যালঘু কোন সেইটো আমি নিজে নাজানো। এইবাৰ নিৰ্ব্বাচনত বহুকেইজন লোকক সংখ্যালঘুৰ টিকেটত মনোনয়ন পত্ৰ দাখিল কৰিছে। অথচ পি, টি, চি, এই কম সংখ্যক মনোনয়ন দাখিল কৰিছে। তেতিয়া মই এটা কথা কৈছিলো যে আচলতে আমি নিজেই সংখ্যালঘুত পৰিণত হব ধৰিছো। গতিকে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অসম চুক্তিখন অতি শীঘ্ৰে কাৰ্য্যকৰী কৰি অসমত এটা সদ্ভাৱৰ পৰিবেশ সৃষ্টি কৰিব বুলি আহ্বান জনালো।

দ্বিতীয়তে অবৈধ প্ৰব্ৰজন ৰোধ কৰাৰ ব্যৱস্থাঅতি শীঘ্ৰে কাৰ্য্যকৰী কৰিব লাগে। মই বিশেষকৈ গোৱালপাৰা জিলাৰে দিনে ৰাতিয়ে সীমাইদি যি প্ৰব্ৰজন হৈ আছে সেই দৰে যদি ইয়াক চলি থাকিব দিয়া হয় তেনেহলে অতি কম দিনৰ ভিতৰতে আমি আমাৰ সংস্কৃতি হেৰুৱাই পেলাম বুলি এটা ভাবুকিৰ সৃষ্টি হৈছে। এই খিনিতে মই এটা উদাহৰণ দিব বিচাৰিছো যে কিছুদিন আগতে মই নিজে সেই অঞ্চললৈ গৈছিলো আৰু তাত বসবাস কৰা লোক সকলে মোক যেতিয়া অসমীয়া মানুহ বুলি গম পাইছিল তেতিয়া তেওঁলোকে মোক কৈছিল যে আমি বাংলাদেশৰ পৰা আহিছো আৰু আমি অসমৰ হাৱা পানী সেৱন কৰি ইয়াৰে অন্ন বস্ত্ৰ পৰিধান কৰি আমি বাংলাদেশৰ জয়গান গাই যাম। তেওঁলোকৰ এনে ধৰণৰ মন্তব্য শুনি আমি নিৰুপায়ত পৰিছিলো—বিশেষকৈ তেওঁলোকে অসমতে বসবাস কৰি এনে আচৰিত ধৰণৰ মন্তব্য প্ৰকাশ কৰাৰ কাৰণে। সেই কাৰণে মই সদনৰ দৃষ্টি আকৰ্ষণ কৰি কব খুজিছো যে অতি শীঘ্ৰে এই প্ৰব্ৰজন ৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে নহলে আমিয়েই শেষত ইয়াৰ পৰা পলাব লগিয়া হব পাৰে। এই বিষয়টো মই বিশেষকৈ আমাৰ মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

অধ্যক্ষ মহোদয়, ইয়াৰ পিচত মই আৰক্ষি বিভাগৰ বিষয়ে দুষাৰমান কও। ৰাজ্যপালৰ ভাষণত আৰক্ষি বিভাগটোক এটা নতুন ৰূপত সজাই-পৰাই তুলিব বিচৰা হৈছে, তেওঁলোকৰ যিবোৰ মৌলিক অধিকাৰ বা পাব লগিয়া সা-সুবিধা সেইবোৰ অক্ষুন্ন ৰাখিবৰ কাৰণে বিশেষ ব্যৱস্থা ৰখাৰ ইংগিত দিয়া হৈছে। এই ব্যৱস্থাটো অতি প্ৰশংসনীয় হৈছে। আমাৰ প্ৰতিজন লোকে ন্যায় আৰু সুস্থ বিচাৰ এই বিভাগৰ জৰিয়তে পাব বুলি আমি আশা ৰাখিছো। এইখিনিতে মই এই বিভাগৰ বিষয়ে কবলৈ গৈ কও যে গোৱালপাৰা জিলাত যিটো আৰক্ষি প্ৰসাশন ব্যৱস্থা সি অতি দুখ লগা আৰু সমগ্ৰ অসমৰ ভিত-ৰতে এই বিভাগৰ দুৰৱস্থা। এই জিলাখনৰ আৰক্ষি প্ৰশাসনটো ৰাজনৈতিক নেতাসকলৰ আৰু চোৰাং কাৰবাৰী সকলৰ হোতা হৈ থকা দেখা যায়। গতিকে সেইবোৰ শক্তিৰ পৰা এই বিভাগটোক সম্পূৰ্ণভাৱে নিকা কৰিব লাগে আৰু ইয়াৰ লগতে এই বিভাগটোৰে যাতে কোনো ব্যক্তিৰ বিৰুদ্ধে কোনো ধৰণৰ বিৰোপ মন্তব্য প্ৰকাশ নকৰে তাৰ বাবে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু বিশেষকৈ আমাৰ গৃহ মন্ত্ৰীয়ে এই বিষয়ত নজৰ দিব বুলি আহ্বান জনালো। কিয়নো মই নিজে অভিজ্ঞ যে ইয়াৰ আগতে মই গোলোকগঞ্জ ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্য্যনিৰ্ব্বাহকৰ সদস্য আছিলো আৰু তেতিয়া মোক এৰেষ্ট কৰিছিল আৰু লকআপত ৰাখিছিল। তেতিয়া মোক সম্পূৰ্ণৰূপে বস্ত্ৰহীন কৰি নানা ধৰণে অত্যা-চাৰ কৰিছিল। গতিকে এনে ধৰণৰ দুস্কাৰ্য্য নতুন চৰকাৰে নাইকিয়া কৰিব বুলি আশা ৰাখিলো। এই-খিনিতে আৰু এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবও যে ১৯৮৩ চনৰ ১৬ ফেব্ৰুৱাৰীৰ দিনা নৱম অসম পুলিচ বেটেলিয়ানৰ কনিষ্টবল আৰু চি, আৰ, পিৰ মাজত যি সংঘৰ্ষ হৈছিল সেই ঘটনা সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্য প্ৰনোদিত আছিল। এই বিষয়টো মই ইয়াৰ আগেয়েও উল্লেখ কৰিছিলো। এই সংঘ-ৰ্ষত বুলি হোৱা ২৮ জন বেটেলিয়ানৰ কৰ্ম্মীক কামৰ পৰা বৰখাস্ত কৰা হৈছে। এই কৰ্ম্মীসকলক পুন চাকৰিত নিয়োগ কৰাৰ বাবে মই চৰকাৰক তীব্ৰ অনুৰোধ কৰিলো।

ইয়াৰ পিচতে আমাৰ প্ৰচাৰ বিভাগটোৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত যি ধৰণে প্ৰকাশ পাইছে তাত মই নথৈ আনন্দিত হৈছোঁ। নতুন চৰকাৰে প্ৰচাৰ মাধ্যমৰ ক্ষেত্ৰত যি ব্যৱস্থা হাতত লব খুজিছে সেইটো বৰ সময় উপযোগী হৈছে আৰু এই আচঁনিৰ জৰিয়তে অসমত বাস কৰা বিভিন্ন জনগোষ্ঠী অগ্ৰগতিৰ বাবে কাম কৰি যাব বুলি মই আশা কৰিলো।

চৰকাৰৰ নীতি আৰু আঁচনিসমূহ এখন পুস্তিকা আকাৰে প্ৰত্যেক জিলা ভিত্তিত প্ৰকাশ কৰি জনসাধাৰণক জ্ঞাত কৰিলে নিশ্চয় উপকৃত হব পাৰিম। ৰাজ্যপালৰ ভাষণত প্ৰশাসন যোগ্য আৰু শক্তিশালী কৰাৰ ব্যৱস্থা সম্পৰ্কে কৈছে। ইয়াত এটা কথা কব খুজিছো যে পেঞ্চনাৰ সকলে পেঞ্চন পোৱাত বহুত অসুবিধা অনুভৱ কৰি আছিছে। সেই কাৰণে অসমৰ বিভাগৰ লগত জড়িত এজি অফিচটো শীঘ্ৰে অসমলৈ আনিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিলো অৰ্থনৈতিক দিশত দৰিদ্ৰতা মোচনৰ কাৰণে যিটো ব্যৱস্থা লোৱা হৈছে, সেইটো খুব ভাল হৈছে। বিশেষকৈ চিদুল কাণ্ট, ট্ৰাইবচ, অ, বি, চি, চাহ বনুৱা আদিৰ ক্ষেত্ৰত স্বাবলম্বিতা হোৱাৰ বাবে যি আঁচনিৰ আভাস ইয়াত দিছে তাৰ বাবে মই ধন্যবাদ জনাইছো আৰু লগতে আন্তৰিক সহায় সহযোগ আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছো। চৰকাৰৰ ফালৰ পৰা ইতিমধ্যে চৰ অঞ্চলৰ জৰীপৰ কথা কোৱা হৈছে। চৰ অঞ্চলৰ অভাৱ অভিযোগ সম্পৰ্কত চৰকাৰে যথা সময়ত সহানুভূতিৰ বিবেচনাৰে যাৱতীয় ব্যৱস্থা নিশ্চয় লব বুলি আশ্বাস দিছে। গতিকে এই চৰ অঞ্চলৰ লোক সকলৰ কোনো ধৰণৰ সংশয় ভাৱ হোৱাৰ থল নাথাকে। পৰিবহণৰ ক্ষেত্ৰত কব বিচাৰিছো যে পৰিবহন বিভাগটো দক্ষিণ গোৱাল-পাৰাত যাতে শক্তিশালী হয় তাৰ বাবে চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিলো। লগতে দুখনৈ সমষ্টিৰ দুবংগিৰিৰ পৰা গোৱালপাৰালৈ যি চৰকাৰী বাচ চলাৰ ব্যৱস্থা আছিল তাক যাতপুনৰ প্ৰবৰ্ত্তন কৰে তাৰ বাবে পৰিবহন মন্ত্ৰীলৈ আহবান জনালো। যোৱা ৩৮ টা বছৰত অসমৰ জনসাধাৰণৰ অভাৱ অভিযোগ, দুখ বেদনা নিৰ্মূল কৰাৰ লগতে সমাধানেৰে উপযুক্ত ব্যৱস্থা লোৱাৰ যি আভাস ৰাজ্য-পালৰ ভাষণত দিছে তাৰ বাবে মই ধন্যবাদ জনোৱাৰ লগতে শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই দাঙি ধৰা ধন্যবাদসূচক প্ৰস্তাবটো আন্তৰিকতাৰে সমৰ্থন জনাই বক্তৃতাৰ সামৰণি মাৰিলো।

Shri DIGENDRA PURKAYASTHA : Mr. Speak r, Sir while supporting the amendment motion moved by the Hon'ble Member Shri S. Condpan on the Governor's address, I would like to speak a few words. In the Governor's address no mention has been made about the 20-point-programmes which are very important programmes of our country. Sir, the Govt. has drawn up the programme with a view to bring economic upliftment of our rural people. Sir, it is free from political consideration. We do not understand why the present Govt. is silent in this respect. It is astonishing to us as to why the Governor has made no mention about the programme. Sir, with the 20 point programmes, it will be possible to remove the economic backwardness of our rural masses. Therefore, Sir, through you I would like to submit before the Govt. not to abandon the 20 point programmes keeping in view the interest of rural masses. There may be corruption, misappropriation and lack of sincerity on the part of implementing agencies but these are to be properly dealt with. I can assure the Govt. that from our side we will extend full cooperation with the Govt. in dealing with the corrupt machinery. We are at one in this respect and we want that corrupt officials, who are enga-

ged in implementing the 20 point programmes, must be severely punished. Sir, it is not the question who is in the Govt. and who is in the power. Our aim must be always for the People of the people in a democratie set up, the Govt. is for the people and by the people. Then, sir, I would like to point out about the activities of the Forest Deptt. Here in the Governor's address it has been mentioned about the illegal felling of trees. It is realy very shocking because of large scale illegal felling of trees from the reserve forests. I am glad to know that vigorous measures have been taken by the Govt. to restore and to extend the forest areas and also to stop such large-scale felling of trees. In this connection I would also like to mention that in my Dhola Constituency under Lowerbond Forest Reserve large scale felling of illegal trees are going on and the culprits are not punished. Here, sir, I would like to request the Govt. to take steps against those who are responsible for such large scale illegal felling of valuable trees in reserve forests of the Government. Of course, we have come to know from newspapers that Government is taking effective steps to stop such illegal felling of valuable trees from the forest reserves.

As regards the supply of pure drinking water, I would like to urge upon the Government to implement those schemes which are already drawn. Sir, certain schemes have been drawn up for the supply of drinking water to our rural areas but those schemes are not yet taken up. I would like to submit before the Government to take up those schemes for the benefit of our people, belonging to scheduled castes and scheduled tribes.

As regards the P. W. D., it has been mentioned by the Governor that provisions will also be made for strengthening and improving some of the existing roads and bridges. In this connection I would like to mention that due to non-repairing of roads in time in our area, most of the roads have become unfit for vehicular traffic, specially during the rainy season. Therefore, sir, I would like to impress upon the Government to make adequate provision for repairing and strengthening the existing roads & bridges etc. As regards the Transport Department, much has been said and discussed in this House by several Hon'ble Members and I need not like to mention anything. I hope Government will take all possible step for all-round development of the Transport Deptt. Sir regarding the

Flood Control Department I would like to say that flood have become a regular feature in the State of Assam. So vigorous flood contral measures should be takan so that the poor and helpless people are not regularly affected by the floods and government do not require to spend much money from the State exchequer every year for the purpose of relief and rehabilitation of the flood victimes. I would like to urge upon the Government to take necessary steps for proper implementation of the scheme under S/C component Plan and other state plan and also I would like to request the government to reconstitute the Sub-divisional Boards which have been suspended or dissolved and functioning with the government officers with D. Cs or S. D. Os as the Chairman. So I hope that these Boards would be reconstituted and proper persons i. e. with the social workers in consultation with the D. Cs or S. D. Os. and Anusuchit Jati Parisad which is the only scales organisation of the scheduled Castes.

Sir, I think I will be failing in my duty if I do not mention or speak something about Education Department. I am glad that our Education Minister who is here in this House has assured that he will take all necessary measures for smooth functioning of the department. Really we are very much glad at his assurance. Simply I would like to mention one point. We see there are many provincialised M. E and High Schools functioning within the same premises. So I simply urge upon the government to take necessary steps for immediate amalgamation of these schools for the interest of the students as well as the institutions. With these few words I resume my seat. Thank you, Sir,

মাননীয় অধ্যক্ষ :—মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো ৩-৩০ বজাৰ পৰা মন্ত্ৰী সকলে আৰু মুখ্য মন্ত্ৰীয়ে উত্তৰ দিব। বিতৰ্কত সময়ৰ অভাৱত যদি কোনোবা সদস্যই ভাগ লব নোৱাৰিলে তাৰ বাবে মই দুঃখীত। মাননীয় সদস্য সকলক চমুকৈ কবলৈ অনুৰোধ কৰিলো। এতিয়া বিতৰ্কত ভাগ লব শ্ৰীশান্তি ৰঞ্জন দাসগুপ্তই।

Shri Santi Ranjan Das Gupta—Mr. Speaker, Sir, first of all I want to tender my apology to you and the hon'ble members of the House because both my eyes are operated and therefore, I am using two spectacle which may cause inconvenience to others. Therefore, Sir, I am prepared here today with many documents but for want of time it will not be possible for me to exhibit them. Therefore, whatever I will speak, I will speak in nutshell.

Sir, we stand against the Assam Accord. There is no denial of this. We fought the election with the assurance to scrap the Accord. Previously when the Congress (I) Government was in power, they have played a dual role. I have also written to the Prime Minister, Shri Rajiv Gandhi one letter prior to the signing of the Accord and another letter after the signing of the Accord. I do not have much copies of these letters to spare but I have got one copy each which I am handing over to you, Sir (handed over copy of letters). Sir, prior to Accord the ex-Law Minister, he is not now in the House, had said that the re-revision of the Electoral Roll the order of the Election Commission was highly illegal and the ex-Chief Minister who is also not in the House, said that even in my own (Hojai) constituency the deletion of 45,000 names from the voter's list was highly illegal. That was there role prior to signing of the Accord. But after signing of the Accord what was their role? The ex-Law Minister said it was a Manga Carta. The ex-Chief Minister said about 25,06,600 people entered into Assam in between 1966-71 will be benefited. Sir, I have got a book with me. A question was placed before the Parliament (Sir, I am changing my spectacle) by late Shri P. C. Barua, the then M. P. made question about the numbers of refugees entered into Assam in between 1.1.64 to November, 1964. The then Relief & Rehabilitation Minister, late Shri Mahabir Tyagi said upto 27th November, 1964 it was 1,72,558. There was another question on the same line by Shri Baburao Patel and the then Relief & Rehabilitation Minister, Shri Sanjivya said that the figure of refugees upto 21st November 1970 was 2,11,822. If we minus the above figure then there remains only 39,000 refugees who came to India from 1964 to 1970. Therefore the figure given by the ex-Chief Minister as 25,06,000 will get their citizenship right is absolutely untrue. Sir many hon'ble members of the A.G.P. have already said that the minorities are the people of greater Assam. Then why the Indian mother had to deliver child standing on the line for enlisting their names in the voters' list? Yesterday my friend Shri Mujiruddin Ahmed gave an instance and today I am giving another instance. In my constituency a medical certificate was issued to a lady by a doctor to exempt her from appearing before the electoral registration authority as she was not able to go. But neither the S.D.O. nor the officer agreed to it and she appeared before the officer. What happened at last? The lady gave birth to

a child standing on the queue. The doctor who was in charge of Hojai Hospital issued the certificate resigned and denied to serve under such an oppressor Government. He is Dr. A. K. Dey, now M. L. A. Therefore Sir, if the minorities were the greater part of Assamese People why lakhs of minority People in Assam were compelled to stand on the queue ?

On this question Sir, I had written to the Prime Minister of India, Shri Rajiv Gandhi stating that there was not a single foreigner in Assam. Sir, in 1961, the population figure was 1 crore 8 lakhs. If we take the annual population upto this day, (according to the small diary supplied by the Government) the population figure comes to 2 crores 22 lakhs. Sir, If we have the natural growth on population of 1 crore 8 lakhs from 1961, there will not be a single foreigner in Assam. We believe on record; but the Ex-Chief Minisier stated purely on hypothecation that 25 lakhs of people will be benefitted by the amendment of the citizenship Act. That ia not altogether true.

Mr. SPEAKER—Your time is over.

Shri SANTI RANJAN DAS GUPTA : Sir, I shall take only one minute. I repeat that there is not a single foreigner. The existence of foreigner stated are all based on hypothecation and not on the basis of correct records available. That is why Sir, we are against this Assam Accord.

শ্ৰীপুলকেশ বৰুৱা, মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ কোচ।

শ্ৰীঅতুল চন্দ্ৰ কোচ :— মাননীয় অধ্যক্ষ মহোদয়, মান্যবৰ ৰাজ্যপাল মহোদয়ৰ সদনত দিয়াৰ ভাষণৰ বাবে মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই উৎথাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱটো মই সমৰ্থন কৰিছো।

অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে ভাষণ প্ৰসংগত আইন শৃংখলা সম্পৰ্কে অতি সময়োপযোগী আৰু যুক্তিপূৰ্ণ মন্তব্য দাঙি ধৰিলে। এই কথাসৰ্ব্বজনবিদিত যে ১৯৭৯ চনত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে বিদেশী নাগৰিকৰ সমস্যাৰ সমাধানৰ বাবে আন্দোলন আৰম্ভ কৰাৰে পৰা বিভিন্ন অসম বিৰোধী চক্ৰই ৰাজ্যখনত আইন শৃংখলাৰ পৰিস্থিতি বিশৃংখল কৰি আন্দোলনটোৰ চৰিত্ৰত কালিমা সানিবলৈ অপচেষ্টা চলাইছিল। বিশেষকৈ ১৯৮৩ চনৰ অবৈধ নিৰ্ব্বাচন অনুষ্ঠিত কৰাৰ পাচৰে পৰা পৰিস্থিতি অধিক বেয়ালৈ ঢাল খাইছিল আৰু ১৯৮৩ চনৰ ৰক্তাক্ত নিৰ্ব্বাচনত অংশগ্ৰহণ কৰি শাসনত থকাপূৰ্ব্বৰ কংগ্ৰেছ আই নেতৃত্বাধীন চৰকাৰে এহাতে আইন শৃংখলা ৰক্ষা কৰাৰ নামত ১৯৮৫ চনৰ অসমৰ সশস্ত্ৰ আইনকে ধৰি বিভিন্ন প্ৰহসন মূলক আইন জনসাধাৰণৰ মূৰত জাপি দি ৰাজ্যখনৰ সমগ্ৰ প্ৰশাসন যন্ত্ৰটোকেই ৰাজনৈতিক এজেন্সি হিচাপে ব্যৱহাৰ

কৰি বিভিন্ন অঞ্চলত সমাজবিৰোধী কিছুমান গুণ্ডা, সন্ত্ৰাসবাদীৰ সহায়ত বিভিন্ন অঞ্চলত 'আচু' আৰু গণ সংগ্ৰাম পৰিষদৰ নেতা কৰ্ম্মী আদিক ভিতি প্ৰদৰ্শন কৰি ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটাইছিল। কিন্তু এতিয়া অসম চুক্তি সম্পাদন হোৱাৰ পাচত আৰু পাৰ হৈ যোৱা নিৰ্ব্বাচনৰ পাচত ৰাজ্যখনৰ শান্তি শৃংখলা অটুট থাকি পৰিস্থিতি নিয়ন্ত্ৰণাধীন হৈ আছে। সেই কথা ৰাজ্যপাল মহোদয়ৰ ভাষণত স্পষ্ট উল্লেখ থকাটো সন্তোষজনক।

অধ্যক্ষ মহোদয়, প্ৰকৃততে ১৯৮৩ চনৰ তথাকথিত নিৰ্বাচনৰ পাচত ১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ সময়ছোৱা সমগ্ৰ অসমতে বিৰাজ কৰা এক অস্বস্তিকৰ ভয়, শংকা আদিৰ পৰা জনসাধাৰণ যে সম্পূৰ্ণ মুক্ত হৈ পৰিছে সেই কথা আজি স্পষ্ট হৈ পৰিছে। আমি আগৰ চৰকাৰৰ বৰ্ত্তমান বিৰোধী দলৰ থকা মাননীয় সদস্য সকলক কোনো ধৰণৰ সমাজ বিৰোধীমূলক কামত লিপ্ত থকা লোকক প্ৰশ্ৰয় নিদি আইন শৃংখলা পৰিস্থিতি অটুট ৰখাত আমাৰ চৰকাৰৰ সৈতে সহযোগ আগবঢ়াবলৈ আহ্বান জনাইছো।

অধ্যক্ষ মহোদয়, আৰক্ষী প্ৰশাসন সম্পৰ্কত ৰাজ্যপাল মহোদয়ে সকলোৰে প্ৰতি ন্যায় আৰু মানৱীয় আচৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়া হব বুলি কৰা মন্তব্যও আমাৰ চৰকাৰৰ আৰক্ষীপ্ৰশাসন সম্পৰ্কীয় নীতিঘোষিত হৈছে। মই পুনৰ বাৰ দোহাৰিব খোজো যে পূৰ্ব্বৰ কংগ্ৰেছ আইৰ চৰকাৰৰ দিনত আৰক্ষী বিভাগটোৱে সমগ্ৰ অসমত কংগ্ৰেছ ইৰ এটা ৰাজনৈতিক এজেন্সি আৰু ৰাজনৈতিক সংস্থাৰ দৰে কাৰ্য্যনিৰ্ব্বাহ কৰিছিল আৰু সেয়েহে জনসাধাৰণ ন্যায়ৰ পৰা বঞ্চিত আছিল। এই বিষয়ে মোৰ হাতত যথেষ্ট উদাহৰণ আৰু প্ৰমাণ আছে।

অধ্যক্ষ মহোদয়, সেই সময়ৰ আচুৰ কাৰ্য্যনিৰ্ব্বাহক সদস্য শ্ৰীবিপুল দাসৰ ঘৰ খানাতালাচী কৰি শ্ৰীদাসৰ ঘৰৰ পৰা ছাত্ৰ সংস্থাৰ নথি পত্ৰৰ লগতে মেট্ৰিক পাচ কৰা চাৰ্টিফিকেট, এডমিট কাৰ্ড আদি লৈ গৈ ভাজি পুৰি ত ঘূৰাই নিদিয়াটো কোনো ধৰণৰ ন্যায় আৰু মানৱীয় আচৰণৰ ভিতৰত নপৰে বুলিয়েই মোৰ বিশ্বাস। যোৱা ১৯৮৫ চনৰ ১০ ফেব্ৰুৱাৰীৰ দিনা তেতিয়াৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীধ্ৰুৱজ্যোতি বৰগোঁহাইক ডিব্ৰুগড় জিলা এচ-পি শ্ৰীঅসীম ৰয়ে ডিব্ৰুগড়ৰ কুখ্যাত এচ-আই শ্ৰীজিতেন ফুকনৰ হতুৱাই ধৰি আনি স্থানীয় কেইজনমান গুণ্ডাৰ সহায়ত নিজৰ কাৰ্য্যালয়তে প্ৰান নাশৰ ভাবুকি দি আৰু মদ খুৱাবলৈ বিচৰাৰ পাচত দিশপুৰলৈ তেতিয়াৰ মুখ্য মন্ত্ৰীৰ ওচৰলৈ আনিবৰ বাবে হেঁচা আৰু শক্তি প্ৰয়োগ কৰা কাৰ্য্যই আৰক্ষী বিভাগটো যে সম্পূৰ্ণৰূপে ৰাজনৈতিক উদ্দেশ্যত ব্যৱহৃত হৈছিল সেই কথা স্পষ্ট হৈ পৰিছিল। ইয়াৰ উপৰিও ১৯৮৫ চনৰ ১৪ জুন তাৰিখৰ মেৰাপানীৰ দুৰ্ভাগ্যজনক ঘটনাৰ প্ৰতিবাদত ডিব্ৰুগড় বন্ধৰ আহবান দিয়া বাবে ডিব্ৰুগড়ৰ বৰ্ত্তমান ছাত্ৰ সংস্থাৰ সভাপতি শ্ৰীমণি বৰুৱাক গ্ৰেপ্তাৰ কৰি আনি থানাত শ্ৰীবৰুৱাৰ দেউতাকৰ সমুখত সেই একেজন এচ-পি অসীম ৰয়ৰ নিৰ্দ্দেশত আৰু উপস্থিতিত অমানুষিক ভাবে মাৰপিট কৰা কাৰ্য্যই আৰক্ষী বিভাগটো যে সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্যত ব্যৱহৃত হৈছিল সেই কথা প্ৰতীয়মান কৰায়। মই নিজে শিলচৰ কাৰাগাৰত ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত আটক হৈ থকা অৱস্থাত ডিব্ৰুগড়ৰ কোনো এখন ঠাইত এটা বোমা বিস্ফোৰণ হৈছিল আৰু মই কাৰাগাৰৰ পৰা মুক্ত হোৱা এবছৰৰ পিচত মোক পুনৰ সেই বোমা বিস্ফোৰণৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰে। এইখন সদনতে পূৰ্ব্বৰ কংগ্ৰেছ আইৰ নেতৃত্বাধীন মুখ্যমন্ত্ৰী ডাঙৰীয়াই এক বিবৃতি প্ৰকাশ কৰিছে মোক সন্ত্ৰাসবাদী নেতা হিচাপে গ্ৰেপ্তাৰ কৰা হৈছে। এই কথা আমি বাতৰি কাকতৰ যোগেদি পঢ়িবলৈ পাইছিলো কিন্তু তেওঁলোকৰ দুৰ্ভাগ্য যে মোক গ্ৰেপ্তাৰ কৰা সেই দিনটোৰ এবছৰৰ আগৰ সেই বোমা বিস্ফোৰণৰ হোৱা দিনটোত মই শিলচৰ কাৰাগাৰত ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত আটক হৈ আছিলো। গতিকে অধ্যক্ষ মহোদয়, আপুনি বিচাৰ কৰি চাওক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত শিলচৰ কাৰাগাৰত আটক হৈ থকা অৱস্থাত মই ডিব্ৰুগড়ত বোমা বিস্ফোৰণ ঘটোৱাৰ কাম সম্ভৱ পৰ হয়নে নহয়।

অধ্যক্ষ মহোদয়, এইদৰে পূৰ্ব্বৰ আই কংগ্ৰেছ চৰকাৰে অসমৰ নিৰীহ ছাত্ৰ-যুৱক, আবাল বৃদ্ধ বনিতাৰ ওপৰত বিভিন্ন মিছা অভিযোগ আনি গ্ৰেপ্তাৰ কৰি হাৰাশাস্তি কৰি আইন শৃংখলাৰ নামত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল আৰু আজি সেই আই কংগ্ৰেছ দলৰ তেতিয়াৰ চৰকাৰ আৰু এতিয়াৰ বিৰোধী নেতা সকলৰ আইন শৃংখলাৰ নামত মাত মাতিব পৰা কোনো নৈতিক অধিকাৰ নাই বুলি মই কব বিচাৰো।

(সময়ৰ সংকেত)

অধ্যক্ষ মহোদয়, স্বাধীনোত্তৰ কালৰ অসমত প্ৰশাসনৰ নামত চলা দুৰ্নীতিয়ে জনসাধাৰণক যে প্ৰকৃততে গ্ৰাস কৰিছিল এই কথা সত্য। পূৰ্ব্বৰ চৰকাৰৰ দিনত এই দুৰ্নীতিয়ে চূড়ান্ত ৰূপ গ্ৰহণ কৰিছিল। প্ৰতিটো ক্ষেত্ৰতেই দুৰ্নীতিৰ গৰাহত পৰি সাধাৰণ ৰাইজ একপ্ৰকাৰ বিপদত পৰিছিল।

(সময়ৰ সংকেত)

শ্ৰীপদ্মকেশ বৰুৱা, মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য শ্ৰীগণেশ বড়ো। আপোনাৰ সময় পাচ মিনিট।

শ্ৰীগনেশ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্য পালৰ ভাষণৰ ওপৰত মই কেইটামান কথা কবলৈ ওলাইছো। দেখা গৈছে যে ৰাজ্য পালৰ ভাষণত মান্যবৰ ৰাজ্যপাল ডাঙৰীয়াই নতুন চৰকাৰে কাম কৰিবলৈ ওলোৱা বহুতো প্ৰতিশ্ৰুতিৰ কথাই ইয়াত উল্লেখ কৰিছে। আগৰ চৰকাৰেও এনেকৈ বহুতো প্ৰতিশ্ৰুতি আগবঢ়াইছিল কিন্তু কাৰ্য্যত সেইবোৰ কেতিয়াও প্ৰতিফলিত হোৱা আমি দেখা নাপালো। এতিয়া আশা ৰাখিছো আমাৰ নতুন লোকেৰে সৈতে এখন নতুন চৰকাৰ গঠন হৈছে আৰু এই চৰকাৰে যাতে ৰাজ্যপালৰ ভাষণত থকা চৰকাৰে যাতে ৰাজ্যপালৰ ভাষণত থকা প্ৰতিশ্ৰুতি সমূহৰ কিছু অংশ হলেও কাৰ্য্যত ৰূপায়িত কৰিবলৈ সমৰ্থ হব। যোৱা ৩৭ বছৰে আমি যি পালো সেইয়া আমি সকলোৱে দেখিছো। এই চৰকাৰেও যদি আগৰ চৰকাৰৰ দৰেহে কামত আগবাঢ়ে তেন্তে আৰু ৩৭ বছৰলৈ আমি একেই থাকিম। মই আশা ৰাখিছো আমাৰ নতুন চৰকাৰে হাতত লোৱা কামবোৰ আন্তৰিকতাৰে সৈতে সম্পাদন কৰিবলৈ চেষ্টা কৰিব।

অসম চুক্তি সম্পৰ্কত আমাৰ মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াই ভালেমান কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত মোৰ বক্তব্য হল—অসমত বিদেশী লোক আছে আৰু এই বিদেশী সকলক ধৰা পেলাই বহিস্কাৰ কৰিব লাগে। কিন্তু তাকে কৰিবলৈ যাওতে আমাৰ প্ৰকৃত ভাৰতীয় নাগৰিকক কোনো প্ৰকাৰৰ অত্যাচাৰ কৰা নেযায় তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিব লাগে। বিদেশী সমস্যাটো সমাধান হোৱাটো আমি কামনা কৰো।

নিৰ্ব্বাচনৰ সময়ত মই এটা তিক্ত অভিজ্ঞতা পাইছো। মোৰ সমষ্টিৰ ১৭-১৮ ডিচেম্বৰতেই গণণা শেষ কৰা হল। কিন্তু অফিচাৰ জনে মোৰ সমষ্টিৰ এটা অঞ্চলত শতকৰা নবৈ জন ভোটাৰে ভোটদান কৰিলে সেয়ে ফলাফল ঘোষণা কৰিবলৈ কিছু পলম হব। সেই সময়ত তাত আমাৰ মাননীয় নেতা শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী আৰু শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াও আছিল। তেখেত সকলৰ মধ্যস্থতাতহে পিচত ফলাফল ঘোষণা কৰিলে। এই বিষয়াজনৰ এই কাম ভাল হোৱা নাই। মই পিচে আইনত কি আছে নাজানো। ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে আমাৰ ৰাজ্যৰ অঞ্চলবোৰত খৰ গতিৰে

যোগাযোগ ব্যৱস্থা কৰিব লাগে । যিহেতুকে নামনি অসমত যোগাযোগৰ ব্যৱস্থা বেয়া সেয়ে অসমৰ কোকৰাঝাৰত এটা অনাটাৰ কেন্দ্ৰ অতি সোনকালে স্থাপনৰ দিহা কৰিব বুলি মই আমাৰ নতুন চৰকাৰক অনুৰোধ কৰিছো । জিলা প্ৰশাসনৰ ক্ষেত্ৰত কোৱা হৈছে যে চৰকাৰক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ ব্যৱস্থা কৰি নতুন জিলা–মহকুমা গঠন কৰা হৈছে । অধ্যক্ষ মহোদয়, আমাৰ কোকোৰাঝাৰ জিলাখনত দুটা মহকুমা, এটা গোঁসাইগাও আৰু আনটো কোক-ৰাঝাৰ । গোসাইগাও মহকুমাটো কেৱল এটা বিধান সভা সমষ্টিৰে গঠিত । কিন্তু কোকৰাঝাৰত বিজনী, ছিদলী, কোক-ৰাঝাৰ পূব আৰু কোকৰাঝাৰ পশ্চিম বিধান সভাৰ সমষ্টি আছে । এইটো পুনৰ গঠ-নৰ ব্যৱস্থা কৰি দুই এটা সমষ্টি গোঁসাইগাৱত সুমুৱাই দিয়াৰ কাৰণে চৰকাৰে ব্যৱস্থা লব বুলি মই অনুৰোধ জনাইছো ।

(সময়ৰ সংকেত)

মোৰ আৰু বহুতো কবলৈ আছিল কিন্তু সময়ৰ অভাৱত কব নোৱাৰিলো ।

মাননীয় অধ্যক্ষ : এতিয়া শ্ৰীপদ্ম নাথ কৈৱৰ্ত্তীয়ে কব ।

শ্ৰীপদ্ম নাথ কৈৱৰ্ত্তী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত সময় বৰ কম তথাপি ইয়াৰ মাজতে মই মাননীয় ৰাজ্যপাল মহোদয়ক মই তেখেতৰ ভাষণৰ বাবে আন্তৰিক শুভেচ্ছা জনাইছো আৰু তাৰ ওপৰত কেইটামান কথা কবলৈ ওলাইছো ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা সকলো বিষয়েই ঠিক হৈছে । কিন্তু আৰু দুই এটা কথা পৰি-স্কাৰ ভাবে সোমোৱা হলে ভাল আছিল আমাৰ মাননীয় সদস্য শ্ৰীনৰেন তাঁতি ডাঙ-ৰীয়াই চাহ বাগানৰ মজদুৰ সকলৰ পিচপৰা অৱস্থাৰ কথা কৈছে আৰু জনজাতি হিচাবে গণ্য কৰাৰ কথাও উল্লেখ কৰিছে । মই এই পৰিপেক্ষিতত অসম চৰকাৰৰ মান-নীয় সদস্য সকলক অনুৰোধ কৰো যাতে কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদন জনাই আমাৰ চাহ মজদুৰ সকলক অনুসূচীত জাতি হিচাবে ধৰাৰ ব্যৱস্থা কৰে । শ্ৰীনৰেন তাঁতি ডাঙৰীয়াই আৰু এটা কথা কৈছে যে আগৰ চৰকাৰে বাগানৰ লৰা-ছোৱালীৰ মাজত দিয়া দুপৰীয়াৰ আখৰৰ কাৰণে লৰা-ছোৱালীবোৰে থালি বাটি লৈ যাব লাগে সেয়ে এইটো বন্ধ কৰিব লাগে। মোৰ বোধেৰে এইটো বন্ধ কৰিব নালাগে । ইয়াৰ এটা বিকল্প ব্যৱস্থা লব লাগে ।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খুজিছো আমাৰ চাহ বাগিছাৰ জনসাধাৰণে মুকলি মনেৰে অন্যান্য লোকৰ লগত মিলা মিছা কৰিব নোৱাৰে— তেওঁ-লোকৰ আৰ্থিক তথা সাংস্কৃতিক দিশৰ অনগ্ৰসৰতাৰ বাবে । এই দিশটোৰ প্ৰতি চৰকাৰে মনোনিবেশ কৰিব লাগে । বাগানৰ স্কুলবোৰৰ অৱস্থাও অতি শোক লগা । একোখন স্কুলত হেজাৰ লৰা-ছোৱালী থাকে বা কোনোখনত পাঁচটাও থাকে । শিক্ষক এজন । তেও আহি স্কুল আৰম্ভ কৰি ঘড়ীলৈ চাই ছুটি দিয়ে । এই স্কুলবোৰ চৰকাৰে লোৱাৰ ব্যৱস্থা কৰিব লাগে যাতে আমাৰ লৰা-ছোৱালীবোৰে ভালদৰে শিক্ষা লাভ কৰিব পাৰে। এই খিনিতে মই আমাৰ মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰীক জনাব খোজো যে আমাৰ মাজত যিটো ওৱেলফেয়াৰ বোৰ্ড আছে আৰু তাৰ অন্তৰ্গত যি তেৰ খন ওৱেলফেয়াৰ চেণ্টাৰ আছে এইবোৰৰ কাম কাজ কি সেইটো ভালদৰে আমাক বুজাই দিব লাগে । ইয়াৰ দ্বাৰা যিবোৰ প্ৰশিক্ষণ দিয়া হয় যেনে কাৰ্পেণ্ট্ৰি, টেইলৰিং কিন্তু তেওলোকে চাকৰি নাপায় । তেওলোকে পোৱা চাৰ্টিফিকেটৰ মূল্য কম । এই কথাটোৰ প্ৰতি চৰকাৰে দৃষ্টি দিব লাগে । ইয়াৰ মাজেৰে বিভিন্ন ভাল ভাল প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

বাগান বিলাকত যথেষ্ট সংখ্যক ফালটু লেবাৰ আছে যিসকলক চৰকাৰে স্হায়ী ব্যৱস্হা কৰিব পৰা নাই । গতিকে মই ভাবো এই সকললোকক অন্যান্য সামাজিক ব্যৱস্হাৰ মাজেৰে তেওঁলোকৰ ভৰণ-পোষণ দিব পৰাকৈ চৰকাৰে কিছুমান ব্যৱস্হা লব লাগে । মই মোৰ নিজৰ সমষ্টিৰ কথাকেই কও আমাৰ বিশ্বনাথ চাৰি আলিত বিজুলি-বাতিৰ কোনো বিকল্প ব্যৱস্থা নাই । এবাৰ বেয়া হলে দ্বিতীয় বাৰ আশা কৰিব নোৱাৰি । এই অঞ্চলত থকা উত্তৰ অসম সমবায় চেনিকলটো প্ৰায় স্বংসপ্ৰাপ্ত হৈছে । তাক পুনৰ জীৱিত কৰিব লাগে । তাত প্ৰায়ে বানপানীয়ে ক্ষতিসাধন কৰে । গতিকে বুল দেজাৰ দি খেতি বাতি ৰক্ষা কৰিব লাগে । আপোনালোক সকলোৱে জানে উত্তৰ-পাৰতো আগৰেই পৰা অবহেলিত হৈ আছে। গতিকে ৰঙিয়াৰ পৰা জোনাইলৈকে বিজ্জি, লাইন সম্প্ৰসাৰণ কৰিলে বাইজৰ যাতায়তৰ সুবিধা হব । তেজপুৰত জনতাৰ দ্ৰ প্ৰতিষ্ঠা কৰিব লাগে । তাৰ পাচত আমাৰ তাত এখন কৃষি কলেজ হৈছে, লগতে ন পলিটেকনিকও পাতিব লাগে । যিহেতু উত্তৰ পাৰতো বহুত ক্ষেত্ৰত পিচপৰা তেনে তে প্ৰস্তাবিত যিটো কেন্দ্ৰীয় বিশ্ববিদ্যালয় সেইটো উত্তৰ পাৰতেই প্ৰতিষ্ঠিত কৰিব লাগে । মীন বিভাগৰ যিটো ছবি ডাঙি ধৰিছে আজি অসমত মাছ হল অপৰিহাৰ্য্য খাদ্য । ইয়াক প্ৰচুৰ পৰিমাণে উৎপাদন কৰিব নোৱাৰিলে বিদেশৰ পৰা আমদানী কৰিব লাগিব। গতিকে প্ৰাকৃতিক অৱস্হাত মাছ পোহা আৰু ৰখাৰ ব্যৱস্হা কৰি চৰকাৰী ভাবে ৰক্ষণা বেক্ষণ দিব লাগে । আমাৰ এই বিশ্বনাথ চাৰিআলি চাবডিভিজনটোত মাত্ৰ এখন হস্পিতাল আছে যত মাত্ৰ ত্ৰিশ খনহে বিচনা আছে । তাতো কটা ছিঙা কৰাৰ কোনো সু-ব্যৱস্হা নাই । ইমাৰজেঞ্চিত আৱশ্যক হলে গাড়ীৰো ব্যৱস্হা নাই । খোৱা পানীৰ কথা বেলেগেই । ইয়াৰ কোনো সু-ব্যৱস্হা এতিয়ালৈকে হোৱা নাই । তাৰ পাচত বিদেশী নাগৰিকৰ যিটো সমস্যা সেইটো অতি সোনকালেই সমাধান কৰাতো বাঞ্চনীয় । কিয়নো আজি ইখন গাওঁৰ পৰা সিখন গাওলৈ মুছলমান মানুহে, নেপালী মানুহে আৰু অসমীয়া মানুহে ইখন এৰি সিখন গাওলৈ অহা যোৱা কৰাতো অসুবিধা হৈ পৰিছে । সকলোৱে মাজত ভয় আৰু শংকাই ভিতি প্ৰদৰ্শন কৰিছে । গতিকে এই বিলাক দূৰ কৰি শান্তি সম্প্ৰীতি প্ৰতিষ্ঠিত কৰিবলৈ বিদেশী নাগৰিকৰ সমস্যাতো শীঘ্ৰেই সামাধান কৰিব লাগে । তাৰ পাচত ভুল কৰি যদি কোনোবা বিদেশী নাগৰিকৰ নাম বাদ পৰিছে তাক ভোটৰ লিষ্টত পুনৰ অন্তৰভুক্ত কৰিব লাগে ।

মাননীয় অধ্যক্ষ ঃ এতিয়া মন্ত্ৰী সকলে এই বিতৰ্কত ভাগ লব।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মান্যবৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত সম্মানিত সদস্য সকলে বহুতবোৰ আলোচনা সমালোচনা কৰিছে। এই বিষয়টোৰ ওপৰত আমাৰ চৰকাৰৰ ওপৰত আমাৰ চৰকাৰৰ ফালৰ পৰা মই এটা কথা কবলৈ ওলাইছো। এইখন ভাষণত সকলোতকৈ গুৰুত্বপূৰ্ণ আৰু সকলোৰে দৃষ্টি আকৰ্ষণ কৰা বাক্যতো হল এইটো—আমি এনে এটা সুখ সম্প্ৰীতি আৰু উন্নয়নৰ যুগৰ সূচনাৰ বাবে আশাৰে প্ৰতীক্ষা কৰিছো যত সকলো শ্ৰেণীৰ লোকৰ মংগল সাধিব পৰা সুখম অৰ্থনৈতিক উন্নয়নৰ লগে লগে ৰাজ্যখনৰ গৌৰবময় পৰম্পৰাৰে সমৃদ্ধ ঐশ্চৰ্য্যশালী সাংস্কৃতিক ঐতিহ্য সংৰক্ষিত হব। আমি এনে এক অৱস্হাৰ বাবে আশাৰে বাট চাইছো যত সকলো শ্ৰেণীৰ মানুহেই ভয় বা শংকাহীন ভাবে জীৱন যাপন কৰিব পাৰিব আৰু যত জাতি ভাষা সম্প্ৰদায়ৰ ভিত্তিত কোনো ভাৰতীয় নাগৰিকৰ প্ৰতি বৈষম্যমূলক আচৰণ নাইবা হাৰাশাস্তি কৰিব লগা নহয়। ইমান সময় বিতৰ্কত আলোচনা কৰাৰ পাচত এই বাক্যটোৱেই আমাক প্ৰতিশ্ৰুতিবদ্ধ কৰিছে।

Shri BINAI KHUNGUR BASUMATARI : On a point of order, Sir, may I most humbly point out Sir, that the departmental Ministers can reply not on the whole but only on the points pertaining to their departments and all the other points are to be replied to by the Chief Minister.

Shri CHARAN NARZARY : On a point of order Sir You are allowing all the Ministers to reply but the Chief Minister alone can reply for all the Ministers--otherwise it will be very time consuming.

माननीয় অধ্যক্ষ : সংশ্লিষ্ট বিভাগৰ বিষয়েহে মন্ত্ৰী মহোদয়ে কব।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) : মই এই কাৰণেই এই কথাখিনি ডাঙি ধৰিবলৈ বাধ্য হলো কিয়নো শৈক্ষিক পৰিবেশেহে সমাজখনক আৰু এই জগতখনক এটা বাস্তব ৰূপ দিব পাৰে আৰু তাৰ ওপৰতেই সমাজখনৰ উন্নতি অৱনতি নিৰ্ভৰ কৰে। কিয়নো এজন শিক্ষকে এটা সুন্দৰ শৈক্ষিক পৰিবেশৰ মাজেৰে গঢ়িব পাৰিলেহে সমাজখন ভবিষ্যতে সমৃদ্ধ হব। এই দিশটো ৰাজ্যপালৰ ভাষণত আৰম্ভনীতে উল্লেখ কৰা আছিল। সেই কাৰণে মই ভাবো এই কথাখিনি মই অপ্ৰাসংগিক ভাবে উল্লেখ কৰা নাই। শিক্ষাৰ উদ্দেশ্য এক নেতিবাচক দৃষ্টিকোণৰ পৰা চালে নহব। যোৱা ৩৮ বছৰে আমাৰ ৰাজ্যখনত শৈক্ষিক দিশত প্ৰকৃত ভাবে গঢ় দিব নোৱাৰিলে। আজি ৩৮ বছৰৰ পাচত যি সময়ত আন আন ৰাজ্যত প্ৰতিখন স্কুলতেই টি,ভি চেট যোগান দিয়াৰ কথা ভবা হৈছে সেই সময়ত আমি প্ৰত্যেক স্কুলতেই এখন বোৰ্ড দিয়াৰ কথা ভাবিছো। এয়ে হল আমাৰ আজিৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰগতি।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩৮ বছৰৰ ভিতৰত যি সময়ত অন্যান্য ৰাজ্যৰ স্কুল বিলাকত টি ভি দিছে সেই সময়ত আমি আমাৰ ৰাজ্যৰ স্কুল বিলাকত ব্লেক বৰ্ড দিবলগীয়া হোৱাটো অতি লাজৰ কথা। ইয়াত স্পষ্ট ভাবে কোৱা হৈছে শিক্ষাৰ যিটো বুনিয়াদ সেইটো প্ৰাথমিক স্তৰতে গঢ়ি তুলিব লাগিব। ঘৰৰ ভেটি ভাল নহলে ওপৰত যিমানেই যি নকৰক লাগিলে সেইটো ভাঙি পৰিবই। আজি অসমৰ প্ৰত্যেক বিলাক অঞ্চলতেই প্ৰাথমিক স্কুল বিলাকৰ যি যাতনা সেইটো দোহৰাৰ প্ৰয়োজন নাই। সেই কাৰণেই স্পষ্ট ভাবেই কোৱা হৈছে যে প্ৰাথমিক স্কুলৰ কেন্দ্ৰ বিলাক আকৰ্ষণীয় কৰি গঢ়ি তোলাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হব। ইয়াৰ ওপৰিও শিক্ষাৰ ক্ষেত্ৰত আৰু এটা দিশ মানি চলা হব সেইটো হৈছে উচ্চ শিক্ষাৰ স্বতন্ত্ৰতা। আগৰ চৰকাৰে সকলো বিলাক শিক্ষানুষ্ঠানৰ ক্ষেত্ৰতে হস্ত-ক্ষেপ কৰাৰ কাৰণে শিক্ষাৰ পৰিবেশ স্থবিৰ হৈ পৰিছিল। সেই কাৰণেই আমি শিক্ষা জগতলৈ যি পৰিবৰ্ত্তণ আনিব বিচাৰিছো এইটোত আমি সকলোৰেই গৌৰৱ কৰিব পাৰিম। শিক্ষাৰ সকলো দিশতেই স্বতন্ত্ৰতা ৰক্ষা কৰা হব বুলি দৃঢ়তাৰে কব পাৰো। প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত ইয়াত কোৱা হৈছে। বিজনি, নলবাৰী অঞ্চলৰ লোকে ভালদৰে জানে যে—

মিঃ স্পীকাৰ : মাননীয় সদস্য সকলে ৰাজ্যপালৰ ভাষণৰ ওপৰত যি কেইটা উল্লেখ কৰিছে তাৰ ওপৰত কওক।

শ্ৰীবৃন্দাবন গোস্বামী : ইয়াত পৰিবেশিক পৰিবৰ্ত্তণ সাধন কৰাতো উন্নয়নৰ কাৰ্য্যসূচীৰ অন্তভুক্ত কৰা হৈছে। তেল, গেচ আদিৰ বাবে যি দোষিত পৰিবেশৰ সৃষ্টি হৈছে সেইটোৰ ক্ষেত্ৰতো ব্যৱস্থা লোৱা হব। ইয়াত অন্যান্য আৰু যি বিলাক কথা উল্লেখ কৰা হৈছে—

মিঃ স্পীকাৰ : এই বিষয়ত বিভাগীয় মন্ত্ৰীয়ে কোৱা ভাল।

Shri BINAI KHUNGUR BASUMATARY : Sir, with due apology I would like to say that as per system and convention, whenever we raise a point in course of our speech, the hon'able Minister incharge is to note down the points and reply in due time. I am sorry Sir, that I would point it out to them—they are new may I draw your attention to this.

শ্ৰীবৃন্দাবন গোস্বামীঃ মই শ্ৰীকুমুদৰ টাইৰায়ৰ কথাৰহে উত্তৰ দিছো। অপ্ৰাসংগিক একো কোৱা নাই।

অধ্যক্ষ মহোদয়, বহুকেইজন সদস্যই বহুকেইটা বিষয়ৰ ওপৰত উদ্বেগ প্ৰকাশ কৰিছে। আমিও বিগত দিন বিলাকত হৈ যোৱা ঘটনা বিলাকৰ উদ্বেগ প্ৰকাশ কৰিছো। আমি সকলোৱেই উদ্বেগত ঐক্যতমত প্ৰকাশ কৰিছো। আমাৰ চৰকাৰে এই বিলাকৰ সম্পৰ্কত যথোচিত ব্যৱস্থা লব। মোৰ আৰু কবলগীয়া নাই। ইয়াকে কৈ মই সামৰণি মাৰিলো।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱাঃ মাননীয় অধ্যক্ষ মহোদয়, মই জয়জয়তে অসমৰ ৰাজ্যপাল মহোদয়ে ইয়াত যি ভাষণ দিলে তাৰ বাবে মই তেখেতলৈ ধন্যবাদ জ্ঞাপন কৰিছো আৰু মাননীয় সদস্য সকলে এই বিতৰ্কত অংশগ্ৰহণ কৰি যি বিলাক সৃষ্টিমূলক পৰামৰ্শ আগবঢ়াইছে আমি সেই বিলাক গ্ৰহণ কৰিছো। আমাৰ নতুন চৰকাৰে এই কামখিনি কৰাৰ ক্ষেত্ৰত আমাৰ বিভিন্ন দপ্তৰ সমূহৰ ক্ষেত্ৰত যি দায়িত্ব পৰিছে সেই বিলাক সততাৰে পালন কৰিম বুলি আমি প্ৰতিশ্ৰুতিবদ্ধ। আমাৰ ওপৰত যি দায়িত্ব পৰিছে সেই দায়িত্ব জনসাধাৰণৰ মংগলৰ কাৰণে আমি পালন কৰিবই লাগিব। এনেকুৱা এটা দিন আছিল যিটো দিনত টকা দিয়া হৈছিল যদিও কাম হোৱা নাছিল। মই গ্ৰাম্য উন্নয়ন, পৰিবহন, সমবায়, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দায়িত্ব মোৰ ওপৰত পৰিছে। এই বিভাগ কেইটাত সোমাই দেখিবলৈ পাইছো যে ইয়াত বিভিন্ন খেলিমেলি আছে।

গ্ৰাম্য উন্নয়ণ আচঁনিত যথেষ্ঠ টকা দিয়া হৈছে । মাননীয় সদস্য সকলৰ কিছুমানে প্ৰশ্ন কৰিছে আৰু কিছুমানে পৰামৰ্শ আগবঢ়াইছে যে ইয়াত টকা দিয়া হৈছে কিন্তু ৰাস্তা হোৱা নাই।

যোৱা বছৰ ৰেগুলেশ ন থ্ৰিএফত কিছুমান বি, ডি, অ' নিযুক্তি দিয়া হয়, যাৰ কাৰণে জনসাধাৰণৰ টকা, ৰাইজৰ বহুত লাখ টকা অপচয় হৈছে। কিন্তু আমাৰ নতুন চৰকাৰে এইটো বিচৰা নাই আৰু সেইকাৰণে অনিয়ম বিলাক নিয়মত পৰিণত কৰিবলৈ বিচাৰিছোঁ আৰু এই বি, ডি, অ' সকলক বৰ্খাস্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমাৰ ৰাজহুৱা টকাৰ অপচয় আমি বন্ধ কৰিব লাগিব, তাৰ বাবে মাননীয় সদস্য সকলে পৰামৰ্শ আগবঢ়াইছে, এই পৰামৰ্শ গ্ৰহণ কৰাৰ নিশ্চয় চৰকাৰৰ অধিকাৰ আছে। কিন্তু তাৰ লগে লগে আপোনালোকৰো দায়িত্ব আছে আপোনালোকেও নিশ্চয় এই দায়িত্ব পালন কৰিব লাগিব আগতে যি হৈ গৈছে ৰাজ্যখনৰ লাখ লাখ কোটি কোটি টকাৰ অপচয় হৈ গ'ল, জনসাধাৰণৰ ৰাস্তা—ঘাট নহল ।হাহ কুকুৰা দি মাতৃ সকলক সহায় কৰাৰ আঁচনি বিগত চৰকাৰে লৈছিল, এই মাতৃ সকলক আগুৰাই অনাৰ কাৰণে চৰকাৰে ঋণ দিব লাগিছিল, কিন্তু এই কাম বিলাকৰ ওপৰত চকু ৰখা নহ'ল অথচ যথেষ্ঠ টকা হানি হ'ল, ইয়াৰ ওপৰতো কোনো ব্যৱস্থা লোৱা হোৱা নাছিল ।

যোৱা ৬টা বছৰত বিশেষকৈ ২টা বছৰত বহু পৰিমাণৰ ৰাজহুৱা ধনৰ অপচয় কৰা হ'ল বিভিন্ন বিভাগত ইয়াৰ ওপৰতো কোনো ব্যৱস্থা লোৱা হোৱা নাছিল। ৰাজ্যপালৰ ভাষণত গ্ৰাম উন্নয়ন আৰু এটা নতুন আঁচনিৰ কথা কোৱা হৈছে। সেইটো হৈছে জনসাধাৰণক ঋণ দিয়াৰ কথা। এই ঋণৰ দ্বাৰা যাতে জনসাধাৰণ প্ৰকৃত ভাবে উপকৃত হয় সেইটোৰ কাৰণে আমাৰ তৰফৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। যোৱা কালি মাননীয় সদস্য বিনয় কুমাৰ ভাঙৰীয়াই ওদালগুৰি ব্লকৰ টকা অপচয়ৰ কথালৈ এটা প্ৰশ্ন উত্থাপন কৰিছিল। বি. এল, চি. চিৰ দটা কমিটী পাতি দিয়া হয় কিন্তু তাৰ সদস্য সকলে আচল অৰ্থত ভাল কাম নকৰে। তেনে ধৰণৰ বেয়া কামবিলাকৰ বাবে টকাৰ সদব্যৱহাৰ হোৱা নাই। আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ যে আমি টকাৰ সদব্যৱহাৰ কৰিম। আগতে কিছুমান ৰাস্তাৰ বাবে কিছুমান টকা মঞ্জুৰ কৰা হৈছিল, ৰিংওৱেল বহুৱাব বিচৰা হৈছিল, এই কথাটো আমাৰ ৰাইজে চাব লাগিব।

পৰিবহনৰ ক্ষেত্ৰত বহুত টকাৰ অপচয় কৰা হৈ গ'ল, এই বিভাগত আজিলৈ ১৮ কোটি টকা লোকচান হৈছে। মই দপ্তৰলৈয়ে ভাবিছোঁ আগতে যি অপচয় হৈ গ'ল, সেইটো আৰু হ'ব নোৱাৰে। লাভ হব লাগিব। এই ক্ষেত্ৰত নিশ্চয় আপোনালোকে সহায় কৰিব লাগিব। যোৱা ২ টা বছৰত বাছ চলিছিল, কিন্তু মানুহ উঠা নাছিল, মানুহ নউঠাকৈয়ে বাছ চলোৱা হৈছিল। আমাৰ চৰকাৰে এনেকুৱা কাম নকৰে। গঠনমূলক কাম কৰাৰ কাৰণে আমি ইয়ালৈ আহিছোঁ। বিভিন্ন ঠাইলৈ অহা যোৱাৰ অসুবিধা আছে, সেইবোৰ দূৰ কৰাৰ কাৰণে যথেষ্ট পৰিমাণে নিষ্ঠা সহকাৰে আমি চেষ্টা কৰিছো। গ্ৰাম্য উন্নয়ণ অঞ্চলত ৰাস্তা-ঘাটৰ উন্নতি নোহোৱাৰ কাৰণে পৰিবহণৰ গাড়ী যাব পৰা অৱস্থা নাই। কিন্তু এই ব্যৱস্থা যাতে আমি কৰিব পাৰো আৰু ইয়াকে কৰি ৰাইজৰ যাতে অলপ সুবিধা কৰি দিব পাৰো তাৰ বাবে আমাৰ তৰফৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিব লাগিল।

সমবায়ৰ ক্ষেত্ৰত বহুকেইজন মাননীয় সদস্যই বহুতো কথা কৈছে। মই কিন্তু এটা কথা জানিবলৈ পাইছোঁ যে বহুবিলাক শিল্পত বহুত টকা অপচয় হৈছে আৰু তাৰ বাবে এই সমবায় সমিতিসমূহ দেৱলীয়া হৈছে এই সমিতি সমূহ যাতে ভালৰ ফালে আনিব পৰা হয় তাৰ বাবে আমি যত্ন কৰিম। মই আজি আপোনালোকক জনাবলৈ পাই ভাল পাইছোঁ যে ৰাজ্যপালৰ ভাষণত এই কথা বিলাক উল্লেখ কৰা হৈছে যে শিলঘাটৰ সৰাপাট কলটো এক তাৰিখৰ পৰা চলোৱাৰ দিহা কৰা হৈছে। কোনোবা ৰাজনৈতিক চক্ৰৰ বাবে এই কলটো বন্ধ হৈ গৈছিল এই কথা আপোনালোকে নিশ্চয় জানে। এইটো পুনৰ চলোৱাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ খুবেই আগ্ৰহী আৰু তাৰ কাৰণে মই আপোনালোক সকলোৰে পৰা মূল্যবান পৰামৰ্শ বিচাৰিছোঁ।

আমাৰ খাদ্য আৰু সামগ্ৰী যোগানৰ ক্ষেত্ৰত যথেষ্ঠ খেলি-মেলি হোৱা বুলি ইতিমধ্যে কোৱা হৈছে। এইটো কেনেকৈ বন্ধ কৰিব পৰা যায় তাৰ বাবে আমি যত্ন কৰিছোঁ। সেইদিনা এজন মাননীয় সদস্যই এটা কথা উল্লেখ কৰিছিল চেনি আৰু চাউলৰ অপহৰণৰ কথা। এই ক্ষেত্ৰত যিজন বিষয়াই লোকচান কৰিছিল তেওঁৰ ওপৰত বিহিত ব্যৱস্থা লোৱাৰ কাৰণে ইতিমধ্যে আমি নগাঁৱৰ ডি, চি আৰু ডি, ডি, এছক মাতি পঠাইছিলোঁ। ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। মই আৰু এটা কথা আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে ষ্টেটফেদৰ দায়িত্বত, নগাঁৱত যিজন উচ্চ বিষয়া আছিল তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে। গতিকে, মই ভাবোঁ এনেদৰে আমি কাম বিলাক কৰি যাম। আমি এটা সৎ উদ্দেশ্য লৈ ইয়ালৈ আহিছোঁ দেশখনৰ মঙ্গলৰ বাবে. ৰাজনীতি নিকা কৰাৰ বাবে আমি সৎ উদ্দেশ্যৰে কাম কৰি যাম, দেশখন ধ্বংশ হ'বলৈ নিদিওঁ। এনেদৰে সৎভাবে কাম কৰাত আপোনালোকৰ সহায় সহযোগিতা কামনা কৰিছোঁ। আমি সকলোৱেই দেশখনৰ কল্যাণৰ বাবে কাম কৰি যাব লাগিব. চিন্তা কৰিব লাগিব। পাঁচ বছৰৰ পৰা আৰম্ভ কৰি ৮০/৯০ বছৰীয়া আবালবৃদ্ধ বনিতাই ইয়াৰ বাবে যত্ন কৰিব লাগিব, ইয়াৰ বাবে মই আপোনালোক আটাইৰে পুনৰ সহায় সহযোগিতা কামনা কৰিছোঁ। মাননীয় সদস্য সকলে ৰাজ্যপালৰ ভাষণৰ ওপৰত অংশ গ্ৰহণ কৰি আমালৈ যি সৎ পৰামৰ্শ আগবঢ়ালে তাৰ বাবে সকলোলৈকে আন্তৰিক ধন্যবাদ জনাইছোঁ।

শ্ৰীভৰত নৰহ :—অসমৰ জলসিঞ্চনৰ বিষয়ে সদস্য সকলে কৰা অভিযোগবোৰ আমি অস্বীকাৰ কৰিব নোৱাৰোঁ। ভাৰতবৰ্ষৰ ভিতৰতে অসমৰ জলসিঞ্চনৰ অৱস্থা অতি শোচনীয়। ক্ষুদ্ৰ. মজলীয়া আৰু বৃহত জলসিঞ্চন আচনিবোৰ বহুত অঞ্চলত অকাৰ্যকৰী হৈ থকা বুলি বহুত সদস্যই অভিযোগ দাঙি ধৰিছে। এই ৰাজ্যখনৰ বিভিন্ন অঞ্চলত এই আচনি সমূহ অকাৰ্যকৰী হৈ থকা কথাটো মিছা নহয়। তেনে আচনি বহুত ঠাইত

অকাৰ্য্যকৰী হৈ আছে। আমাৰ বৃহত্তৰ জলসিঞ্চন আঁচনি ধনশিৰী আৰু চম্পাৱতী আঁচনি শেষ কৰাত যথেষ্ট পলম হৈছে আৰু বৰ দীঘলীয়া সময় লৈছে। সেই কাৰণেই মই আপোনালোকক প্ৰতিশ্ৰুতি দিছো এই জলসিঞ্চন আঁচনিবোৰ কিয় অকাৰ্যকৰী হৈ আছে আৰু জনসাধাৰণক বিশেষকৈ খেতিয়কক পানী যোগান কিয় ধৰিব পৰা হোৱা নাই এই বিষয়ে শীঘ্ৰে তদন্ত কৰিম। মই ব্যক্তিগত ভাৱে চাই তদন্তৰ ব্যৱস্হা কৰিম। তাৰোপৰি ধনশিৰী আৰু চম্পাৱতী জলসিঞ্চন আঁচনিত কিয় দীঘলীয়া সময় হৈছে তাৰো তদন্ত কৰিম বুলি ভাবিছোঁ।

বানপানী নিয়ন্ত্ৰনৰ সমস্যাৰ কথাও বহু সদস্যই কৈছে, অসমত বানপানী গৰাখহনীয়াৰ সমস্যাৰ কথা সকলোৱে জানে । সেই কাৰণেই বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত অৱশ্যে এইখিনিতে এটা কথা কৈ থোৱা ভাল হব যে ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণৰ কাৰণে ৰাজ্য চৰকাৰে অনুদান নিদিয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰাহে অনুদান দিয়া হয় । চেণ্ট্ৰেল লোণ এচিচটেণ্টৰ যোগেদি এই অনুদান দিয়া হয় । উদাহৰন স্বৰূপে কামৰূপ আৰু বৰাক উপত্যকাৰ বান বিধস্ত অঞ্চলৰ বাইজৰ ক্ষতিপূৰণ দিবৰ কাৰণে ২৮ কোটি টকা আমাৰ বিভাগৰ পৰা বিচৰা হয় । আকৌ এই টকা দিয়াৰ যুক্তিযুক্ততা আছেনে নাই ইয়াক পৰীক্ষা কৰিবৰ কাৰণে কেন্দ্ৰৰ পৰা দল আহে এই দলটোৱে দিল্লীলৈ ঘূৰি গৈ ইয়াৰ যুক্তিযুক্ততা আছে বুলি কয় । কিন্তু অতি দুখৰ কথা যে এই বানবিধস্ত অঞ্চলৰ ক্ষতিপূৰণৰ টকা হিচাপে এতিয়ালৈ মাত্ৰ ৯ ।। (চাৰে ৯ কোটি) কোটি টকাহে মাত্ৰ অনুদান হিচাপে দিছে । অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ এটা অতি ডাঙৰ নদী, ইয়াৰ শদিয়াৰ পৰা ধুবুৰীলৈকে খহনীয়াত পৰে প্ৰায় প্ৰতিটো অঞ্চল । আপোনালোকক এটা কথা জনাই থওঁ যে ৰাজ্যখনে বানপানীৰ ওপৰত (টেকনিকেল কমিটিয়ে) মাত্ৰ ৬০ লাখ টকাহে দিব পাৰে । ইয়াৰ বেছি হলেই চেণ্ট্ৰেল কমিটিলৈ পঠিয়াব লাগে। যোৱা বানপানীত পলাশবাৰীত কেন্দ্ৰৰ পৰা অনুদান দিয়ে মাত্ৰ ১২·৯৪ টকা। তাৰে ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে । লগতে আৰু বছেৰেকীয়া ভিত্তিত ৫ কোটি টকাৰ কাম আৰম্ভ কৰিছে । অতি দুখৰ কথা যে আমাৰ মুকালমুৱা আৰু মৰিয়াহোলাৰ আঁচনি সম্পৰ্কীয় তথ্য পাতি কেন্দ্ৰলৈ পঠিয়াই দিয়া হৈছে যদিও এতিয়ালৈ কেন্দ্ৰৰ পৰা আমি একো জানিবলৈ পোৱা নাই । সেইবোৰ চেণ্ট্ৰেল ওৱাটাৰ কমিটীত পৰি আছে । মাননীয় সদস্য সকলক মই জনাব খোজো যে অহা ৪ তাৰিখে আমাৰ মূখ্যমন্ত্ৰী ডাঙৰীয়া দিল্লীলৈ যাব আৰু তাত অসমৰ বান নিয়ন্ত্ৰণ সমস্যা সম্পৰ্কে আলোচনা কৰিব । এই বিষয়ে মই তেখেতক অনুৰোধ কৰিছোঁ। তেখেতক সহায় কৰিবৰ কাৰণে জলসিঞ্চন বিভাগৰ সচিব আৰু বান নিয়ন্ত্ৰণ বিভাগৰ সচিবক লগত যাবলৈ কৈছো। মূখ্যমন্ত্ৰী মহোদয় দিল্লীলৈ গৈ আলোচনা কৰি অহাৰ পিচত কিছু সমস্যা আতৰ হব বুলি ভাবিছোঁ। বাননিয়ন্ত্ৰন আৰু জলসিঞ্চনৰ বিভিন্ন সমস্যাৰ ওপৰত বহু কথা কৈ জানিবলৈ দিয়াৰ কাৰণে সদস্য সকলৈ ধন্যবাদ জ্ঞাপন কৰি মই সামৰণী মাৰিছোঁ।

শ্ৰীসুৰেন মেধি :—মাননীয় অধ্যক্ষ মহোদয়, জয় জয়তে মই যোৱা ১০ জানুৱাৰী তাৰিখে দিয়া ৰাজ্যপালৰ ভাষণক সমৰ্থন জনাইছোঁ। ইয়াৰ বিভিন্ন শিতানৰ ভিতৰত এটা শিতান আছিল আৰু মই আচৰ্য্যবোধ কৰিছোঁ যে এই শিতানৰ বিষয়টোৰ সম্বন্ধে কোনেও আলোচনা নকৰিলে বা তৰ্ক বিতৰ্কও নহল। সেইটো হল আইন আৰু ন্যায় পালিকাৰ কথা। এই বিষয়ে বহু কথা কবলৈ আছিল এই বিষয়া সকল হল দণ্ডাধীশ আৰু ন্যায় পালিকা বিষয়া। আমি ইমান দিনে শুনি আহিছিলোঁ বা দেখি আহিছোঁ যি সকল এক্সিকিউটিভ মেজিস্ট্ৰেৰ বা তেনে ধৰণৰ বিষয়া থাকে তেওঁলোকৰ বাসভৱন দিয়া হয়। কিন্তু ন্যায় পালিকা সকলৰ বাস ভৱন দিয়া নহয়। বহু কষ্ট কৰি তেওঁলোক থাকিবলগীয়া হয়। উপায়ুক্তৰ পিচতে জিলাৰ চেচন জাজ উচ্চ প্ৰধান বিষয়া, কিন্তু

উপায়ুক্তৰ কাৰণে এটা ডাঙৰ বাংলা দিয়া হয় যদিও আজ সকলক বহু জিলাত দেখিছোঁ বাস ভৱন দিয়া নহয়। এই ডিচক্ৰিমিনেচন চলি আছিছে মই আশা কৰিছিলো সদস্য সকলে এই বিষয়ে কব।

Shri ARDHENDU KUMAR DEY : There is a point of order Sir. From the Congress (I) Bench one Hon'ble member discussed this matter

Shri ALTAF HUSSAIN MAZUMDAR : Mr. Speaker Sir, Shri Gautam Roy raised tis question. Now, let the Law Mnister say what he wanted to do.

শ্ৰীজয় নাথ শৰ্ম্মা ঃ—অধ্যক্ষ মহোদয়, মাননীয় গৌতম ৰয় ডাঙৰীয়াই কৈছিল যদিও সদনক পতিয়ন যাব পৰাকৈ কব পৰা নাছিল।

শ্ৰীসুৰেন মেধি ঃ—এই বিলাক খেলি মেলি উঠাই দিয়াব ব্যৱস্থা কৰিব লাগিব। আৰু আমিয়েই এই বিলাক নোহোৱা কৰিবলৈ চেষ্টা কৰিম। ইংৰাজীত এই শিতানত বহু টকা দিয়া বুলি কেন্দ্ৰৰ পৰা আমি শুনি আছিছোঁ কিন্তু কাৰ্য্যতঃ এক দেখিবলৈ পোৱা নাই। সেই কাৰণে সদস্য সকলক অনুৰোধ কৰিছোঁ এই ক্ষেত্ৰত কিবা উপদেশ আদি আগবঢ়ালে আমি সেই বোৰ চাললৈ চেষ্টা কৰিম। সকলোলৈকে ধন্যবাদ জনাই মই সামৰণী মাৰিছোঁ।

শ্ৰীনীলমণি দাস ঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰ্গই এই বিধান সভাৰ চলিত অধিবেশনত ৰাজ্যপালৰ ভাষণৰ ওপৰত কৃষি সম্পৰ্কত দুই এটা কথাকৈ অৱতাৰনা কৰাৰ কাৰণে মই তেখেত সকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ৰাজ্যপালৰ ভাষণত কৃষি উন্নয়নৰ সম্পৰ্কত ৰাজ্যৰ ধান উৎপাদন আৰু আন আন যি বোৰ উন্নত পদ্ধতিৰে কৃষি আচনি আছে সেই বোৰৰ বহল প্ৰচাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

আমি আশা ৰাখিছো যে, উপৰোক্ত আঁচনিবোৰৰ সফল ৰূপায়ণ কৰাৰ যোগেদি অসমৰ যি পুৰণিকলীয়া কৃষি ব্যৱস্থা তাৰ অৱসান ঘটাই ইয়াক এটা নতুন দিশলৈ আগবঢ়াই নিবলৈ সক্ষম হম আৰু নতুন উৎপাদনৰ আহিলা হিচাবে ব্যৱহাৰ কৰিবলৈ সুবিধা পাম । যোৱা কেইবছৰত আমাৰ যি উৎপাদনৰ হাৰ আছিল সেই উৎপাদনৰ হাৰ খুউব বেচি পৰিমাণে বাঢ়ি পোৱা নাই । ধানৰ ক্ষেত্ৰত এই হাৰ কিছু বাঢ়িছে । কিন্ত সেইবোৰ বৰ আশাপ্ৰদ নহয় । অৱশ্যে আজিলৈকে অসমৰ কৃষি জগতত ধানৰ ওপৰতেই আমি বিশেষ গুৰুত্ব দি আহিছো আৰু আন আন শস্য সমূহ যেনে অৰ্থকৰী শস্য সমূহক আমি এতিয়ালৈকে স্বীকৃতি জনাব পৰা নাই । সেয়েহে ৰাজ্যপালৰ ভাষণৰ ওপৰত তেখেতসকলে কেইটামান অৰ্থকৰী শস্য উন্নতকৰণৰ কাৰণে যি মৰা-মত ঘোষণা কৰিছে তাক মই সাদৰেৰে সম্ভাষণ জনাইছো । আমাৰ মাননীয় সদস্য এজনে কৃষি ক্ষেত্ৰৰ ওপৰত কেইটামান সমস্যাৱলীৰ বিষয়ে অভিযোগ আনিছিল । তেখেতে এটা কথা কৈছিল যে আমাৰ যিবোৰ খেতি পথাৰ আছে, সেই খেতি পথাৰত যি বোৰ গছ-গছনী আছে সেই গছ-গছনীবোৰ মৰি যায় আৰু তাক উপযুক্ত ভাবে আমি প্ৰতিকাৰ কৰিবলৈ সক্ষম নোহোৱা আৰু তাৰ বাবে যিখিনি দৰব-পাতি চতিয়াব লাগে সেই দৰব পাতি চতিয়াবলৈ আমাৰ বিভাগ সক্ষম হোৱা নাই। কিন্ত আমাৰ কৃষি বিভাগৰ যিটো নীতি, যিখিনি আঁচনি সেই আঁচনি অনুসৰি ওপৰোক্ত গছ-গছনীবোৰ ৰক্ষা কৰিব পৰাকৈ

নিৰ্দিষ্ট কাৰ্য্যক্ৰম আছে আৰু তেনেকুৱা কাৰ্য্যক্ৰম বাস্তৱত পৰিণত হোৱা নাই তেনেহলে সেইখিনি প্ৰশাসনীয় পৰিচালনাৰ কাৰণেহে হোৱা নাই। তেনে বিষয়ে আমাৰ দৃষ্টিগোচৰ কৰিলে আমাৰ চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা লব। কৃষি সম্পৰ্কত মাননীয় সদস্য সকলে আৰু এটা কথা দৃষ্টিগোচৰ কৰিছে সেইটো হ'ল কৃষি বিভাগে আজিলৈকে বহুতো ক্ষেত্ৰত সময় মতে বীজ যোগান ধৰিব পৰা নাই আৰু সময় যোৱাৰ পাচতহে বীজ খেতিয়কৰ ওচৰলৈ পঠায়। এই সন্দৰ্ভত অনতিবিলম্বে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হব আৰু আমাৰ খেতিয়ক সকলে যাতে ভৱিষ্যতে সময় মতে বীজ পায় তাৰ বাবে এক কাৰ্য্যসূচী লবলৈ আশা কৰিছো। লগতে মাননীয় সদস্য সকলে মৰাপাট খেতিৰ কাৰণে গুৰুত্ব দিয়াৰ কথা কৈছে। কিন্তু এই বোৰ খেতিত আগৰ পৰাই গুৰুত্ব দি থকা হৈছে। তথাপিও আগেয়ে নকৰা খেতি অসমৰ কৃষি জগতলৈ আনিবৰ কাৰণে আমি বিশেষ আঁচনি প্ৰবৰ্ত্তন কৰা কথা ৰাজ্যপালৰ ভাষণত অনাৰ কাৰণে ধন্যবাদ জনাইছো।

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙগা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পদ্ম নাথ কৈৰী, দ্বিপেন তাঁতী, নৰেণ তাঁতী আদি সদস্য সকলে এই সদনৰ ৰাজ্যপালৰ ভাষণতৰ ওপৰত বক্তব্য ৰাখোতে চাহ বাগিচাৰ চাহ মজদুৰ সকলৰ উন্নয়নৰ কিছুমান কথা কৈছিল আৰু সেই মৰ্মে মই ৰাজ্যপালৰ ভাষণত চাহ মজদুৰৰ ওপৰত লিখা শৰীতো আকৌ গাই দিব বিচাৰিছো "উন্নয়নৰ আঁচনি সমূহে চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱা সকলক সম্পূৰ্ণকৈ সামৰি লোৱাটো চৰকাৰে সুনিশ্চিত কৰিব।" এনে অনুষ্ঠান এই ক্ষেত্ৰত চৰকাৰৰ দায়িত্ব আহি পৰিছে আৰু মই সুনিশ্চিত কৰি দিও যে চৰকাৰে এই ক্ষেত্ৰত দায়িত্ব পালন কৰিব। মাননীয় সদস্য পদ্ম নাথ কৈৰী ডাঙৰীয়াই কৈছিল যে ৫।৬ হাজাৰতকৈও অধিক চাহ বাগিচাৰ লোক নিবনুৱা হৈ আছে। চাকৰিৰ ক্ষেত্ৰত ইয়াত এটা স্পষ্ট ভাবে কৈছে যে "আত্ম সংস্থাপনৰ ওপৰত অধিকতৰ গুৰুত্ব দিয়া হৈছে আৰু ইয়াৰ বিকাশৰ বাবে বিস্তৃত ব্যৱস্থা লোৱা হব। চৰকাৰে অসংগঠিত খণ্ডৰ শ্ৰমিকৰ প্ৰতি সমান মনযোগ দিব। অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে শ্ৰমিকৰ প্ৰতি শ্ৰমিক সকলৰ মাজত সচেতনতা সৃষ্টিৰ আঁচনিলৈ সমৰ্থন আগবঢ়োৱা হব। নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ কাম-কাজ পৰ্য্যালোচনা কৰা হব। গতিকে দেখা যায় এই যে চাহ শ্ৰমিক সকলৰ মাজত একতা আৰু সচেতনতা সৃষ্টি কৰাৰ দায়িত্ব চৰকাৰৰ আছে। এই ক্ষেত্ৰত যি কৰণীয় সেইটো কৰিব। তাৰ পাচত মাননীয় সদস্য দ্বিপেন তাঁতী ডাঙৰীয়াই টি প্লেনটেচন এক্টৰ এখন সংশোধনী আনিবৰ কাৰণে উপদেশ দিছিল। তাৰ কাৰণে তেখেতক ধন্যবাদ দিছো। এই ক্ষেত্ৰত মই কওঁ যে যোৱা বিগত বছৰ কেইটাত চাহ বাগিচাৰ পৰা চাহ শ্ৰমিকৰ ৬।৭ জন প্ৰতিনিধি এই বিধান সভালৈ আহিছিল। তেওঁলোক ট্ৰেড ইউনিয়নিষ্ট আছিল। কিন্তু এতিয়া যি সকল মাননীয় সদস্য নৰেণ তাঁতী, মাননীয় সদস্য গোৱালা, দ্বিপেন তাঁতী আৰু মই ট্ৰেড ইউনিয়নিষ্ট নাছিলো, আমি কেৱল ছাত্ৰ নেতাহে আছিলো। এতিয়া যদি চাহ বাগিচাৰ চাহ শ্ৰমিক সকলৰ মাজত এই প্লেনটেচন এক্টে কোনো কোনো ক্ষেত্ৰত চাহ শ্ৰমিকৰ গণতান্ত্ৰিক দিশত বাধাগ্ৰস্ত হৈ থাকে বা বাধা দিছে সেই বিলাক আমি পৰ্য্যালোচনা কৰি চালি-জাৰি চাই আৱশ্যক হলে সংশোধনী যদি আহে মানি লোৱা হব। যিহেতু উন্নয়নৰ আঁচনি সমূহত চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱা সকলক সম্পূৰ্ণকৈ সামৰি লোৱা কথাটো ৰাজ্যপালৰ ভাষণত স্পষ্ট হৈ আছে তেনে ক্ষেত্ৰত চাহ শ্ৰমিক সকলৰ ভৱিষ্যত উন্নতিকল্পে মাননীয় ৰাজ্যপালৰ ভাষণটি যেন মাননীয় সদস্য সকলে গ্ৰহণ কৰে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়,

মাননীয় সদস্য মণ্ডলী,

ৰাজ্যপালৰ ভাষণ প্ৰসংগত হোৱা বিতৰ্কৰ সন্দৰ্ভত মাননীয় সদস্য সকলে সদনত দিয়া বিভিন্ন দিহা-পৰামৰ্শৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু তেখেত সকলৰ বক্তব্যৰ ওপৰত দুআষাৰ কবলৈ প্ৰয়াস কৰিছোঁ। সদস্য সকলৰ সকলো বক্তব্যৰ ওপৰত দিয়া ভাবে উত্তৰ দিব নোৱাৰিলেও যিমানদূৰ পৰা যায় উত্তৰ দিবলৈ চেষ্টা কৰা হৈছে।

আমাৰ চৰকাৰে বিভিন্ন বিষয়ত গ্ৰহণ কৰিব খোজা নীতি সমূহৰ বিষয়ে সামাজিক ভাবে ৰাজ্যপালৰ ভাষণত উনুকিওৱা হৈছে। ইয়াৰ উপৰিও মাননীয় সদস্য-সকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰত দিয়া চৰকাৰী পক্ষৰ ভাষণ সমূহত চৰকাৰৰ নীতি স্পষ্ট-ভাৱে প্ৰতিফলিত হৈছে।

ৰাজ্যপালৰ ভাষণৰ ওপৰত গ্ৰহণ কৰিব খোজা ধন্যবাদ সূচক প্ৰস্তাৱ গতানুগতিক বিধিৰ অন্তৰ্ভূক্ত হলেও এই প্ৰস্তাৱৰ এক সুকীয়া তাতপৰ্য্য নথকা নহয়। ঐতিহাসিক অসম চুক্তিৰ কথা যাতে বাকী আমি এই আত্পৰ্য্যৰ কথা উল্লেখ কৰিব পাৰোঁ। অসমৰ সমস্যা ৰাষ্ট্ৰীয় সদস্য আৰু ইয়াৰ লগত অসমৰ জনগণৰ আশা-আকাংক্ষা আৰু দেশৰ ভৱিষ্যত জড়িত হৈ আছে। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বৰ্ত্তমান ৰাজ্যপাল গৰাকীয়ে সাংবিধানিক দায়বদ্ধতাৰ মাজত থাকিও অসমৰ এই ৰাষ্ট্ৰীয় সমস্যাৰ ওপৰত মনোনিৱেশ কৰা আৰু সমস্যা সমাধানৰ ক্ষেত্ৰত লোৱা সাৰ্থকে ভূমিকা নিশ্চয় প্ৰসংশনীয়। ৰাজ্যৰ প্ৰধান হিচাপে অসমবাসীৰ প্ৰতি তেখেতৰ গভীৰ সহানুভূতি আৰু ৰাজ্যপালৰ সমস্যাৰ যথাযথ উপলব্ধিয়ে ৰাজ্যপালৰ সাংবিধানিক দায়িত্বক উচিত মৰ্য্যাদাহে দিলে। গণতান্ত্ৰিক পদ্ধতিৰ প্ৰতি থকা সমানৰ বাবেহে তেখেতে নিজক অসমৰ ৰাষ্ট্ৰীয় সমস্যাৰ সতে জড়িত কৰিব পাৰিছে। অসমৰ ৰাইজৰ দ্বাৰা নিৰ্ব্বাচিত এই সদনে নিশ্চয় ইয়াৰ বাবে তেখেতৰ দ্বিধাহীন ভাৱে ধন্যবাদ জ্ঞাপন কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপন কৰি মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই অসম চুক্তিৰ ৰূপায়ণ আৰু বিভিন্ন চৰকাৰী বিভাগৰ দুৰ্নীতি নিমূল সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শ প্ৰশংসনীয় আৰু এই দিশত দৃঢ় কাৰ্য্য ব্যৱস্থা হাতত লবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেখেতে উল্লেখ কৰা মূল শিল্পোদ্যোগ সমূহ পুনৰ জীৱিত কৰি তোলাৰ সম্পৰ্কে ইতিমধ্যে হাতত লোৱা হৈছে। নিবনুৱা সমস্যা সমাধানৰ বাবে বিশেষকৈ কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগ প্ৰতিষ্ঠাৰ সমূহত থলুৱা লোকৰ নিয়োগ সম্পৰ্কে চৰকাৰে নিশ্চয় ফলপ্ৰসূ ব্যৱস্থা হাতত লব। আগৰ চৰকাৰে চলোৱা পুলিচ নিৰ্য্যাতনৰ অবসান ঘটোৱা হৈছে আৰু ইয়াৰ পুণৰাবৃত্তি হবলৈ দিয়া নহব।

মাননীয় সদস্য শ্ৰীদেৱ কুমাৰ বৰাই ধন্যবাদসূচক প্ৰস্তাৱ সমৰ্থন কৰি দিয়া বিবৃতিত উল্লেখ কৰিছে যে অসম ৰাজ্যিক বিদ্যুত পৰিষদে ৰাজ্যখনত বিশেষকৈ গাওঁ অঞ্চলত আৱশ্যকীয় পৰিমানৰ শক্তিৰ যোগান ধৰাত ব্যৰ্থ হৈছে। এই ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰ সম্পূৰ্ণ সচেতন আৰু এই পৰিস্থিতিৰ উন্নতিৰ বাবে যথোপযুক্ত ব্যৱস্থা হাতত লোৱা হব। মাননীয় সদস্য গৰাকীয়ে বঙাইগাও ৰিফাইনেৰী আৰু পেট্ৰকেমিকেলৰ পেট্ৰলিয়াম জাত দ্ৰব্যৰ পৰা গৰাকীয়ে বঙাইগাও ৰিফাইনেৰী আৰু ইলেকট্ৰনিক উদ্যোগ সম্প্ৰসাৰণৰ বাবে লিখা পৰামৰ্শ চৰকাৰে বিবেচনা কৰি আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব। ইয়াৰ উপৰিও ইণ্ডিয়ানইনষ্টিটিউট অব টেকনলজী এখন অসমত প্ৰতিস্থাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা হাতত লোৱা হৈছে।

ৰাজ্যপালৰ ভাষণৰ তীব্ৰ সমালোচনা কৰি মাননীয় সদস্য গোলাম ওচমানিয়ে ইয়াক শৰ্ত-বিৰোধী বুলি উল্লেখ কৰে । তেখেতে উল্লেখ কৰা মতে অসম চুক্তিৰ ৰূপায়ণৰ ক্ষেত্ৰত সংখ্যালঘু সকলৰ কোনো আশংকা থকাটো যুক্তিসংগত নহয় । কিয়নো এই চুক্তিৰ ৰূপায়নৰ ফলত প্ৰকৃত বিদেশী নাগৰিকহে বহিস্কৃত হব আৰু ইয়াৰ দ্বাৰা কোনো ভাৰতীয় নাগৰিক বিপৰ্য্যস্ত নহব । অসমত যোৱা সাধাৰণ নিৰ্বাচন সুকলমে আৰু শান্তিপূৰ্ণভাৱে সমাপ্ত হল । নিৰ্বাচনী প্ৰক্ৰিয়াত কোনো ধৰণৰ দুৰ্নীতিমূলক ব্যৱস্থা অৱলম্বনৰ কথা চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই ।

মাননীয় সদস্য শ্ৰীহেমেন দাসে ৰাজ্যপালৰ ভাষণত ভূমি সংস্কাৰ, চিলিং আইনৰ দ্বাৰা অধিগ্ৰহীত মাটিৰ বিতৰণ আৰু কল-কাৰখানা সমূহৰ সুচাৰু পৰিচালনাৰ কথা উল্লেখ নথকাৰ বাবে আক্ষেপ কৰিছে । এই বিষয় সমূহ নিৰ্দ্দিষ্টভাৱে উল্লেখ নাথাকিলেও এই সংক্ৰান্তত চৰকাৰে প্ৰগতিশীল ব্যৱস্থা হাতত লব । অসম চুক্তি সম্পূৰ্ণভাৱে ৰূপায়ণ কৰিবলৈ আমাৰ চৰকাৰৰ প্ৰতিজ্ঞাবদ্ধ আৰু এই ক্ষেত্ৰত মাননীয় সদস্যই কিছু অংশ ৰূপায়ন নকৰিবলৈ দিয়া পৰামৰ্শ গ্ৰহণযোগ্য নহয় । দুৰ্নীতিৰ গোচৰ তদন্তৰ বাবে চৰকাৰে আৱশ্যকীয় প্ৰশাসনৰ ব্যৱস্থা হাতত লব আৰু বৰ্ত্তমান ইয়াৰ বাবে সদস্য সকলৰ দ্বাৰা এক সমিতি গঠন কৰাৰ প্ৰয়োজন নাই বুলি ভাৱে ।

মাননীয় সদস্য শ্ৰীবি,কে, বসুমতাৰীয়ে ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধিতা কৃষি পৰামৰ্শ আগবঢ়ায় যে আন্দোলনৰ সময়ত গহপুৰ অঞ্চলত ক্ষতিগ্ৰস্ত হোৱা জনজাতীয় লোকক সাহাৰ্য প্ৰদানৰ কথা ৰাজ্যপালৰ ভাষণত সংযোজন কৰিব লাগে । আমাৰ চৰকাৰে ভাৱে যে ইয়াৰ কোনো প্ৰয়োজন নাই কিয়নো ক্ষতিগ্ৰস্ত হোৱা সকলো শ্ৰেণীৰ লোকক আৱশ্যকীয় সাহাৰ্য্য প্ৰদানৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে ।

মাননীয় সদস্য শ্ৰীচিলডিয়াচ কন্দপানে প্ৰস্তাৱৰ বিৰোধিতা কৰি উল্লেখ কৰে যে ৰাজ্যপালৰ ভাষণত কুৰিদফীয়া আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত উল্লেখ হোৱা উচিত আছিল । কুৰিদফীয়া আঁচনি বুলি উল্লেখ নকৰিলে ও চৰকাৰৰ অৰ্থনীতি সমূহৰ স্পষ্ট ইঙ্গিত ৰাজ্যপালৰ ভাষণ দিয়া হৈছে ।

মাননীয় সদস্য শ্ৰীময়িদুল ইচলাম বৰাই আগবঢ়োৱা পৰামৰ্শৰ উত্তৰত কব পাৰি যে চৰকাৰে আইন শৃংখলাৰ ব্যৱস্থা অব্যাহত ৰখাৰ বাবে আৰু অসম চুক্তি ৰূপায়ণৰ বাবে তৎকালীন ব্যৱস্থা হাতত লৈছে ।

মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰীয়ে চৰকাৰী খাম মাটি আৰু বনবিভাগৰ মাটিত ব্যাপক বে-দখল হোৱাৰ অভিযোগ আনিছে আৰু এই কথা ভাষণত উল্লেখ নথকা বাবে আক্ষেপ কৰিছে । এই বিষয়ে চৰকাৰ সম্পূৰ্ণ সজাগ আৰু ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা হাতত লোৱা হব ।

মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰীয়ে অসম চুক্তিক সমৰ্থন কৰি আৰু ইয়াৰ ৰূপায়নৰ ক্ষেত্ৰত বনবিভাগ আৰু ট্ৰাইবেল বেল্টৰ বেদখলী উচ্ছেদৰ বাবে দিয়া পৰামৰ্শ চৰকাৰে সাদৰে গ্ৰহণ কৰিছে । চালাকাটিত থকা অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ থাৰ্মেল প্ৰজেক্টৰ আসোঁৱাহ সমূহ দূৰীকৰণৰ বাবে উপযুক্ত ব্যৱস্থা অতি সোনকালে হাতত লোৱা হব ।

মাননীয় সদস্য শ্ৰীঅভিজিত শৰ্মাই আগৰ চৰকাৰৰ দিনত পংকাত সাতজন নিৰীহ লোকক হত্যা কৰাৰ অভিযোগ তদন্তৰ কথা উল্লেখ কৰে । এই বিষয়ে চৰকাৰে নিশ্চয় তদন্ত কৰাই প্ৰকৃত দোষীৰ বিচাৰৰ ব্যৱস্থা কৰিব ।

মাননীয় অধ্যক্ষ মহোদয়,

মাননীয় সদস্য শ্ৰীআলতাক হুছেইন মজুমদাৰে ৰাজ্যপালৰ ভাষণত কুবিদফীয়া আঁচনিৰ উল্লেখ নথকাৰ বাবে আক্ষেপ কৰাৰ সন্দৰ্ভত জনাব খোজোঁ যে ইয়াৰ উত্তৰ আন এগৰাকী মাননীয় সদস্যৰ বক্তব্যৰ উত্তৰত আগতে দিয়া হৈছে। মাননীয় সদস্য গৰাকীয়ে তেখেতৰ ভাষণত ৩ (চ) বিধিমতে আগৰ চৰকাৰে নিয়োগ কৰা খণ্ড উন্নয়ন বিষয়া সকলক বৰ্খাস্ত কৰাৰ বাবে এই চৰকাৰক দোষাৰোপ কৰিছে। এই ক্ষেত্ৰত আমি দুখেৰে সৈতে জনাব খোজোঁ যে আগৰ চৰকাৰে উদ্দেশ্য প্ৰণোদিত ভাৱে যথেমধে উক্ত নিযুক্তি সমূহ দিছিল আৰু সেয়েহে ৰাজহুৱা স্বাৰ্থৰ খাতিৰত খণ্ড উন্নয়ন বিষয়া সকলক বৰ্খাস্ত কৰিব লগীয়া হ'ল। অসম লোক সেৱা আয়োগে উক্ত পদসমূহৰ বাবে প্ৰাৰ্থী নিৰ্ব্বাচন কৰোতে আন প্ৰাৰ্থীৰ লগত এই সকল লোকেও বাচনি পৰীক্ষা দিয়াৰ সুবিধা নিশ্চয় পাব।

মাননীয় সদস্য চাহিদুল ইচলামে জাতীয় সংহতি সমিতি গঠনৰ বাবে দিয়া পৰামৰ্শ চৰকাৰে বিবেচনা কৰি ব্যৱস্থা লব। বৰপেটাৰ বানপীড়িত ৰাইজৰ নিম্ন মানৰ সাহাৰ্য্য সামগ্ৰী দিয়াৰ অভিযোগৰ বিষয়ে অনুসন্ধান কৰা হব।

মাননীয় সদস্য শ্ৰীমতী জ্যোতস্না সোনোৱাল, আৰু মাননীয় সদস্য শ্ৰীবৰীণ শইকীয়া, শ্ৰীকিৰণ গগৈ, শ্ৰীউমেশ চন্দ্ৰ দাস, শ্ৰীপ্ৰফুল্ল গোস্বামী, শ্ৰীদুৰ্গাদাস বড়ো আৰু শ্ৰীপ্ৰদীপ হাজৰিকাই ধন্যবাদ সূচক ভাষণ সমৰ্থন কৰি আগবঢ়োৱা গঠনমূলক পৰামৰ্শ সমূহ চৰকাৰে ধন্যবাদ সহকাৰে গ্ৰহণ কৰিছে।

মাননীয় সদস্য শ্ৰীআব্দুল হামিদে প্ৰাইমেৰী স্কুল, সাহাৰ্য্যপ্ৰাপ্ত কলেজ আৰু প্ৰাপ্তবয়স্কৰ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শ সমূহ চৰকাৰে বিবেচনা কৰি গ্ৰহণ-যোগ্য ব্যৱস্থা হাতত লব।

মাননীয় সদস্য শ্ৰীস্বৰূপ উপাধ্যায়ে পুৰণিকলীয়া মঠ-মন্দিৰ আৰু স্মৃতি চিহ্ন সংৰক্ষণৰ বাবে আগবঢ়োৱা পৰামৰ্শ চৰকাৰে বিবেচনা কৰি উপযুক্ত ব্যৱস্থা লব। চাহ বাগিছাৰ বনুৱা সকলৰ শিক্ষিত ল'ৰা-ছোৱালীৰ কৰ্ম্মসংস্থানত চৰকাৰে মনোনিবেশ কৰিব।

মাননীয় সদস্য শ্ৰীমুক্তাৰ হুছেইনে ভোটাৰ তালিকাৰ বিজুতিৰ সম্পৰ্কত অনা অভিযোগ তথ্য ভিত্তিক নহয়।

কৃষিৰ ক্ষেত্ৰত সৰ্ব্বাংগীন উন্নয়নৰ বাবে মাননীয় সদস্য শ্ৰীমকবুল হুছেইনে আগবঢ়োৱা পৰামৰ্শ সমূহ চৰকাৰে যথোচিত ভাৱে বিবেচনা কৰিব। ৰাজ্যপালৰ ভাষ-ণত বিতংভাৱে বৰ্ণনা নকৰিলেও কৃষিৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰাৰ স্পষ্ট ইংগিত আছে।

মাননীয় সদস্য শ্ৰীগোবিন্দ্ৰ কুমাৰ বৰুৱা, শ্ৰীফণীৰাম টায়েং শ্ৰীকমলা কলিতা, শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰীভবেন্দ্ৰ নাথ ভৰালী, শ্ৰীদিলীপ কুমাৰ শইকীয়াই আগ-বঢ়োৱা গঠনমূলক পৰামৰ্শৱলী চৰকাৰে বিবেচনা কৰি উপযুক্ত ব্যৱস্থা লব।

মাননীয় সদস্য শ্ৰীআব্দুল মুহিব মজুমদাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কত অংশ গ্ৰহণ কৰি ৰাজ্যপালৰ ভাষণত সংখ্যালঘু সকলৰ সমস্যাৰ কথা উল্লেখ নথকাৰ লগতে সংখ্যালঘুসকলৰ মনৰ পৰা ভয় বা শংকাৰ ভাব দুৰ্চোৱাৰ কাৰণে কোনো কথা কোৱা নাই বুলি আক্ষেপ কৰিছে। আনহাতে অসমৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত সম্পৰ্কৰ উন্নতি সাধনৰ বাবেও একো কথাৰ উল্লেখ নাই বুলি কৈছে। মাননীয় সদস্য গৰাকীৰ এই বক্তব্যৰ সন্দৰ্ভত কব খোজো যে ৰাজ্যখনৰ সকলো সংখ্যালঘু সম্প্ৰদায়ৰ লোকৰ সমস্যা সমূহৰ প্ৰতি এই চৰকাৰে দৃষ্টি ৰাখিছে আৰু সেইবোৰৰ সমাধানাৰ্থে চৰকাৰে সদায় পাৰ্য্যমানে চেষ্টা কৰিব। সংখ্যালঘু সকলে মনত কোনো ভয় বা আংকাৰ ভাব পোষণ কৰাৰো কোনো থল নাই। অসমৰ সকলো শ্ৰেণীৰ লোকৰ মাজত শান্তি আৰু ঐক্যৰ বান্ধোন সুদৃঢ় কৰি ৰখাত এই চৰকাৰ সদায় সচেষ্ট হৈ থাকিব।

মাননীয় সদস্য শ্ৰীআমিনুল ইছলামে অসম বাংলাদেশ সীমান্তত অনুপ্ৰবেশ আৰু অপৰাধ ৰোধ কৰাৰ হকে যিবোৰ পৰামৰ্শ দিছে সেই সম্পৰ্কে জনাও যে এই সিধান্ত সম্পৰ্কীয় যথাযথ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰি থকা হৈছে। দক্ষিণ শালমৰা মানকাচাৰ মহকুমাৰ প্ৰশাসনীয় সদৰ স্থাপন সম্পৰ্কত আৰু চৰ উন্নয়ন সম্পৰ্কত তেখেতে দিয়া পৰামৰ্শ বিবেচনা কৰি যথাযথ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব। আনহাতে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ উন্নয়নৰ হকে তেখেতে দিয়া পৰামৰ্শৱলীও বিবেচনা কৰি আৱশ্যকীয় কাৰ্য্য ব্যৱস্থা হাতত লব।

মাননীয় সদস্য বিনয় খুংগুৰ বসুমতাৰীয়ে ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত অংশ গ্ৰহণ কৰি পৰামৰ্শ আগবঢ়ায় যে সমগ্ৰ অসমৰ সকলো শ্ৰেণীৰ লোককে সামৰি লব পৰাকৈ জম্বু কাশ্মীৰৰ লেখিয়াকৈ সাংবিধানিক ৰক্ষণা বেক্ষণ বিচাৰিব লাগে। আনহাতে বৰ্ত্তমানৰ চৰকাৰে বিচাৰিব লাগে। আনহাতে বৰ্ত্তমানৰ চৰকাৰে সকলো শ্ৰেণীৰ লোকৰ প্ৰতি উদাৰতা দেখুৱাব লাগে। এই সংক্ৰান্তত জনাব খোজো যে অসম চুক্তিৰ ভিতৰতে অসমৰ জনসাধাৰণৰ স্বকীয় অস্তিত্ব সংৰক্ষণৰ বিষয়টো সন্নিবিষ্ট হৈ আছে। আমাৰ চৰকাৰে নিশ্চয় উদাৰ মনোভাবেৰে অসমৰ সকলো শ্ৰণীৰ লোকৰ প্ৰতি সেৱা আগবঢ়াব।

মাননীয় সদস্য শ্ৰীগনেশ কুটুমে শিশু কল্যাণ সম্পৰ্কে দিয়া পৰামৰ্শ প্ৰশংসনীয় আৰু এই বিষয়ত চৰকাৰে আঁচনি হাতত লৈছে।

মাননীয় সদস্য শ্ৰীকুসুম্বৰ তাইৰ উদ্যোগ সমূহত থলুৱা লোকৰ নিযুক্তি, পৰিবহণ ব্যৱস্থাৰ উন্নয়ণ আৰু নামৰূপ সাৰ কাৰখানাৰ বিষাক্ত গেছৰ পৰা উদ্ভৱ হব পৰা পৰিস্থিতি নিয়ন্ত্ৰন সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শ সমূহ চৰকাৰে বিবেচনা কৰি ব্যৱস্থা লব।

মাননীয় সদস্য শ্ৰীআব্দুল বৰ লস্কৰে কাছাৰ জিলাৰ সোনাই অঞ্চলত বানপানীত হোৱা ক্ষয় ক্ষতি সম্পৰ্কে উল্লেখ কৰে। এই সম্পৰ্কে চৰকাৰ অবগত আৰু বান বিধস্ত অঞ্চলত আৱশ্যকীয় নিৰ্ম্মান আদিৰ ব্যৱস্থা লোৱা হব।

মাননীয় সদস্য শ্ৰীইউছুফ আলি আহমেদে তেখেতৰ ব্যক্তব্যত সমবায় সমিতি সমূহৰ অৰ্থনৈতিক আহুকাল সমূহ আৰু খাদ্য নিগমে যোগান ধৰা খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত থকা বেমেজালিৰ কথা উল্লেখ কৰে। এই সম্পৰ্কে চৰকাৰে অনুসন্ধান কৰি আৱশ্যকীয় ব্যৱস্থা লব।

মাননীয় সদস্য শ্ৰীদেৱন জয়নাল আবেদিনে অসমৰ সমস্যা সমূহৰ সমাধানৰ সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শ বিবেচনা কৰি চোৱা হব। কিন্তু তেখেতে অসম চুক্তি সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শ পুনৰ বিবেচনাৰ থল নাই।

माननीय सदस्य শ্ৰীগৌতম ৰয়ে ন্যায়িক বিষয়া সকলৰ ঘৰ-দুৱাৰ নিৰ্মানৰ কাম পৰ্য্যায়ক্ৰমে হাতত লোৱা হৈছে। তেখেতৰ কাটলিছেৰা সমষ্টিৰ পথ আৰু দলং নিৰ্মান কৰা সম্পৰ্কে দিয়া পৰামৰ্শ গড় কাপ্তানী বিভাগে পৰীক্ষা কৰি চাব।

মাননীয় সদস্য শ্ৰীকামাখ্যা চৰণ চৌধুৰীয়ে সকলো ধৰণৰ কৰ্ম্মচাৰী সকলৰ বিৰুদ্ধে থকা, বিভাগীয় গোচৰ, শাস্তিমূলক ব্যৱস্থা আদি উঠাই লবলৈ খৰতকীয়া ব্যৱস্থা হাতত লোৱাৰ পৰামৰ্শ দিয়ে। যিহেতু এই কথা অসম চুক্তিৰ অন্তভুক্ত চৰকাৰে ইতিমধ্যে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা হাতত লৈছে। কেন্দ্ৰীয় আৰু ৰাজ্যচৰকাৰৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহকো ইয়াৰ বাবে আৱশ্যকীয় নিৰ্দেশ দিয়া হৈছে।

মাননীয় সদস্য শ্ৰীমজিবুদ্দিন আহমেদে সংখ্যালঘু সম্প্ৰদায়ক ভীতি প্ৰদৰ্শন কৰা হৈছে বুলি অনা অভিযোগ সম্পূৰ্ণ ভিত্তিহীন। সংখ্যালঘু সম্প্ৰদায়ৰ লোকক যাতে অনাহকত হাৰাশাস্তি কৰা নহয় তাৰ বাবে চৰকাৰে আৱশ্যকীয় নিৰ্দ্দেশ জাৰি কৰিছে। আভ্যন্তৰীন জলপৰিবহন ব্যৱস্থাৰ উন্নয়নত চৰকাৰে মনোনিবেশ কৰিব। জলসিঞ্চন বিভাগৰ দুনীতি সম্পৰ্কে তেখেতে অনা অভিযোগসমূহ নিৰ্দ্দিষ্ট ভাৱে জনালে অনুসন্ধান কৰি আৱশ্যকীয় ব্যৱস্থা নিশ্চয় লোৱা হব। শিক্ষা বিভাগৰ বেমেজালি সমূহ আঁতৰাই শিক্ষানুষ্ঠান সমূহ নিকা আৰু সুপৰিচালিত কৰাৰ বাবে আমাৰ চৰকাৰ প্ৰতিজ্ঞাবদ্ধ।

মাননীয় সদস্য শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰীয়ে শ্ৰমিক বাহিনী আৰু ঠিকাদাৰ সকলৰ ক্ষেত্ৰত থকা আসোঁৱাহ সমূহ দূৰ কৰিবৰ কাৰণে সংশ্লিষ্ট বিভাগে অনুসন্ধান চলাই উপযুক্ত ব্যৱস্থা লব। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহৰ আৱশ্যকীয় গৃহ নিৰ্মানৰ কাৰ্য্য সামৰ্থ অনুযায়ী হাতত লোৱা হব। বান নিয়ন্ত্ৰনৰ বাবে যথোপযুক্ত ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে। আৰু এইসংক্ৰান্তত অতিৰিক্ত পুঁজিৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হব। খৈৰাবাৰী অঞ্চলৰ অসম্পূৰ্ণ আঁচনি সমূহ সংশিষ্ট বিভাগে সম্পূৰ্ণ কৰাৰ চেষ্টা কৰিব।

মাননীয় সদস্য শ্ৰী আব্দুল জব্বৰে অসম চুক্তি কাৰ্য্যকৰী কেনেকৈ কৰিব তাৰ উল্লেখ কৰা হোৱা নাই বুলি কৈছে আৰু সংখ্যালঘুৰ লোক সকলে আশংকা প্ৰকাশ কৰাৰ কথা কৈছে । এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰা হৈছে আৰু অসম চুক্তি বাস্তৱত ৰূপায়ন কৰা হব, সংখ্যালঘুৰ লোক সকলৰ যে কোনো হাৰাশাস্তি নাই তাৰ প্ৰতিশ্ৰুতি এই চৰকাৰে দিছে । তেখেতে গাওঁ পঞ্চায়ত বিলাক আৰু সমবায় সমিতি বিলাক কাৰ্য্যক্ষম কৰাৰ কাৰনে পৰামৰ্শ দিছে । এই গাওঁ পঞ্চায়ত আৰু সমবায় সমিতি বিলাক কাৰ্য্যক্ষম কৰি তোলা হব । তেখেতে ১৯৭১ চনৰ জনসংখ্যাৰ কথা কৈছে । শিক্ষিত নিবনুৱালোকৰ সংখ্যা বাঢ়ি যোৱাৰ কথা সদনত সকলোৱে উল্লেখ কৰিছিল। বিগত বছৰ কেইটাত চৰকাৰৰ অপৰিকল্পিত ব্যৱস্থাৰ কাৰনে এই সংখ্যা বাঢ়িয়ে আছে। এই সমস্যা সমাধানৰ কাৰণে বহুতো সময়ৰ প্ৰয়োজন হব পৃথিবীৰ বহুত দেশেই এই সমস্যাৰ সমাধান কৰিব পৰা নাই ।তথাপি তাৰ কিছু আশু সমাধানৰ চেষ্টা এই চৰকাৰে কৰিব । নিৰ্ব্বাচনৰ সংক্ৰান্তত কিছুমান অভিযোগ উত্থাপন কৰিছে কিন্তু আমি দেখিছো ৮৩ চনত যি নিৰ্ব্বাচন পতা হৈছিল তাত পুলিচ মিলিটাৰীৰ দ্বাৰা ভোট গ্ৰহণৰ ব্যৱস্থা কৰা হৈছিল কিন্তু এইবাৰ ৰাইজে স্বতঃস্ফুৰ্ট-ভাৱে ভোট দিছিল গতিকে তাত কিবা হৈছিল বুলি আমি নাভাবো । চৰ অঞ্চল জৰীপ কৰাৰ কথা কৈছে । ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে । সেই চাৰ্ভেৰ কাম ৰাজহ বিভাগে হাতত লৈছে ।

অধ্যক্ষ মহোদয়, মৰাপাটৰ দাম উচিত ভাবে নিৰ্দ্ধাৰিত হব লাগে বুলি দিয়া পৰামৰ্শৰ বাবে ধন্যবাদ জনাইছো আৰু ইতিমধ্যে বিভাগীয় মন্ত্ৰী গৰাকীয়ে এই সম্পৰ্কীয় ব্যৱস্থা হাতত লব। মাননীয় সদস্য শ্ৰীঅৰুণ ৰাভা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণ এক ঐতিহাসিক দলিল বুলি আভিহিত কৰিছে আৰু ভালেমান পৰামৰ্শ আগবঢ়াইছে, বিশেষকৈ গোৱালপাৰা জিলাত পুলিচ বিভাগৰ পৰতো লগা অৱস্থা হোৱাৰ কথা উল্লেখ কৰিছে। চোৰাং কাৰবাৰীৰ হাতত আৰক্ষী বাহিনীটো ব্যৱহৃত হোৱাৰ কথাও উল্লেখ কৰিছে। তেখেতৰ এই অভিযোগ সমূহ দূৰীকৰণ তথা প্ৰশাসন নিকা কৰিবৰ কাৰণে ইতিমধ্যে চৰকাৰে ব্যৱস্থা হাতত লৈছে আৰু বৰ্ত্তমান চৰকাৰে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰি আৰক্ষী আৰু সাধাৰণ প্ৰশাসন নিকা কৰাৰ কাৰণে কাৰ্য্যপন্থা হাতত লব। ১৯৮৩ চনৰ ২৪ ফেব্ৰুৱাৰীৰ দিনা পুলিচ আৰু চি, আৰ, পিৰ মাজত হোৱা সংঘৰ্ষ ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত আছিল। আমি বৰ্ত্তমান চৰকাৰৰ তৰফৰ পৰা এইটো আশ্বাস দিব পাৰো যে আৰক্ষী বাহিনীক কোনো ৰাজনৈতিক উদ্দেশ্যত ব্যৱহৃত কৰা নহব। আমাৰ এই ঘোষণা বাস্তৱত ৰূপায়িত কৰিবলৈ ইতিমধ্যে বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে। পেন্সনাৰ সকলৰ মাহিলী টকা পোৱাৰ ক্ষেত্ৰত পাই অহা অসুবিধাৰ কথা আঙুলিয়াই শ্ৰীৰাভা ডাঙৰীয়াই এ, জি অফিচৰ পেন্সন শাখাটো স্থানান্তৰ কৰাৰ কাৰণে বৰ ভাল পৰামৰ্শ এটা আগবঢ়াইছে। এইটো আদৰণীয় এই বিষয়টো চিন্তা কৰা হব আৰু সেই অনুক্ৰমে ব্যৱস্থা হাতত লবলৈ চেষ্টা কৰা হব। মাননীয় সদস্য শ্ৰীদিগেন্দ্ৰ পুৰকায়স্থ ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণত কুৰিদফীয়া আঁচনিৰ উল্লেখ নথকাৰ কথা আৰু বন বিভাগৰ দুৰ্নীতি দূৰীকৰণৰ কথা আঙুলিয়াইছে। অসমৰ বনজ সম্পদ যোৱা কেইবছৰত বহুপৰিমাণে ধ্বংস কৰা হ'ল আৰু সেইটো ৰোধ কৰাৰ কাৰণে যথাযুক্ত ব্যৱস্থা হাতত লোৱা হৈছে। ইতিমধ্যে চৰকাৰৰ পৰা লোৱা ব্যৱস্থা আৰু চোৰাং ভাবে অসমৰ পৰা কাঠ কাটি বাহিৰলৈ নিয়া সম্পৰ্কত কোকৰাঝাৰ আদি ঠাইত তেনে ব্যৱস্থাৰ প্ৰতিফলন ঘটিছে। এই ব্যৱস্থাৰ কাৰণে সদনৰ ভিতৰে বাহিৰে মাননীয় সদস্যসকলৰ আৰু অসমবাসী ৰাইজৰ সহায় সহযোগ কামনা কৰিছো। কিয়নো সকলোৰে দলৰে মাননীয় সদস্য সকলৰ আৰু ৰাইজৰ সহায় সহযোগ অবিহনে এই কাম বিলাক নিয়াৰিকৈ সম্পন্ন কৰাত কিছু অসুবিধা হয়। ইতিমধ্যে বনাঞ্চলৰ সম্পৰ্কত ভালেকেইটা তদন্ত আৰম্ভ কৰা হৈছে আৰু অলপ দিনৰ ভিতৰতে সেইখিনি সম্পন্ন হব বুলি আশা কৰা হৈছে। বাননিয়ন্ত্ৰণ বিভাগৰ সম্পৰ্কত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দি গৈছে। মাননীয় সদস্য শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত ডাঙৰীয়াই অসম চুক্তিৰ বিৰুদ্ধে বক্তৃতা ৰাখিছে কিন্তু মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে জনাব বিচাৰো যে অসম চুক্তি কাৰ্য্যকৰী কৰণত তেখেতে সন্দেহ প্ৰকাশ কৰাৰ দৰে সংখ্যালঘুৰ স্বাৰ্থক্ষুণ্ণ নকৰে। অসমত অবৈধ ভাবে অনুপ্ৰবেশ কৰা বিদেশী লোকৰহে স্বাৰ্থ ক্ষুন্ন কৰিব। অসমত যুগ যুগ ধৰি বসবাস কৰি থকা প্ৰকৃত ভাৰতীয় সংখ্যাগুৰু যিয়েই নহওক সেই সকলৰ কাৰণে এই চুক্তিৰ পৰা কোনো ভয় নাই, ভয় কৰাৰ কোনো কাৰণেই থাকিব নোৱাৰে। আৰু সংখ্যালঘুৰ স্বাৰ্থৰ কাৰণে মাননীয় সদস্য যিমান খিনি সক্ৰীয় মই ভাবো আটাইকেইটা ৰাজনৈতিক দলেই সেই সমস্য সম্পৰ্কে সমানে সজাগ। মাননীয় দাসগুপ্ত ডাঙৰীয়াই ভোটাৰ তালিকা সম্পৰ্কত সংশোধনীৰ ক্ষেত্ৰত বেমেজালিৰ কথা উল্লেখ কৰিছে। মই আগতে কৈছো যে বহুত ভাৰতীয় নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ পৰি গৈছে। বহুত হাজৰিকা, বৰা, শইকীয়া উপাধীৰ নামো বাদ গৈছে। ভোটাৰ তালিকাৰ পৰা যাতে ভাৰতীয় কোনো নাগৰিকৰ নাম বাদ পৰি নাযায় সেইটো বৰ্ত্তমান চৰকাৰৰ পৱিত্ৰ কৰ্ত্তব্য হব। মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ কোচ ডাঙৰীয়াই বিগত বছৰ কেইটাত পুলিচ প্ৰশাসনৰ অবনতিৰ কথা দাঙি ধৰি অত্যাচাৰীৰ ভূমিকা লোৱাৰ কথা উল্লেখ কৰিছে এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ তৰফৰ পৰা প্ৰতিশ্ৰুতি দিয়া হৈছে যে আৰক্ষী বাহিনীক কোনো ৰাজনৈতিক কামত খটুৱা নহব আৰু আৰক্ষী লোকসকলে জনসাধাৰণৰ বন্ধু হিচাপে কাম কৰিব লাগিব, জনসাধাৰণৰ লগত মিলি পৰিব লাগিব। মাননীয় সদস্য শ্ৰীগণেশ বড়ো ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত সমালোচনা আগবঢ়াই পৰামৰ্শ দাঙি ধৰিছে জনসাধাৰণৰ ওচৰলৈ জিলা প্ৰশাসনৰ মাধ্যমেৰে শাসন ব্যৱস্থা ওচৰ চপাই দিয়া বুলি কৰা পূৰ্ব্বৰ চৰকাৰৰ ঘোষণা কাৰ্য্যকৰী কৰিব লাগে। আমি তেখেতৰ এই পৰামৰ্শৰ বাবে ধন্যবাদ জনাইছো আৰু আমাৰ চৰকাৰে এইবিলাক বিবেচনা কৰিব বুলি মই আশ্বাস দিছো। মাননীয় সদস্য শ্ৰীপদ্ম নাথ কৈৰী ডাঙৰীয়াই চাহ বাগিচাৰ ছাত্ৰসকলৰ ক্ষেত্ৰত সুবিধা দিয়াৰ আৰু চাহ মজদুৰ সকলক অনুসূচীত জাতি বুলি স্বীকৃত দিয়াৰ কথা দাঙি ধৰিছে। এই প্ৰস্তাৱ আমাৰ চৰকাৰে নিশ্চয় বিবেচনা কৰিব আৰু চাহ বাগিচাৰ মজদুৰ ভাই সকলৰ পিচপৰি থকা অৱস্থাৰ উন্নতিৰ কাৰণে কাম কৰি যাবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ বাহিৰেও চাহ বাগিচাৰ দুগ্ধৰীয়াৰ আহাৰ, মীন বিভাগ, উদ্যোগ বিভাগ আৰু পানী যোগান বিভাগৰ সন্দৰ্ভত যি

পৰামৰ্শ আগবঢ়াইছে এই সকলো পৰামৰ্শৰ ক্ষেত্ৰত তেখেতৰ প্ৰতি আদৰণী জনাইছো আৰু বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই এই সম্পৰ্কে বিতং উত্তৰ যথাযথ ভাবে দিছে আৰু আমাৰ ফালৰ পৰাও মাননীয় সদস্যৰ প্ৰতি জনাওঁ যে চৰকাৰে প্ৰশাসন যন্ত্ৰৰ সকলো পৰ্য্যায়তে চাহবাগিচাৰ মজদুৰ ভাই সকলৰ সাৰ্বিক উন্নতিৰ হকে প্ৰচেষ্ঠা চলাব। এই খেত্ৰত ৰাইজৰ সহায় সহযোগ আৰু মাননীয় সদস্য সকলৰ সহায় তথা পৰামৰ্শৱলীৰ সততে প্ৰয়োজন হব।

ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কৰ সময়ত মাননীয় সদস্য সকলে তেখেতসকলৰ বক্তব্যত উল্লেখ কৰা সকলো কথাই হয়তো সময়ৰ অভাৱত মোৰ এই ভাষণত সামৰিব নোৱাৰিব পাৰো কিন্তু এইটো ঠিক যে সকলো কথাই চৰকাৰে সমুচিত ভাবে বিবেচনা কৰিব।

অধ্যক্ষ মহোদয়, সৰ্ব্বশেষত মই চৰকাৰৰ তৰফৰ পৰা এই সদনক আশ্বাস দিওঁ যে আমাৰ চৰকাৰে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ লোকৰ প্ৰতি সামাজিক ন্যায় প্ৰতিষ্ঠাৰ যোগেদি সৰ্ব্বাঙ্গীণ উন্নতিৰ বাবে দ্ৰুত আৰু ফলপ্ৰসূ ব্যৱস্থা হাতত লব। অনুসূচীত জাতি, অনুসূচীত জনজাতি, চাহ বাগিচাৰ শ্ৰমিক সম্প্ৰদায় আৰু সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ সকলো লোকৰ বাবে কল্যাণমূলক আঁচনি সমূহ খৰতকীয়াকৈ কাৰ্য্যকৰী কৰিব। ৰাজ্যখনৰ শান্তি, সম্প্ৰীতি আৰু শৃংখলা অটুট ৰখাৰ বাবে চৰকাৰে ইতিমধ্যে বহুতো দৃঢ়ব্যৱস্থা হাতত লৈছে। আগৰ চৰকাৰৰ দিনত নিৰ্য্যাতিত হোৱা চৰকাৰী কৰ্ম্মচাৰী সকলৰ বিৰুদ্ধে থকা গোচৰ তথা শাস্তিমূলক ব্যৱস্থা সমূহ উঠাই লোৱা হৈছে। আমাৰ চৰকাৰে এক নিৰপেক্ষ আৰু সুদক্ষ প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাৰ বাবে ইতিমধ্যে যথোপযুক্ত ব্যৱস্থা হাতত লৈছে। চৰকাৰী বিষয়া আৰু কৰ্ম্মচাৰী সকলে যাতে নিৰ্ভয়ে আৰু নিৰপেক্ষভাবে ৰাইজৰ সেৱাত ব্ৰতী হব পাৰে তাৰ বাবে আমাৰ চৰকাৰে সৰ্ব্বতোপ্ৰকাৰে চেষ্টা কৰিব।

মাননীয় সদস্যসকল, আপোনালোকে নিশ্চয় জানে যে কেৱল চৰকাৰী শাসনযন্ত্ৰৰ প্ৰচেষ্টাৰে কোনো সমাজতে এক বৈপ্লৱিক পৰিবৰ্ত্তন অনাটো সম্ভৱ নহয়। ইয়াৰ বাবে প্ৰতিজন নাগৰিকে সক্ৰিয়ভাৱে উন্নয়ণৰ প্ৰচেষ্টাত অংশ গ্ৰহণ কৰিব লাগিব আৰু নিজ নিজ অৰিহণা যোগাব লাগিব। আমাৰ চৰকাৰে সকলো ক্ষেত্ৰত ৰাইজৰ সহযোগ আৰু সক্ৰিয় অংশ গ্ৰহণ কৰাটো বিচাৰে। সেই কাৰণে আজি এই সদনৰ মজিয়াত মই ৰাজনৈতিক দল নিৰ্ব্বিশেষে সকলো সদস্যকে মনুনয়ে অনুৰোধ কৰো যাতে ৰাইজ আৰু এই ৰাজ্যখনৰ স্বাৰ্থৰ খাতিৰত চৰকাৰক সকলো কাম-কাজত তেখেত সকলৰ সহায় সহযোগ আগবঢ়ায়।

মাননীয় সদস্য শ্ৰীঅমৃত লাল বসুমতাৰীয়ে দাঙি ধৰা সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰি মাননীয় সদস্য আব্দুল জলিল ডাঙৰীয়াই ট্ৰাইবেল বেল্টৰ বেদখল-কাৰী উচ্ছেদ কৰা সম্পৰ্কে যি প্ৰশ্নৰ অৱতাৰণা কৰিছে সেই সম্পৰ্কে চৰকাৰে পৰীক্ষা কৰি ব্যৱস্থা লব। নিবনুৱা সমস্যা সম্পৰ্কে মাননীয় সদস্য গৰাকীয়ে উদ্বেগ প্ৰকাশ কৰিছে। এই বিষয়ে চৰকাৰ সম্পূৰ্ণ সচেতন আৰু এই সমস্যা সমাধানৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিব।

এই দুআষাৰ কৈ মাননীয় সদস্য সকলক ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱটো সৰ্ব্বান্তঃকৰণে সমৰ্থন কৰিবলৈ আহ্বান জনাইছো আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত সংশোধনী প্ৰস্তাৱ উত্থাপন কৰা মাননীয় সদস্যসকলক তেখেতসকলৰ সংশোধনী উঠাই লবলৈ অনুৰোধ কৰিছো।

মাননীয় অধ্যক্ষ :— এতিয়া ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপনকাৰী মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাই উত্তৰ হিচাপে কিবা কব নেকি ?

শ্ৰীজয়নাথ শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্ক কালত সদনৰ মাননীয় সদস্য সকলে যি দিহা পৰামৰ্শ আগবঢ়াইছে সেই সম্পৰ্কত আমাৰ মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে দীঘলীয়াকৈ সকলো দিশ সামৰি উত্তৰ দিছে। এই ক্ষেত্ৰত মোৰ আৰু একো কবলগীয়া নাই। মই আশা ৰাখিছো আমাৰ দলৰ এই নতুন চৰকাৰে আজি যি এখন সুন্দৰ অসম গঢ় দিয়াৰ প্ৰতিশ্ৰুতিৰে শাসনৰ ভাৰ হাতত লৈছে তালৈ যেন সকলোৱে আন্তৰিক ভাবে সহায়-সহযোগ আৰু দিহা-পৰামৰ্শ আগবঢ়ায়।

মাননীয় সদস্য শ্ৰীএ, এফ, গোলাম ওছমানী, শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত, শ্ৰীশেখ আব্দুল হামিদ আৰু শ্ৰীশেখ চামান আলি ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি সংশোধনী প্ৰস্তাৱ আনিছে মই তেখেত সকলক সেই প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনাইছো।

মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী আৰু শ্ৰীআব্দুল জলিল ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত সংশোধনী প্ৰস্তাৱটো উঠাই লবলৈ তেখেত সকলক অনুৰোধ জনাইছো।

ইয়াৰ পিচত মাননীয় সদস্য দেৱান জয়লাল আবেদিন ডাঙৰীয়াকো মই অনুৰোধ জনাইছো তেখেতে যেন ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা সংশোধনী প্ৰস্তাৱটো উঠাই লয়।

মাননীয় সদস্য শ্ৰীচিৰ্লভিয়াছ কণ্ডপাল ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি সংশোধনী উত্থাপন কৰিছে তাক উঠাই লবলৈ মই তেখেতক অনুৰোধ কৰিছো।

মাননীয় সদস্য শ্ৰীহেমেন দাস আৰু শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপতত যি সংশোধনী প্ৰস্তাৱ আনিছে সেইটো উঠাই লবলৈ মই তেখেত সকলক অনুৰোধ জনাইছো। ইয়াৰ পিচত মাননীয় সদস্য শ্ৰীবিনয় খুংগুৰ বসুমতাৰী ডাঙৰীয়াকো মই অনুৰোধ কৰিছো তেখেত যেন ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা সংশোধনী প্ৰস্তাৱটো উঠাই লয়।

মাননীয় অধ্যক্ষ ঃ— মাননীয় সদস্য সকলে ৰাজ্যপালৰ ভাষণৰ ওপৰত ৬টা সংশোধনী প্ৰস্তাৱ উত্থাপন কৰিছে। প্ৰথমটো শ্ৰীএ, এফ, গোলাম ওছমানি ডাঙৰীয়া আৰু তেখেতৰ সহকৰ্মী সকলে, দ্বিতীয়টো মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী আৰু আব্দুল জলিল ডাঙৰীয়াই, তৃতীয়টো মাননীয় সদস্য শ্ৰীদেৱান জয়নাল আবেদিন ডাঙৰীয়াই, চতুৰ্থটো মাননীয় সদস্য শ্ৰীচিৰ্ভিয়াছ কণ্ডপান ডাঙৰীয়াই, পঞ্চমটো মাননীয় সদস্য শ্ৰীহেমেন দাস আৰু শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াই আৰু ষষ্ঠটো হৈছে মাননীয় সদস্য শ্ৰীবিনয় খুংগুৰ বসুমতাৰী ডাঙৰীয়াই।এতিয়া প্ৰথমটো প্ৰস্তাৱৰ উত্থাপক শ্ৰীওছমানি ডাঙৰীয়া ইয়াত নাই মই তেখেতৰ সহযোগী শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত আৰু অন্যান্য সকলক তেখেত সকলৰ সংশোধনী প্ৰস্তাৱটো উঠাই লবনেকি জানিব বিচাৰিছো।

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত ঃ— ন' চাৰ।

Shri SARAT CHANDRA SINHA : There is no proposal for withdrawal.

Shri GOLAK RAJBANSHI : Sir, first the amendment should be disposed of. Then the motion will come up.

Mr. SPEAKER : Then I put the amendment to vote. The amendment moved by Shri A.F. Goolam Osmani and others is that at the end of the Motion of Thanks on the Governor's address moved by Shri Zoii Nath Sarma the following be added :

"But regret to state that—

(1) in the Governor's address the actual state of affairs and its population pattern has not been fully and properly reflected.

(2) that Governor's address is self-contradictory.

(3) that Governor's address is fully silent about the problems of the minorities and about the formation of an Assam Minorities Development Board which he himself stated in his address in the floor of the House on March 6, 1985.

(4) on 10th January, 1986 in page No .2 of the address of the Governor's statement "The law and order situation remained well under control despite various pressures and forces causing tension".

(5) there was no mention in the Governor's address that up till 13th December, the voter lists could not be supplied to the candidates and that nearly million of Indian citizens' names were deliberately excluded from the voter lists of 1985. The Governor also did not take cognizance of the fact that those Indian citizens who preferred appeal for non-inclusion/deletion of their names in the final electoral rolls as election was declared hastily when electoral roll was not at all available for the public. Governor also did not take note of the fact that large scale unprecedented rigging both in polling and counting took place in colaboration with a section of high Government officials.

(6) There was not mention of introducing any bill in the Assembly in the Governor's address; but on 10th January 1986 Assam Repealing Bill, 1986 has been introduced, thereby the Government has ignored the conventions of the House regarding introduction of any new Bill.

(7) When implementing the Assam Accord, the Governor stated that there will be speedy implementation of the Accord. But there is nothing in Governor's address to allay the apprehension and fear created in the minds of minorities religious, linguistic, ethnic and others, created by Assam Accord.

(8) The Governor's address is lacking about improvement of relation in between defferent communities living in Assam which has been jeopardised due to signing of Assam Accord without consulting with concerned communities living in Assam for years together.

(9) The Governor's address is contradictory in many points relating to the development and progress of Assam while comparing his 1985 and 1986 address side by side.

(10) The Governor has stated nothing about the construction of Jogighopa and Bhomraguri Brahmaputra Bridge.

(The amendment was pur to vote)

The motion is lost and the amendment is lost.

Now the second amendment is moved by Shri Amrit Lal Basumatari.

Shri CHARAN NAZARY : On a point of order Sir. The name of the mover may be read out and the amendment may be put to voice vote straightaway without reading the amendment.

Mr.SPEAKER : Now I put the amendment of Shri Amrit Lai Basumatari.

The motion is lost.

Now amendment No. 3 moved by Shri Dewan Joynal Abedin.

The motion is that at the end of the Motion of Thanks on the Governor's Address moved by Shri Zoii Nath Sarma the following be added:

"But regret that—

(i) the Hon'ble Governor's Address does not make any reference to the plight of more than 9 lakhs of genuine Indian citizens of Assam whose names had been deleted from the Electroral Rolls through non-judicial processes; and that—

(ii) the Hon'ble Governor's claim that the last elections were held "in a peaceful and orderly manner" is not based on facts, rather, in reality, the elections were held in an abnormal atmosphere surcharged with communal considerations and threats, intimidations and large-scale riggings were resorted to in the election."

The amendment is lost.

Now, amendment No.4 moved by Shri Silvius Gondpan. Now I put the amendment to vote. The amendment is that at the end of the motion of thanks on the Governor's Address moved by Shri Zoii Nath Sarma the following be added :

"But regrets that the Governor's Address has failed to mention the 20 points programme and about its implementation."

The amendment is lost.

Now, amendment No·5 moved by hon'ble Shri Hemen Das and Shri Ramendra De. Now I put the motion to vote.

The amendment is lost.

Now amendment No·6 moved by hon'ble member Shri Binai Khungur Basumatari. I put the motion to vote. The motion is that at the end of the Motion of Thanks on the Governor's Address moved by Shri Zoii Nath Sarma the following be added:

"But regret to note that the Governor's Address failed to mention—

1· Providing adequate relief to affected people at Gohpur, Johamari, Thelamara, Kalaigaon, Khoirabari in the then Darrang district in 1983 election clashes.

2. Providing settlement to settlers at Gohpur, affected in 1983 election clashes."

The amendment is lost.

Now I put the motion of thank moved by Shri Zoi Nath Sarma and Seconded by Shri Deb Kumar Bora.

"আজি ১৯৮৬ চনৰ জানুৱাৰী মাহৰ ১০ তাৰিখে সদনত মহামান্য ৰাজ্যপাল মহোদয়ে অনুগ্ৰহ কৰি দিয়া ভাষণৰ কাৰণে এই অধিবেশনত মিলিত হোৱা অসম বিধান সভাৰ সদস্য সকল ৰাজ্যপালৰ ওপৰত কৃতজ্ঞ আৰু ধন্য।"

The motion is adopted.

মাননীয় অধ্যক্ষ :— ইয়াৰ দ্বাৰা মই এই পবিত্র সদনৰ মন্ত্রী আৰু মাননীয় সদস্য সকলক জনাও যে ১৯৮৬ চনৰ ১১ ফেব্রুৱাৰী তাৰিখৰ পৰা ১৩ ফেব্রুৱাৰী তাৰিখলৈ সদনৰ কাৰ্য্যক্ৰমনিকাৰ পৰিচালনা সমিতিৰ এখনি আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। এই আলোচনা চক্ৰত হবলগা কাৰ্য্যক্ৰম আৰু বিষয় সমূহ তলত উল্লেখ কৰা ধৰণৰ :—

১১।২।৮৬ পূৱা ১০ বজাৰ পৰা ১১ বজালৈ —

(১) অসমৰ ৰাজ্যপালৰ দ্বাৰা আলোচনা চক্ৰ মুকলি

(২) অধ্যক্ষৰ দ্বাৰা আদৰণি ভাষণ।

(৩) মাননীয় মুখ্যমন্ত্ৰীৰ ভাষণ

(৪) শ্ৰীশৰত্ সিংহৰ দ্বাৰা ধন্যবাদ জ্ঞাপন

| তাৰিখ | অধিবেশন | সময় | |
|---|---|---|---|
| ১১।২।৮৬ | প্ৰথম | পূৱা | ১১ বজাৰ পৰা |
| | | আবেলি | ১-৩০ ৰ পৰা ৩ বজালৈ |
| | দ্বিতীয় | আবেলি | ২ টাৰ পৰা ৫ বজালৈ |
| ১২।২।৮৬ | তৃতীয় | পূৱা | ১০ বজাৰ পৰা আবেলি ১ ৰ পৰা ২ বজালৈ। |
| | চতুৰ্থ | আবেলি | ২ বজাৰ পৰা ৫ বজালৈ। |
| ১৩।২।৮৬ | পঞ্চম | পূৱা | ১০ টাৰ পৰা আবেলি ১-৩০ বজালৈ। |
| | ষষ্ঠ | আবেলি | ২-৩০ ৰ পৰা ৫-৫০ বজালৈ। |
| | | সন্ধিয়া | ৬-৩০ বজাৰ পৰা ৮-৩০ বজালৈ। |

বিশেষকৈ নতুনকৈ অহা সদস্য সকলৰ উপকাৰৰ কাৰণে বিশেষ বিষয়ৰ ওপৰত অৰ্হতা তথা ব্যক্তিৰ দ্বাৰা ভাষণ দিয়াৰ ব্যৱস্হা কৰা হব, আৰু মই আশাকৰো সকলো মাননীয় মন্ত্ৰী আৰু সদস্যই সেই কেইদিন অন্য কোনো কাৰ্য্যসূচী হাতত নলব যাতে তেখেতসকলে আলোচনা চক্ৰত উপস্হিত থাকি সদনৰ সন্মুখলৈ আহিব পৰা বিভিন্ন বিষয়ৰ বিভিন্ন পদ্ধতিৰ সৈতে নিজকে পৰিচিত কৰিবলৈ সুযোগ কৰিব পাৰে। সময়মতে প্ৰত্যেক সদস্যলৈ সবিশেষ কাৰ্যক্ৰম পঠোৱা হব।

এতিয়া সদন অনিৰ্দিষ্ট কাললৈ স্হগিত।

## ADJOURNMENT

The Assembly then adjourned sine die.

Dated, Dispur
The 30th January, 1986

Dr. P. N. HAZARIKA,
Secretary,
Legislative Assembly, Assam.

AGP. (LA) 787/87—1,500—21-8-87